এপ্রিল 2004 Rs. 10 /-

চান্দমামা

CHANDAMAMA

PRESENTS

"BE A DREAM CHILD" CONTEST

The President of India, Dr. A.P.J.Abdul Kalam, in the course of his interaction with children, has been exhorting them to DREAM for the future of India and its people. Recently, at the end of his address to the nation on January 25, he administered an oath to a group of children. For the sake of our young readers, the 10-point oath is reproduced below.

1. I will pursue my education or work with dedication and I will excel in it.
2. I will teach at least 10 illiterate persons to read and write.
3. I will plant at least 10 saplings and shall ensure their growth through constant care.
4. I will visit rural and urban areas, and permanently wean away at least five persons from addiction and gambling.
5. I will constantly endeavour to remove the pain of my suffering brethren.
6. I will not support any religious, caste or language differentiation.
7. I will be honest and will endeavour to make a corruption free society.
8. I will work for becoming an enlightened citizen, and make my family righteous.
9. I will always be a friend of the mentally and physically challenged and will work hard to make them feel normal, like the rest of us.
10. I will proudly celebrate the success of my country and my people.

Chandamama invites the children of India to write one para each about what they have achieved in **fulfilling the ten points by the next Independence Day**. The contest is open to children between 8 and 15.

ENTER THE CONTEST AND WIN ATTRACTIVE PRIZES!

THREE BEST ENTRIES WILL BE PUBLISHED IN OUR NOVEMBER 2004 ISSUE.

CLOSING DATE : August 31 2004

Watch for instructions and details of prizes in the May 2004 issue

তেওঁ জীয়াই আছে

প্ৰায় ৯২ বছৰৰ আগতে অন্ধ্ৰপ্ৰদেশৰ কুড্ডাপাহ জিলাৰ এখনি অখ্যাত গাওঁ পট্টিপাডুত জন্ম হৈছিল এটি শিশুৰ। গাৱঁৰ স্কুলত কেৱল ৰামায়ণ, মহাভাৰত আৰু ভাগৱতৰ শিক্ষাহে দিয়া হৈছিল। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ এটা কঠোৰ জীৱন পালিব লাগে তাৰ শিক্ষা দিছিল। মহাকাব্য আৰু অন্যান্য প্ৰাচীন গ্ৰন্থসমূহত নিহিত থকা সত্যসমূহ আত্মস্থ কৰাৰ শিক্ষা তেওঁলোকক দিয়া হৈছিল।

নাগি ৰেড্ডী নামৰ এই ল'ৰাজন পিছত মাদ্ৰাজলৈ (এতিয়াৰ চেন্নাই) যায়, তাত কেইবছৰমানৰ কাৰণে এখন নিয়মীয়া স্কুললৈ যায়। কিন্তু তেওঁ শিক্ষা সাং কৰাৰ আগতে তেওঁ ঘৰৰ ৰপ্তানি ব্যৱসায়ত সহায় কৰিবলৈ যাব লগা হয়।

শ্ৰী বি.নাগি ৰেড্ডী
২ ডিচেম্বৰ ১৯১২-২৫ ফেব্ৰুৱাৰী ২০০৪

ডেকাকালত তেওঁ দেশৰ স্বাধীনতা সংগ্ৰামত যোগ দিয়ে। খাদী আন্দোলনত তেওঁ জড়িত হৈ পৰে। কিন্তু ব্যৱসায় চোৱাচিতা কৰিবৰ কাৰণে তেওঁ ব্ৰহ্মদেশলৈ যাব লগা হয়।

অৱশ্যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত এই ব্যৱসায়ৰ বিস্তৰ ক্ষতি হয়। সেয়ে তেওঁ নতুনকৈ কিবা এটা আৰম্ভ কৰিব লগা হয়। তেওঁ এটা ছপাশালা স্থাপন কৰে আৰু ইয়েই গ্ৰন্থ প্ৰকাশনৰ প্ৰতি তেওঁৰ মন ঢাল খুৱায়। তেওঁ "অন্ধ্ৰ-জ্যোতি" নামৰ এখন সামাজিক ৰাজনৈতিক আলোচনী উলিয়াবলৈ লয়। তাৰ পিছত তেওঁ কথাছবি নিৰ্মাণৰ বাবেও আগবাঢ়ে যাৰ ফলত তেওঁ শ্ৰী চক্ৰপাণিৰ সান্নিধ্যলৈ আহে। দুয়ো লগলাগি ল'ৰা-ছোৱালীৰ বাবে এখন আলোচনী উলিওৱাৰ কথা চিন্তা কৰিলে আৰু সেইদৰেই ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ এমাহ আগতে জন্ম হ'ল 'চান্দ মামা' ৰ।

তাৰ পিছত তেখেতে মন মেলিলে চিকিৎসা সেৱাৰ প্ৰতি। মাদ্ৰাজত তেওঁ দুখন হস্পিটেল স্থাপন কৰিলে। নাগি ৰেড্ডীক তেওঁৰ অধ্যৱসায়, সৰলতা আৰু বিনয়ৰ বাবে সকলোৱে জানে। তেওঁৰ সমগ্ৰ জীৱন জুৰি যি কৰিছিল, যি কৈছিল সকলোবোৰ আমাৰ প্ৰাচীন শাস্ত্ৰসমূহৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

নাগী ৰেড্ডীয়ে ছপাখানা, প্ৰকাশন উদ্যোগ আৰু কথাছবি জগতৰ পৰা বহুতো বঁটা আৰু সন্মান পাইছিল। তাৰোপৰি অন্ধ্ৰপ্ৰদেশৰ দুখন বিশ্ববিদ্যালয়ৰ পৰা ডক্তৰেট উপাধি পাইছিল।

তেওঁৰ আদৰ্শৰাজি প্ৰতিফলিত কৰা 'চান্দমামা'ই ইয়াৰ প্ৰতিস্থাপক গৰাকীৰ প্ৰতি বিনম্ৰ শ্ৰদ্ধাঞ্জলি হিচাবে ছাত্ৰ-ছাত্ৰী সকললৈ উচ্চস্তৰৰ মানবীয় প্ৰমূল্য কঢ়িয়াই থাকিব।

বৰ্ষ : ৩১ এপ্ৰিল ২০০৪ সংখ্যা- ৪

এই সংখ্যাত আছে

বীৰ কালীনাথ
১৩

পাষাণ মূৰ্ত্তিত প্ৰাণ
১৯

ভাৰতৰ পৌৰাণিক উপাখ্যান
২৪

বিষ্ণু কথা
৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ পানীৰ মহিমা...৬ ★ আপোন হাত জগন্নাথ...৮
★ বীৰ কালীনাথ...১৩ ★ পাষাণ মূৰ্ত্তিত প্ৰাণ(ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী)...১৯ ★ ভাৰতৰ পৌৰাণিক উপাখ্যান-২৪...২৪ ★ ৰহস্য উদঘাটনৰ সত্য কাহিনী...২৭
★ সংবাদ-বিচিত্ৰা...৩১ ★ কাশ্মীৰৰ এটা লোককথা...৩২
★ অল্প বিদ্যা ভয়ঙ্কৰী...৩৮ ★ পাঠকৰ বাবে গল্প প্ৰযোগিতা...৪১ ★ মৰুভূমিৰ পানী...৪২ ★ বিষ্ণুকথা...৪৫
★ বিবিধ সংস্কৃতিৰ কাহিনী...৫১ ★ বিনা সূতে দিয়া ধাৰ...৫৫
★ আৰ্য...৫৯ ★ ইন্ধন ৰাহি কৰা...৬৩ ★ জানো আহাঁ নানা কথা...৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20

Remittances in favour of Chandamama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail:
subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

For booking space in this magazine please contact:
MUMBAI Sonia Desai : Ph : 022-56942407 / 2408
Mobile: 98209-03124
CHENNAI Shivaji : Ph : 044-22313637 / 22347399
Fax: 044-22312447
Mobile : 98412-77347 email : advertisements @chandamama.org

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপানি

শিলবোৰে কি কয় শুনাচোন

ভাৰতৰ ৰাষ্ট্ৰপতি ডঃ আব্দুল কালামে ২০২০ চনলৈ ভাৰতবৰ্ষ এখন শক্তিশালী ৰাষ্ট্ৰ হ'ব বুলি আশা কৰিছে। তেতিয়ালৈ এতিয়াৰ শিশুহঁত পূৰ্ণ যৌৱনপাপ্ত হ'ব। আমাৰ দেশখনক এক মহিমামণ্ডিত পৰ্য্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত উঠি অহা প্ৰজন্মৰ ওপৰত তেওঁ অশেষ আস্থা স্থাপন কৰিছে। যেতিয়াই সুযোগ পায় তেওঁ শিশুহঁতক সেই স্বপ্ন দেখিবৰ বাবে উৎসাহ জনায় আৰু এই স্বপ্ন তেওঁলোকে এদিন দিঠকত পৰিণত কৰিব বুলি তেওঁ সম্পূৰ্ণ বিশ্বাস ৰাখিছে।

সেয়েহে, গণৰাজ্য দিৱসৰ আগদিনা তেওঁ শ শ শিশুক এই অংগীকাৰ ল'বলৈ আহ্বান জনাইছিল, "মোৰ দেশ আৰু মোৰ দেশৰ মানুহৰ কীৰ্তি স্মৰণ কৰি গৰ্ব অনুভৱ কৰো আহাঁ।" অহা পোন্ধৰ বছৰত লক্ষ লক্ষ শিশুৰ কণ্ঠত নিশ্চয়কৈ এই কথা প্ৰতিধ্বনিত হ'ব।

ৰাষ্ট্ৰপতিয়ে ব্যৱহাৰ কৰা এই স্মৰণ শব্দটোৰ অতিশয় তাৎপৰ্য আছে। স্মৰণৰ লগত সাফল্য বা কৃতিত্বৰ সম্বন্ধ আছে। আমাৰ দেশৰ সাফল্য দেশখনৰ ঐতিহ্যৰ খাজে খাজে নিহিত আছে। কোৱা হয় যে অতীতৰ ভেটিতেই গঢ় লৈ উঠে ভৱিষ্যত। ভাৰতৰ বিভিন্ন স্থান আৰু স্মৃতিসৌধ সমূহে ভাৰতৰ গৌৰৱময় অতীতৰ কথা কয়। আৰু এটিৰ পিছত এটিকে সেইবোৰ ঐতিহ্যস্থানলৈ উন্নীত হৈছে।

কোনোবাই বন্ধদিন কটাবৰ বাবে--দেশখনৰ এনে প্ৰাচুৰ্যময় অতীতৰ বিষয়ে জানিবলৈ এই স্মৃতিসৌধ সমূহ ভ্ৰমণ কৰাতকৈ গুৰুত্বপূৰ্ণ আন কি হ'ব পাৰে? এক কথাত ক'বলৈ গ'লে সেইবোৰ জ্ঞান অৰ্জনৰ শ্ৰেণীকোঠা বুলি ক'ব পাৰি।

এইবোৰ স্মৃতিসৌধ ভ্ৰমণ কৰিলে ছাত্ৰ-ছাত্ৰীহঁতে গম পাব যে "শিলেও কথা কয়।"

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

পানীৰ মহিমা

এখন গাৱঁত জীৱন নামৰ এজন দক্ষ সাতোঁৰবিদ আছিল। এজন জমিদাৰে তেওঁৰ সাতোঁৰ বিদ্যাত তুষ্ট হৈ তেওঁক এটা কাঁচৰ মূৰ্ত্তি দিছিল। সেই মূৰ্ত্তি বিলাতৰ পৰা অনা আছিল। আৰু ই বৰ মূল্যৱান আছিল।

এবাৰ জীৱন ৰাজধানীত বসন্ত উৎসৱ চাবলৈ গ'ল। তেওঁ ভাবিলে যে এই মূল্যৱান মূৰ্ত্তিটো ঘৰত থৈ যোৱা উচিত নহ'ব। সেয়েহে তেওঁ মহাজন শিৱৰামক তেওঁ ঘূৰি নহালৈকে মূৰ্ত্তিটো সুৰক্ষিত কৰি ৰাখিবলৈ অনুৰোধ জনালে।

ইমান সুন্দৰ মূৰ্ত্তিটো এজন দৰিদ্ৰ লোকৰ ঘৰত থকাতকৈ তেওঁৰ ঘৰত অধিক সুশোভিত হৈ থাকিব। তাকে ভাবি তেওঁ সুধিলে, "জীৱন, এইটো মোক বেচি দিবানে?"

"মহাজন, এইটো বেচিব মই নোখোজো কিয়নো এইটো মোৰ প্ৰতিভাৰ স্বাক্ষৰ।" জীৱনে উত্তৰ দিলে।

মহাজনে মনতে ভাবিলে, "আও! ইয়াৰ ইমান অহঙ্কাৰ!" এই ভাবি তেওঁ ঠিক কৰিলে যে এই মূৰ্ত্তি জীৱনক ঘূৰাই দিয়া নহ'ব। তেওঁ একে ধৰণৰ এটা মাটিৰ মূৰ্ত্তি তৈয়াৰ কৰিলে আৰু তাৰ ওপৰত পিতলৰ প্ৰলেপ সানি দিলে। জীৱন ঘূৰি অহাৰ পিছত তেওঁ সেইটোকে দি দিলে।

ঘৰলৈ গৈ জীৱনে মহাজনৰ ঠগবাজি গম পাই গ'ল। কাৰণ মূৰ্ত্তিটো বাকচত ভৰাওতে কাঁচৰ শব্দ হোৱা নাছিল। সেইটো ঘঁহি দিয়াত মাটি ওলাই পৰিল।

সেই মুহূৰ্ত্ততে জীৱন মহাজনৰ ঘৰলৈ আহি ক'লে, "মহাজন, আপুনি মোৰ আচল মূৰ্ত্তিটো লুকাই থৈ মাটিৰ মূৰ্ত্তিটো মোক দিছে। অনুগ্ৰহ কৰি মোৰ মূৰ্ত্তি ঘূৰাই দিয়ক।"

"জীৱন, তুমি মোক যি মূৰ্ত্তি দিছিলা, মই তাকেই তোমাক ঘূৰাই দিছো। বোধকৰো মোৰ কুঁৱাৰ পানীৰে ধোৱা বাবে তোমাৰ কাঁচে মাটিৰ ৰং ল'লে। এয়া তো পানীৰ দোষ। আমি নো কি কৰিব পাৰোঁ?" মহাজনে ক'লে।

জীৱন দুখমনেৰে ঘৰলৈ ঘূৰি আহিল।

২৫ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত গল্প

কিন্তু তেওঁ মহাজনক এশিকনি দিবলৈ সিদ্ধান্ত কৰিলে ।

এদিন মহাজনৰ পত্নীৰ হাতৰ পৰা পিছলি পিতলৰ কলহ কুঁৱাত পৰি গ'ল । কুঁৱাটো বৰদ আছিল । গোটেই গাওঁখনৰ বাবে সেই এটাই খোৱাপানীৰ কুঁৱা আছিল ।

সেই কুঁৱাত বুৰ মাৰি কেৱল জীৱনেইহে কলহ উঠাব পাৰিছিল । সেয়েহে মহাজনে জীৱনক কলহটো উঠাই দিবলৈ অনুৰোধ কৰিলে ।

"মহাজন ! এইটোনো কি ডাঙৰ কথা ! কাইলৈ পুৱা নিশ্চয় আপোনাৰ কলহ কুঁৱাৰ পৰা উঠাই আনি দিম ।" জীৱনে ক'লে ।

সেই দিনা আধা ৰাতিতে জীৱনে মাটিৰ এটা টেকেলি লৈ কুঁৱাত নামিল । কুঁৱাত নামি তেওঁ কাচৰ কলহটো উঠালে, মাটিৰ টেকেলিটো ৰছীডালেৰে বান্ধিলে আৰু পুনৰ কুঁৱাত এৰি দিলে । কাঁচৰ কলহটো এটা গোপন ঠাইত লুকাই থ'লে আৰু ঘৰলৈ গৈ শুই থাকিল ।

পিছ দিনা মহাজনক লগত লৈ জীৱনে কুঁৱাৰ ওচৰলৈ আহিল কুঁৱাত বুৰ মাৰিলে আৰু মাটিৰ এটা টেকেলি লৈ ওপৰলৈ উঠি আহিল । তাকে দেখি মহাজনৰ চেহেৰা শেঁতা হৈ পৰিল । তেওঁ চিন্তিত হৈ ক'লে, "জীৱন, এইটো আমাৰ নহয়, আন কাৰোবাৰহে হ'ব ! তুমি আৰু এবাৰ বুৰ মাৰি চোৱা ।"

জীৱনে পানীত বুৰ মাৰি বহু সময়ৰ পিছত উঠি আহি ক'লে, "মহাজন ! এইটোৰ বাহিৰে আৰু কোনো কলহ নাই । বোধকৰো পানীৰ প্ৰভাৱতে আপোনাৰ কাঁচৰ কলহ মাটিৰ কলহৰ নিচিনা হৈ পৰিছে!" এইদৰে কৈ জীৱন নিজৰ ঘৰলৈ গুচি গ'ল ।

ইয়াৰ পিছত মহাজনে দুই-চাৰিজন মানুহৰ হতুৱাই কুঁৱাৰ পৰা পূৰা পানী আঁতৰালে । কিন্তু তেওঁৰ কলহটো নাপালে ।

মহাজনে সকলো বুজি পালে আৰু ৰাতি মনে-মনে জীৱনৰ ঘৰলৈ গৈ কাঁচৰ মূৰ্ত্তিটো ঘূৰাই দিলে আৰু নিজৰ পিতলৰ কলহটো লৈ আহিল ।



আপোন হাত জগন্নাথ

ভানুমতীৰ ধনী হোৱা বাবে বৰ গৰ্ব আছিল। এই গৰ্বৰ কাৰণে তাই নিজৰ ননদকো সহায় কৰিবলৈ অস্বীকাৰ কৰিছিল । ব্যৱসায়ত লোকচান হোৱা বাবে নন্দেকৰ ঘৰৰ অৱস্থা বৰ শোচনীয় হৈ পৰিছিল । তেওঁ বৰুৱাপাৰাৰ ওচৰৰ অন্য এখন গাৱঁত আছিল ।

অলপতে তেওঁৰ স্বামীৰ মৃত্যু হৈছে, সেয়েহে বেচেৰীক সহায় কৰিবলৈ কোনো নাছিল । তেওঁ নিজৰ একেজনী ছোৱালী অৰুণাৰ লগত বৰ দুখত দিনবোৰ পাৰ কৰিছিল । ভানুমতীয়ে তেওঁক চাবলৈ গৈছিল । কিন্তু তেওঁ কোনো প্ৰকাৰৰ সহায় কৰাৰ কথা নিদিলে আৰু ঘৰলৈ ঘূৰি আহিল।

কিন্তু এই বাৰ ভানুমতীয়ে নন্দেকৰ ষোল বছৰীয়া জীয়েক অৰুণাক লগত নিবই লগা হ'ল কাৰণ তাইৰ মাকৰো মৃত্যু হ'ল আৰু ছোৱালীজনীৰ একমাত্ৰ আশ্ৰয়কনো নোহোৱা হ'ল ।

সকলো কাম কাজ হৈ যোৱাৰ পিছত যেতিয়া ভানুমতী নিজৰ গাৱঁলৈ আহিবলৈ ওলাল তেতিয়া গাৱঁৰ তিনিজন বয়োজ্যেষ্ঠ লোকে তেওঁক ক'লে, "চোৱা ভানুমতী, নিজৰ ননদৰ ছোৱালীক নিজৰ লগত গাৱঁলৈ নিনিয়াৰ ভুল নকৰিবা । এই কথা কেতিয়াও নাপাহৰিবা যে তাই তোমাৰ ননদৰ একমাত্ৰ ছোৱালী । তাইৰ পালন-পোষণৰ দায়িত্ব তোমাৰ ওপৰত । তুমি যদি সেয়া নকৰা তেন্তে তোমাক জগতে হাঁহিব ।" যেতিয়া বয়োজ্যেষ্ঠ লোক সকলে খোলাকৈ এই কথা ক'লে তেতিয়া ভানুমতীয়ে তাইক লগত লৈ যাব লগাত পৰিল । কিন্তু মনতে তাই ঠিক কৰিলে যে তাই অৰুণাৰ হতুৱাই ঘৰৰ সকলো কাম কৰাব ।

পিছদিনাই ঘৰৰ কাম অৰুণাৰ হাতত এৰি দিলে । এই কথাত অৰুণাই দুখ নিশ্চয় পালে, কিন্তু বেচেৰীয়ে কৰেই বা কি । তাই নিমাতে ঘৰৰ কাম কৰিবলৈ ধৰিলে ।

ঘৰখনত মানুহ আছিল মুঠ পাঁচজন । ভানুমতীৰ একমাত্ৰ পুত্ৰ সূৰ্যৰ লগতে ভানুমতীৰ

কৃষ্ণৰাও

তাৰৈয়েকৰ পুতেক পদ্মনাভ আৰু তেওঁৰ দুজনী জীয়েক। গাৱঁৰ মানুহে কয় যে পদ্মনাভৰ জীয়েক মালতী সূৰ্যৰ ভাবী পত্নী।

সূৰ্যৰ স্বভাৱ-চৰিত্ৰ ভাল আছিল। বুধিয়ক ল'ৰা আছিল। কিন্তু, ঘৰখনৰ কাম-কাজৰ লগত তাৰ কোনো সম্বন্ধ নাছিল। তাৰ কোনো কথাই নৰজিছিল। সকলো দায়িত্ব পদ্মনাভে নিজৰ কান্ধত পাতি লৈছিল। খেতি কি শস্যৰ কৰিব, ধান কিমান দামত বেচিব, কাক বেচিব ইত্যাদি কথাৰো সিদ্ধান্ত তেৱেঁই লৈছিল। সেয়েহে, খেতিয়ক আৰু ব্যৱসায়ীয়ে তেওঁৰ লগতহে কথা পাতিছিল আৰু তেওঁৰ সিদ্ধান্তই গ্ৰহণযোগ্য বুলি ভাবিছিল।

ঘৰৰ অলংকাৰ-পাতিৰ পৰা কিবা উৎসৱ আদিত কি কি ব্যঞ্জন ৰন্ধা হ'ব সকলো সিদ্ধান্ত পদ্মনাভৰ জ্যেষ্ঠা কন্যা মালতীয়ে কৰিছিল।

"তোৰ মোমায়েৰ মৰা দিন ধৰি মোৰ তাৰৈৰ ল'ৰাই সকলোখিনি চম্ভালি আহিছে। মালতী ন'হলে ঘৰেই নচলে।" ভানুমতীয়ে গৰ্বেৰে সৈতে মাজে-মাজে অৰুণাক শুনাই থাকে।

এদিন সূৰ্যই পদ্মনাভক ক'লে, "এইবাৰ ধানৰ সলনি ৰহৰ, মগু, মাটি মাহ ইত্যাদি লগাম। চহৰৰ পৰা অহা মোৰ এজন বন্ধুৱে কৈছে যে তাত এইবোৰৰ চাহিদা বৰ বেছি।" এই কথা অৰুণায়ো শুনিলে।

পিছমুহূৰ্ত্ততে কঠুৱা সুৰত পদ্মনাভে ক'লে, "এইটো বুৰ্বকামি হ'ব। সকলোৱেই যদি একেবিধ শস্যই লগায় তেনে আমাৰ কিটো লাভ হ'ব? গতিকে ধানেই লগাম।"

"কিন্তু, ওচৰ-পাজৰ খেতিবোৰতো ধানেই গজিছে। বহু ঠাইত ৰহৰ, মগু, আৰু মাটি মাহৰ খেতি ভাল নহয়। কিছুমান মাটি তাৰ বাবে উপযুক্তই নহয়। গতিকে বেছিভাগ খেতিয়কে ধানেই লগাব।" সূৰ্যই ক'লে।

"চা, তই একেবাৰে মূৰ্খৰ দৰে কথা কৈছ। চহৰৰ পৰা সাৰ আনি মানুহে শিলে ভৰা মাটিতো ধান গজায়। কোনো কাৰণতে আমি এইটো মূৰ্খামি কৰিব নোৱাৰো আৰু কেৱল ধানেইহে লগাম," সূৰ্যৰ কথাত আপত্তি কৰি পদ্মনাভে ক'লে।

"নহয়, এইটো হ'বই নোৱাৰে," এইদৰে কৈ কিবা এটা ক'ব খোজোতেই ভানুমতীয়ে তাৰ কথাত বাধা দি ক'লে, "চা সূৰ্য, মোমায়েৰ ডাঙৰ, বুজন, তেওঁৰ কথা শুন। তেওঁৰ কথাত উভতি ধৰিবলৈ নিশিকিবি," তাৰ পিছত পদ্মনাভৰ ফালে চাই ক'লে,



"পদ্ম, সূৰ্য সৰু ল'ৰা, সি একো কথাই ভাবিব নোৱাৰে। তুমি যেনেকৈয়ে ভাল দেখা কৰা। তাৰ কথাত তুমি বেয়া নাপাবা।"

এই কথা শুনি অৰুণাই সূৰ্যৰ ফালে চালে। তাৰ মুখখন মলিন পৰি গৈছিল। একে সময়তে তাই মালতীৰ মুখতো এটা কুটিল হাঁহি দেখা পালে। "বৰ্ত্তমান পৰিস্থিতিত মোৰ ইয়াত কোনো গুৰুত্ব নাই। ঘৰখৰৰ ডাঙৰ ল'ৰা হৈ সূৰ্যৰো ইয়াত কোনো সন্মান নাই। মোৰ অৱস্থাতকৈও সূৰ্যৰ অৱস্থাহে বৰ দুখ লগা।" অৰুণাই নিজৰ মনতে ভাবিলে।

ইয়াৰ এমাহৰ পিছত ৰাস উৎসৱৰ আয়োজন হ'বলৈ ধৰিছিল। গাৱঁৰ বয়োজ্যেষ্ঠ সকলে নিজৰ নিজৰ ফালৰ পৰা প্ৰতি দিনাই কিবা এটা অনুষ্ঠানৰ ব্যৱস্থা কৰিছিল আৰু এই প্ৰথা বহু দিনৰ পৰা চলি আহিছিল।

ভোজন কৰাৰ পিছত যেতিয়া সকলো লোকে আৰামেৰে বহি আছিল তেতিয়া পদ্মনাভে ক'লে, প্ৰতি বছৰেই আমাৰ ফালৰ পৰা যিজনে ভাগৱত পাঠ কৰে শুনিছো তেওঁৰ বোলে গা ভাল নহয়। আন কাৰোবাক মাতিব লাগিব।"

সূৰ্যই বৰ উৎসাহেৰে ক'লে, "মোমাই-দেউ, ভালেই হ'ল। আন কাৰোবাক মতাৰ দৰকাৰ নাই। এইবাৰ ভাগৱত পাঠ নহয়। গাৱঁৰ ধনী খেতিয়ক ৰামে তো ভাগৱত পাঠ অনুষ্ঠানৰ আয়োজন কৰিবই। নটৰাজ নাটক সমিতিৰ মানুহখিনিৰ লগত মোৰ পৰিচয় আছে। তেওঁলোকৰ লগত কথা পাতি মহিষাসুৰ বধ নাটকৰ আয়োজন কৰিম। গাৱঁৰ মানুহেও এটা নতুন অনুষ্ঠান চাবলৈ পাব আৰু আমিও মানুহৰ পৰা ভাল নাম পাম।"

পদ্মনাভে ততালিকে ক'লে, "কেতিয়া যে তই বুধি খটুৱাই কাম কৰিব পাৰিবি। খৰচৰ কথা মনত ৰাখিবি। যদি কোনোবাই আমাক সোধে যে ৰাস উৎসৱত আকৌ এই নাটক কেনেকৈ হ'ব, তেতিয়া আমি তেওঁলোকক কি উত্তৰ দিম? আমাৰ সন্মান মাটিৰ লগত মিলি যাব।"

প্ৰতিটো সৰু কথাতে পদ্মনাভে নিজক বৰমতা দেখুৱাইছিল আৰু সূৰ্যক হেয় কৰিছিল। এই কথা অৰুণাই একেবাৰে ভাল নাপাইছিল।

কিন্তু এই ঘটনা ঘটাৰ ঠিক সাতদিনৰ দিনা নটৰাজ নাটক সমিতিৰ পৰা এজন মানুহ আহিল আৰু গাওঁবুঢ়াক লগ কৰিলে। তেওঁ গাওঁবুঢ়াক ক'লে যে তেওঁলোকে তাত বিনা মূলীয়াকৈ মহিষাসুৰ বধ নাটকখন প্ৰদৰ্শন কৰিবলৈ সিদ্ধান্ত লৈছে। মানুহজনে তাৰ

বাবে গাওঁবুঢ়াৰ পৰা অনুমতি বিচাৰিলে । গাওঁবুঢ়াই এই প্ৰস্তাৱত বৰ সুখী হ'ল আৰু অনুমতি দিলে । কাৰণ তেওঁও ভাবিলে যে এই নতুন মনোৰঞ্জনে সকলোকে আনন্দ দিব।

সূৰ্যৰ এই কথাত ভাল লাগিল যে তাৰ ইচ্ছা পূৰ হ'ব, যদিও তাৰ এই ইচ্ছা মামাক পদ্মনাথে উৰাই দিছিল। পূৰ্ণিমাৰ ৰাতি নাটক প্ৰদৰ্শিত হ'ল আৰু সকলো গাওঁবাসীয়েই নাটক চাই বৰ ভাল পালে ।

প্ৰদৰ্শনৰ পিছত নাটক সমিতিৰ অধ্যক্ষই মঞ্চৰ ওপৰত থিয় হৈ ক'বলৈ ধৰিলে, "আপোনালোক সকলোৱে এই নাটক চাই ভাল পালে, তাৰ বাবে আমাৰ ধন্যবাদ থাকিল। কিন্তু মই আপোনালোকক এটা কথা ক'ব খোজোঁ । কোনো পাৰিশ্ৰমিক নোলোৱাকৈ নাটক প্ৰদৰ্শন কৰাৰ যি সিদ্ধান্ত আমি ল'লো সেয়া সঁচা নহয় । তাৰ বাবে দেৱীৰ লগতে আপোনালোকেও আমাক ক্ষমা কৰিব লাগিব । চাৰি দিনৰ আগতে এজন যুৱকে আমাক লগ পাবলৈ আহিছিল। নাটক প্ৰদৰ্শনৰ বাবে যি পাৰিশ্ৰমিক আমি বিচাৰিছিলোঁ সেয়া তেওঁ আমাক দি দিলে । আমি নাজানো ইয়াৰ অন্তৰালত থকা কাৰণ কি । সেই যুৱকজনে কোনো কাৰণতে আমি তেওঁৰ নামটো কাকো কোৱাটো নিবিচাৰিছিল । তথাপিও, আপোনালোকে যি প্ৰশংসা দিলে, যি আদৰ দিলে সেয়াই আমাৰ বাবে বহুত । সেয়েহে সেই যুৱকৰ নাম নোকোৱাকৈ থাকিব মই নোৱাৰোঁ সেই যুৱক জনৰ নাম সূৰ্য ।" নাটক সমিতিৰ অধ্যক্ষৰ এই বক্তব্য শুনি সূৰ্য চকিত হৈ পৰিল।

ঘৰলৈ ঘূৰি আহি সি ভাবিবলৈ ধৰিলে যে ইয়াৰ আঁৰত কাৰ হাত থাকিব পাৰে । তেতিয়া গাওঁবাসীয়ে তাক আগুৰি লৈ

ক'বলৈ ধৰিলে, "সূৰ্য, আমি কেতিয়াও ভবাই নাছিলো যে তুমি এনে কৰিব পাৰিবা। তুমি দেখাতহে তেনেই নিবোকাটো। আমি ইমানদিনে ভাবিছিলো যে মোমায়েকৰ লগত থাকি ডাঙৰ হোৱা তুমি তেনেই সৰু ল'ৰাৰ দৰেই হৈ আছা। কিন্তু এতিয়াহে গম পালো যে তুমি কিমান বহল মনৰ ল'ৰা।"

পিছদিনা অৰুণাই সূৰ্যক অকলে লগ কৰি ক'লে, "যি হৈ গ'ল তাত তুমি নিশ্চয় অতি আচৰিত হৈছা নহয়নে? এই ঘটনাৰ আঁৰত ময়েই আছো। তাৰ বাবে মোক মাফ কৰা। আমাৰ গাওঁবুঢ়া আমাৰ ওচৰ সম্বন্ধীয় লোক। মৃত্যুৰ আগেয়ে মোৰ মায়ে অলপ পইচা তেখেতৰ হাতত দি থৈ গৈছিল। ময়েই আমাৰ নাৰায়ণক তেওঁৰ ওচৰলৈ পঠিয়াই সবিস্তাৰে সকলো কথা জনালো। তেতিয়া গাওঁবুঢ়াই নাৰায়ণক ক'লে, "এই কামৰ কাৰণে মই নিজে নিজৰ পইচা খৰচ কৰিম। অৰুণা জানো মোৰেই ছোৱালী নহয়!" তাৰ পিছত তেখেতে তাৰ পূৰা ব্যৱস্থা কৰিলে। সূৰ্য নামেৰে যিজন যুৱকে নাট্যদলক লগ কৰিবলৈ গৈছিল সেয়া তেওঁৰেই পুতেক। মই ভাবিছিলো যে তোমাৰ মামা পদ্মনাভৰ মুখামুখি হোৱাৰ সাহস তোমাৰ নাই, সেয়ে মই এই কাম কৰিলো।

এয়াই সময়, ভাল-বেয়া নিজেই চাবা আৰু তেওঁক নিজৰ বশলৈ আনিবা। সেই স্বাৰ্থপৰৰ জালৰ পৰা বাহিৰলৈ ওলোৱাৰ কথা ভাৱা।"

সূৰ্যই মিচিকিয়াই হাঁহি ক'লে, "অৰুণা, এই বাস উৎসৱত যি যি কৰা হ'ল, সেয়াও এক অন্য ধৰণৰ মহিষাসুৰ বধ। এই মুহূৰ্ত্তৰে পৰা যি সিদ্ধান্তই লোৱা হ'ব সেয়া মোৰ সিদ্ধান্ত হ'ব। লগতে মই আৰু এটা ডাঙৰ সিদ্ধান্ত ল'লো।"

"ডাঙৰ সিদ্ধান্ত? সেইটোবা কি?" অৰুণাই সুধিলে।

সূৰ্যই ক'লে? "মা আৰু মোমাইদেউৰ তোমাৰ প্ৰতি থকা ধাৰণা ভুল নে শুদ্ধ সেই কথা মই কেতিয়াও ভাবি চোৱা নাছিলো। আৰু পেহীৰ ছোৱালীয়েনো কি ভাল কথা ক'ব পাৰিব এইবুলি ভাবি মইয়ো ইমানদিনে তোমাক অৱজ্ঞাৰ চকুৰে চাইছিলো। আজিৰেপৰা মই নিজে উচিত বুলি ভবা কামটোহে কৰিম আৰু প্ৰয়োজন হ'লে তোমাৰ পৰামৰ্শ ল'ম।" সূৰ্যৰ এই উত্তৰ শুনি অৰুণায়ো বৰ ভাল পালে।





বীৰ কালীনাথ

4

(জলপ্ৰপাতৰ ওচৰৰ পৰা ওলাই অহা ভালুক-তান্ত্ৰিকে কালীনাথৰ সাহসৰ প্ৰশংসা কৰিলে। সেই সময়তে তাত আহি ওলালহি ৰজা দেৱজিতৰ মন্ত্ৰী । তান্ত্ৰিকে তেওঁক ভয় খুৱালে আৰু ঘাতকৰ ম'হৰ পিঠিত উঠাই আটাইকে ৰাজধানীৰ ফালে যাবলৈ নিৰ্দেশ দিলে । কালীনাথে তান্ত্ৰিকৰ ওপৰত খং উঠাত নিজৰ তৰোৱাল উলিয়াই ল'লে । ইয়াৰ পাছত...)

কালীনাথৰ কথা শুনি ভালুক তান্ত্ৰিক ক্ষন্তেকৰ বাবে স্তব্ধ হৈ গ'ল । ইফালে মন্ত্ৰী জীৱগুপ্তৰ বাহিৰে আন আটাইবোৰ লোক ভয়তে কঁপি আছিল । জীৱগুপ্তই নিজৰ ম'হটোক হেঁচুকি কালীনাথৰ ওচৰলৈ যাব খুজিলে । তাকে দেখি ভালুক তান্ত্ৰিকে তেওঁক বাধা দি ক'লে, "হেৰা মন্ত্ৰী মহোদয়! এতিয়া কোৱাচোন তুমি কি ভাবিছা ? কালীনাথক মোৰ বিৰুদ্ধে উচটাব খুজিছা নেকি ?"

এই প্ৰশ্ন শুনি জীৱগুপ্তই বৰ ভয় খালে । পুনৰ নিজকে চম্ভালি শান্ত সুৰত ক'লে, "মহাশয় ! আপুনি মোক ভুল বুজিছে । মই এই যুৱকক বুজাব খুজিছিলো যে নিজৰ হিতৰ কাৰণেই আপোনাৰ দৰে মহাতান্ত্ৰিকৰ আদেশ পালন কৰা উচিত ।"

তাকে শুনি মিচিকিয়া হাঁহি মাৰি ভালুক তান্ত্ৰিকে ক'লে, "তুমি যিজন যুৱকৰ কথা কৈছা, তেওঁ এতিয়া তোমালোক আটাইকে আদেশ দিবলৈ ওলাইছে । সাৱধানে থাকিবা।" আৰু নিজৰ তৰোৱাল খামুচি তেওঁৰ ফাললৈ ক্ৰুদ্ধ দৃষ্টিৰে চাই থকা কালীনাথক ক'লে, "কালীনাথ ! খৰখেদা

নকৰিবা । তোমাৰ জীৱন সম্পৰ্কে ভাল অনুভৱ নাই যেন পাইছো । তুমি এই কথা এবাৰ ভাবি চাইছানে যে আমি দুয়ো নিজৰ নিজৰ ৰাস্তাত গ'লে কি হ'ব লগীয়া আছে!"

"এই বিষয়ে ভবাৰ কোনো প্ৰয়োজন মই বোধ কৰা নাই ! তুমি জলপ্ৰপাতৰ পিছফালে থকা গুহাৰ ভিতৰলৈ গুচি যোৱাগৈ আৰু মই মোৰ গাঁৱলৈ ঘূৰি গৈ খেতি-বাতিত ধৰি আৰামেৰে নিজৰ জীৱন কটাম বুলি ভাবিছো।"

"হয়নে ? তুমি দেখিছো যিমান সাহসী সিমান সৰলো !"

এই কথাকেইটা কৈ ভালুক তান্ত্ৰিকে জীৱগুপ্তক ক'লে, "হেৰা মন্ত্ৰী ডাঙৰীয়া, খোলাখুলিকৈ মোক কোৱাচোন, কালীনাথক বন্দী কৰিবলৈ কিমানজন সৈনিক পঠিয়াবলৈ ৰজাক ক'ম বুলি ভাবিছা? মই আৰু তোমাৰ অন্তৰৰ কথা বুজা নাইনে? তুমি যদি মিছা মাতা, তেন্তে এই গছজোপা ভস্ম কৰাৰ দৰে তোমাকো ভস্ম কৰিম ।" এই বুলি কৈ ভালুক তান্ত্ৰিকে তেওঁৰ মন্ত্ৰদণ্ড ওপৰলৈ উঠালে ।

জীৱগুপ্তই ভয়তে কঁপি কঁপি ক'লে, "আপুনি মোৰ চিন্তাৰ কথা গম পালেই । মই ৰজা দেৱজিতৰ নিমখ খাইছো, গতিকে তেওঁৰ হিত কামনা কৰিয়েই কালীনাথক বধ কৰিব লাগে বুলি পৰামৰ্শ দিয়াটো জানো উচিত কথা নহ'ব ! এজন মন্ত্ৰী হিচাপে এইটো মোৰ কৰ্ত্তব্যৰ ভিতৰতো পৰে ।"

তেতিয়া ভালুক তান্ত্ৰিকে জোৰেৰে মন্ত্ৰদণ্ডডাল মাটিত মাৰি ক'লে, "কালীনাথ, শুনিলা নহয় ? এতিয়া চন্দ্ৰপুৰ ৰাজ্যত তোমাৰ মুঠেই সুৰক্ষা নাই ।"

এতিয়াহে কালীনাথে তেওঁৰ আসন্ন বিপদৰ কথা বুজিলে "বিপুল সেনাবাহিনী ৰখা ৰজা দেৱজিতৰ অকলে বা এমুঠিমান সহযোগী লৈ মুখামুখি হোৱাটো অসম্ভৱ কথা। এতিয়া মোৰ সমুখত দুটাই ৰাস্তা আছে-ৰজা দেৱজিতৰ সিংহাসন অধিকাৰ কৰা বা এইটো সম্ভৱ নহ'লে এই দেশ এৰি পলাই যোৱা...।"

এই কথা মনতে ভাবি উঠি কালীনাথে নিজৰ তৰোৱাল খাপত ভৰাই থৈ ভালুক তান্ত্ৰিকক ক'লে, "গুৰু, আপুনি ঠিকেই কৈছে ! মোৰ হিত ক'ত সেই কথা দেখিছো মোতকৈ আপুনি আৰু মোক তুলি তালি ডাঙৰ-দীঘল কৰা আমাৰ ঘৰৰ ভৃত্য বলভদ্ৰইহে বেছি ভালকৈ জানে । এতিয়া মোৰ বাবে কি আদেশ আছে কওক ।"

ভালুক তান্ত্ৰিকে মন্ত্ৰদণ্ড কালীনাথৰ কান্ধত ৰাখি লৈ ক'লে, "কালীনাথ ! মোক গুৰু বুলি সম্বোধন কৰাৰ প্ৰেৰণা তোমাক

নিশ্চয় তোমাৰ ভাগ্যদেৱীয়ে দিছে । তোমাৰ মংগল হওক । মই তোমাক আদেশ নহয়, পৰামৰ্শহে দিম । এই মুহূৰ্ত্তত আমি সকলো ৰাজধানীলৈ যাবলৈ ওলাইছো । আমি চাব লাগিব ৰজা দেৱজিতৰনো অহংকাৰ কিমান?"

তেওঁ আকৌ মন্ত্ৰীক ক'লে, "হেৰা মন্ত্ৰী ডাঙৰীয়া, মই এতিয়া ম'হৰ পিঠিতহে উঠি লম বুলি ভাবিছো । তুমি ম'হটোৰ নাকত লাগি থকা ৰচীডাল ধৰি ধৰি মোক বাট দেখুৱাই লৈ ক'লা ।"

বাক্যব্যয় নকৰি মন্ত্ৰী ম'হৰ পিঠিৰপৰা নামিল আৰু ম'হটোৰ ৰচীডাল ধৰি ল'লে ।

ভালুক তান্ত্ৰিকে নিজৰ মন্ত্ৰদণ্ড ম'হৰ মূৰত লগাই ক'লে, "হেৰা মোৰ কিংকৰ ! ক্ষুদ্ৰ মানৱৰ ওচৰত থাকি তুমি তোমাৰ সহজাত অপূৰ্ব শক্তিৰ কথা পাহৰি যাবলৈ ওলাইছা কিয়? জাগা তুমি জাগা ! ভূমিৰ পৰা দুগজ ওপৰেদি শূণ্যতে উৰি তুমি মোক ৰাজধানী অভিমুখে লৈ ব'লা ।"

পিছ মুহূৰ্ত্ততে ম'হটোৱে নাসাবন্ধ্ৰইদি ধুমুহাৰ দৰে নিশাহ এৰি মূৰ দাঙি এটা ভয়ংকৰ গৰ্জন কৰিলে আৰু শূণ্যতে উৰি তীব্ৰ গতিৰে আগবাঢ়িবলৈ ধৰিলে । ইফালে ৰচীডাল হাতৰপৰা এৰ খাই যোৱা কথাটো টলকিবই নোৱৰা মন্ত্ৰী জীৱগুপ্তই চকু কাণ মুদি পিছে পিছে দৌৰিবলৈ আৰম্ভ কৰিলে ।

কিছু দূৰ যোৱাৰ পাছত ভালুক তান্ত্ৰিকে ম'হটো মাটিলৈ নমাই আনিলে । মন্ত্ৰীয়ে ম'হটোৰ নাকৰ ৰচীডাল আকৌ হাতত তুলি লোৱাৰ লগে লগে পিছে পিছে আহি থকা মানুহখিনিক উদ্দেশি ভালুক তান্ত্ৰিকে ক'লে,

"দেখিলানে তোমালোকে? মহামন্ত্ৰীৰ কেনে দুৰ্গতি হ'ল ? মই ৰজা দেৱজিতকো একে ধৰণৰ শাস্তিকে দিবলৈ ওলাইছো ।"

এই দৃশ্য চাই থকা কালীনাথে ভালুক তান্ত্ৰিকৰ ওচৰলৈ গৈ ক'লে, "মই আপোনাক মোৰ গুৰু মানিছো । কিন্তু সেই বুলিয়েই মোৰ ইচ্ছাৰ বিৰুদ্ধে আপুনি দিয়া কোনো আদেশকে মই মানি নল'ম । আপুনি বাৰু সঁচাকৈয়ে দুৰাচাৰ দেৱজিতক দণ্ড দিবলৈকে গৈ আছেনে বাৰু ?"

"গুৰু শিষ্য সম্পৰ্ক স্থাপন হোৱাৰ পাছত গুৰুৱে ঠিক এনেকুৱাই আদেশ দিব যিটোত শিষ্যৰ হিত হয় । বাৰু, এতিয়া মোক কোৱাচোন তুমি ৰজা দেৱজিতৰ সিংহাসন অধিকাৰ কৰিব খোজা নেকি ?" কালীনাথৰ চেহেৰা বিশ্লেষণ কৰি ভালুক তান্ত্ৰিকে সুধিলে।

"মোৰ এনেকুৱা কোনো প্ৰলোভন নাই। মই মাত্ৰ এইটোকে বিচাৰো যে ৰজাই যেন



নিৰ্দোষী লোকক শিৰচ্ছেদ কৰাৰ শাস্তি দিয়াটো বন্ধ কৰে ।"

"মই চেষ্টা কৰি চাঁওচোন ৰ'বা ; পিছে জন্মসূত্ৰে যি সিংহাসনৰ অধিকাৰ পায় তেওঁৰ খুব সহজে মানসিক পৰিৱৰ্তন নহয় । কিহে মন্ত্ৰী ? মই বাৰু ঠিকেই কৈছোনে ?" ভালুক তান্ত্ৰিকে সুধিলে ।

"মহাতান্ত্ৰিক ! আপুনি একেবাৰে সঁচা কথা কৈছে !" তান্ত্ৰিকৰ কথা সমৰ্থন কৰি জীৱগুপ্তই ক'লে ।

ইয়াৰ পাছত সকলো একেলগে ৰাজধানী অভিমুখে আৰু কিছুদূৰ যাত্ৰা কৰিলে । হঠাতে দুজন তীব্ৰগতিৰে অহা অশ্বাৰোহী তেওঁলোকৰ সমুখত ওলালহি আৰু বাধা দি ক'লে, "বেচমী বস্ত্ৰ আৰু সুবৰ্ণ কুণ্ডল ধাৰণ কৰা সন্ন্যাসী এজনক ম'হৰ পিঠিত উঠাই তোমালোকে কেনেকৈ যাব পাৰিছা ? ক'লা কাপোৰেৰে পিশাচ যেন লগা মানুহটো আকৌ উঠি আহিছে পঞ্চ কল্যানীৰ দৰে লগা এটা ঘোঁৰাত ? তোমালোক কোন হে কোৱাচোন?"

কালীনাথে উত্তৰ দিব খোজোতেই ভালুক তান্ত্ৰিকে অট্টহাস্য কৰি ক'লে, "তোমালোক ৰজা দেৱজিতৰ সৈনিক নোহোৱা হ'ব পায়, সেয়েহে আমাক চিনি পোৱা নাই । আমি এই কথা নিজেই পাহৰি পেলাইছো যে আমিনো দৰাচলতে কোন? আৰু সেই কথা জানিবলৈকে আমি দূৰণিৰ সেই ৰাজধানী নগৰ অভিমুখে গৈ আছো ।"

"পৰিহাসপূৰ্ণ তোমাৰ কথাবোৰ বন্ধ কৰা হে । আমি উদয়গিৰিৰ ৰজা দুৰ্মুখৰ সৈনিক । আমি এইমাত্ৰ অশোক বনৰপৰা ঘূৰি আহিছো। তাততো কালীনাথ আমাৰ চকুত নপৰিল । তেওঁৰ মৃতদেহো পোৱা নগ'ল । ৰজা দেৱজিতে তেওঁৰ প্ৰতিশ্ৰুতি ভংগ কৰিছে। সেয়েহে আমাৰ ৰজাই সৈন্য সামন্ত লৈ তেওঁৰ ওপৰত আক্ৰমণ চলোৱাৰ কথা ভাবিছে ।" ৰজা দুৰ্মুখৰ এজন সৈনিকে ক'লে।

"পিছে এইবোৰ কথা আমাক কৈ কি লাভ হ'ব ? তোমালোক নিজৰ ৰাস্তাৰে আগবঢ়াহে উচিত হ'ব ।" ভালুক তান্ত্ৰিকে খঙেৰে ক'লে। তেনেতে ৰজা দুৰ্মুখৰ সৈনিকৰ এজনে ঘাতকৰ ফালে বিস্ময়ৰ দৃষ্টি নিক্ষেপ কৰি গিৰ্জনি মাৰি হাঁহিলে আৰু ঠাট্টাৰ সুৰত ক'লে, "হেৰা ভাই ! তোমাকতো মই একেবাৰে চিনি পোৱা নাই। তুমিয়েই অশোক বনত থকা ঘাতক নোহোৱা জানো ?"

দাঁত-মুখ কামুৰি ঘাতকে খঙেৰে ক'লে, "হেৰা অহংকাৰী ! মই কোন জানিও এনেদৰে ঠাট্টা মস্কৰা কৰাৰ সাহস তুমি পালা ক'ত ? পিছফালে ঘোঁৰাটোৰ ওপৰত থকা

মৃতদেহটো দেখা নাই জানো ? তেওঁৰ মূৰটো কেনেকৈ ওলোটাফালে মুখ কৰি আছে দেখা নাইনে ? তোমাৰো এই একে দশাই হ'ব চাবা, বুজিলানে ?"

এই উত্তৰ শুনি কালীনাথ উৎসাহিত হ'ল। ঘাতকৰ ওচৰলৈ নিজৰ ঘোঁৰাটো আগবঢ়াই নি নিজৰ তৰোৱালেৰে ঘাতকৰ কান্ধত থপৰিয়াই কালীনাথে ক'লে, "ঘাতক ? তুমি দেখিছো ইটাৰ উত্তৰ শিলেৰে দিছা । তুমি বিচাৰিলে এতিয়াও দেখোন দুৰ্মুখৰ এই দুজন সৈনিকক সিপুৰী পোৱাবগৈ পাৰা ।"

"এইবোৰ সকলো ভালুক তান্ত্ৰিকৰ দয়া। তেওঁ আদেশ দিলে এই কাম কৰিবলৈ মোৰ খুবেই ইচ্ছা আছে । তাতে যোৱা এক দুই সপ্তাহ মোৰ কুঠাৰে তেজৰো সোৱাদ পোৱা নাই ।" ঘাতকে উত্তৰ দিলে ।

তেনেতে দুৰ্মুখৰ দুজন সৈনিকৰ এজনে নিজৰ ঘোঁৰাটো হেচুকি ডাঙৰকৈ ক'লে, "ইহঁত কোনো নৰভক্ষী যেন লাগিছে । মানুহ মাৰি তেওঁৰ শৱদেহ ওলোটাকৈ ঘোঁৰাত বান্ধি এঁওলোক নগৰ অভিমুখে গৈ আছে ।"

ভালুক তান্ত্ৰিকে চিৎকাৰ কৰি অশ্বাৰোহী দুজনৰ ফালে চালে আৰু কালীনাথক ক'লে, "কালীনাথ ! আমি এই কাপুৰুষহঁতৰ আচহুৱা কথাবোৰ আৰু কিমান সময়লৈ সহ্য কৰি থাকিম ?"

ঠিক পিছ মুহূৰ্ত্ততে নিজৰ তৰোৱাল খামুচি কালীনাথে ক'লে, "হেৰা দুৰ্মুখৰ সেৱকহঁত। তোমালোক নিশব্দে নিজৰ ৰাস্তাত যাবা নে নিজৰ শিৰচ্ছেদ কৰাব খুজিছা ?"

এই কথা শুনি জীৱগুপ্তৰ লগত অহা দুজন অশ্বাৰোহীয়ে তৰোৱাল খাপৰপৰা উলিয়াই

দুৰ্মুখৰ দুই সৈনিকৰ ফালে ঘোঁৰা আগবঢ়াই দি ক'লে, "মহাশয়, এই কাম আমাৰ ওপৰতে সপি দিয়ক । এই দুই অহংকাৰীৰ উচ্চ-বাচ্য আৰু কিমান সহি থাকিম ?" এইবুলি কৈ দুয়ো দুৰ্মুখৰ দুজন সৈনিকৰ ওপৰত জপিয়াই পৰিল।

দুৰ্মুখৰ দুজন সৈনিকেও তৰোৱাল উলিয়াই আত্মৰক্ষাৰ চেষ্টা কৰিলে আৰু পলাবলৈ লৈ ক'লে, "আমাৰ ৰজা দুৰ্মুখে ওচৰতে থকা এখন আমৰ বাগিচাত শিবিৰ পাতি আছেহি। তাতে তোমালোক আটাইকে ফাঁচী কাঠত ওলমোৱা হ'ব ।"

লগে লগে জীৱগুপ্তৰ লগত অহা দুজন অশ্বাৰোহীয়ে দুৰ্মুখৰ দুজন সৈনিকক দূৰলৈকে খেদি থৈ আহিলগৈ ।

তেনেতে জীৱগুপ্তৰ এজন সেৱকে চিঞৰি উঠিল, "মহামন্ত্ৰী ডাঙৰীয়া ! এইবাৰ শত্ৰুৰ দহজন অশ্বাৰোহী আমাৰ ওপৰত

আক্ৰমণ চলাবলৈ আহি আছে ।”

সঁচাকৈয়ে সেই সময়তে দহজন অশ্বাৰোহী সেই ঠাইত উপস্থিত হ'লহি । কিন্তু তেওঁলোকে খাপৰপৰা তৰোৱাল উলিয়াই নল'লে আৰু কিছু দূৰত আহি ৰৈ গ'ল । তাৰে এজনে এখন দীঘলীয়া চিঠি উলিয়াই পঢ়িবলৈ আৰম্ভ কৰিলে : “ৰজাই এইবুলি আদেশ দিছে যে ইয়াত যিমান মানুহ আছে, তেওঁলোকে তৎক্ষণাৎ ওচৰৰ আমৰ বাগিচাত শিবিৰ পাতি থকাহি ৰজা দুৰ্মুখক দেখা কৰে যেন ।”

এই আদেশ শুনি সকলো বিস্ময়ত অভিভূত হ'ল । ভালুক তান্ত্ৰিকে মন্ত্ৰী জীৱগুপ্তক তেওঁৰ ম'হটো দুৰ্মুখৰ অশ্বোৰোহীহঁতৰ ফালে আগুৱাই নিবলৈ আদেশ দি দুৰ্মুখৰ সৈনিকহঁতক ক'লে, “দুৰ্মুখৰ দৰে মহাৰাজৰ আদেশ আমি কেনেকৈ অমান্য কৰো ? তোমালোক সকলো আমৰ বাগিচাৰ ফালে আগবাঢ়া ।”

আচৰিত হৈ কালীনাথে সুধিলে, “গুৰুদেৱ! আপুনি এইয়া কি কৰিবলৈ ওলাইছে ?”

“কালীনাথ, শান্ত হৈ থাকা । কি হয় তুমি নিজেই দেখিবা নহয় ।” তান্ত্ৰিকে ক'লে ।

ইয়াৰ পাছত দুৰ্মুখৰ অশ্বাৰোহী সৈনিকহঁতে আটাইকে আমৰ বাগিচাৰ ফালে লৈ গ'ল । এক ওখ আসনত ৰজা দুৰ্মুখ বহি আছিল । তেওঁৰ আসনৰ দুয়োফালে আছিল খৰ্গধাৰী সৈনিক আৰু অলপ দূৰত আছিল মন্ত্ৰী আৰু প্ৰধান উপদেষ্টা । ভালুক তান্ত্ৰিক আৰু তেওঁৰ লগৰ মানুহখিনিক দেখি ৰজা দুৰ্মুখে চকু ৰঙা কৰি ক'লে, “হেৰা দুৰাচাৰহঁত ! তোমালোকৰ বিষয়ে আটাইবোৰ কথা মই জানো । ঘাতকৰ লগতে তোমালোক আটাইৰে মই শিৰচ্ছেদ কৰিম। সবাতোকৈ শেষত কালীনাথৰ শিৰচ্ছেদ কৰা হ'ব ।”

দুৰ্মুখৰ মুখত এই কথা শুনি ভালুক তান্ত্ৰিকে চিঞৰি উঠিল, “হে আদি ভালুক !” চিঞৰ মাৰিয়েই তেওঁ ম'হৰ পিঠিৰপৰা নামিল আৰু থৰথৰকৈ কপিবলৈ ধৰা ঘাতকৰ ওচৰলৈ গৈ ক'লে, “হেৰা ঘাতক ! এই মুহূৰ্ত্ততে এই কথাৰ শেষ সিদ্ধান্ত হ'ব যে তোমাৰ মূৰ দুৰ্মুখে কাটিব নে তুমি দুমুখৰ শিৰচ্ছেদ কৰিবা ?” এইবুলি কৈ মন্ত্ৰদণ্ডৰ শীৰ্ষত থকা ভালুকৰ মূৰ্তিৰে তান্ত্ৰিকে ঘাতকৰ পিঠিত স্পৰ্শ কৰিলে।

পিছ মুহূৰ্ত্ততে ঘাতকে ক'লা ভালুকৰ ৰূপ ধাৰণ কৰি কুঠাৰ ধাৰণ কৰি ঘোঁৰাৰপৰা জপিয়াই নামিল আৰু ভয়ংকৰ শব্দ কৰি দুৰ্মুখক খেদি গ'ল ।

(ক্ৰমশঃ)

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

পাষাণ মূৰ্ত্তিত প্ৰাণ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল । গছৰপৰা মৰাশটো নমাই নিজৰ কান্ধত তুলি লৈ তেওঁ আকৌ শ্মশানৰ ফালে অগ্ৰসৰ হ'ল । তেনেতে শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তুমি পাহৰি গৈছা নেকি যে তুমি এজন মহান সম্ৰাট । তোমাৰ কিমান দায়িত্ব আছে, যিবোৰ পালন কৰাটো তোমাৰ কৰ্ত্তব্য । জনতাই তোমাৰ পৰা কিমান বেছি আশা কৰে ! নিজৰ কৰ্ত্তব্যৰ কথা পাহৰি অনাহকতে তুমি শ্মশানত এই বিপদ-বিঘিনি মূৰ পাতি লৈছা কিয় ? তোমাৰ এনেকৈ মতিভ্ৰম হোৱা কথাটোত মই আচৰিত হৈছো । নিশ্চয় তোমাৰ এটা ডাঙৰ লক্ষ্য আছে যিটো পূৰণৰ বাবে তুমি



পাহাৰটো আৰু পাহাৰৰ নামনিয়েদি বৈ যোৱা সুবৰ্ণ নদীৰ সৌন্দৰ্যই তেওঁক মন্ত্ৰমুগ্ধ কৰিছিল।

দুপৰীয়ালৈকে চিকাৰৰ সন্ধানত ঘূৰি ফুৰি ক্লান্ত ৰজা এজোপা বৃক্ষৰ তলত জিৰণি ল'বলৈ বহিল আৰু লাহে লাহে তেওঁ নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিল । নিদ্ৰাৱস্থাতেই তেওঁ কুলদেৱতা চেত্ৰকেশ্বৰস্বামীক সপোনত দেখিলে। দেৱতাই ৰজাক সপোনতে ক'লে, "পাহাৰৰ ওপৰত মোৰ এটা মন্দিৰ আছিল । সময়ৰ গৰ্ভত এতিয়া মন্দিৰটো বিলীন হৈ গৈছে। পাহাৰৰ পশ্চিম দিশত এজোপা বৃক্ষ আছে । সেইজোপা খান্দিলেই তাত এটা মূৰ্ত্তি ওলাব । তাতেই তুমি এটা মন্দিৰ নিৰ্মাণ কৰা আৰু সেই মন্দিৰত এই মূৰ্ত্তিটো প্ৰতিষ্ঠা কৰা । এনে কৰিলে তোমাৰ লগতে তোমাৰ ৰাজ্যৰো মংগল হ'ব । এই মন্দিৰ নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰা নগৰৰ সমীপত থকা গাঁওখনত বাস কৰা ময়ুৰ নামৰ শিল্পীজনৰ হাতত টোপনিৰ পৰা সাৰ পাই উঠিয়েই বীৰবৰ্ধনৰ সপোনৰ কথা মনত পৰিল । তেওঁ বৰ আনন্দিত হ'ল । ৰাজধানীলৈ উভতি আহি তেওঁ শিল্পী ময়ুৰলৈ খবৰ পঠিয়ালে । তেওঁ পাহাৰৰ ওপৰত মন্দিৰ নিৰ্মাণৰ কথা ময়ুৰক ক'লে আৰু এইটোও ক'লে যে মন্দিৰ নিৰ্মাণৰ কাম শেষ হৈ উঠাৰ পাছত এজোপা বৃক্ষৰ তলত থকা মূৰ্ত্তিটো তাত প্ৰতিষ্ঠা কৰিব লাগিব ।

ৰজাৰ আদেশ শিৰোধাৰ্য কৰি ময়ুৰ সেই ঠাইলৈ গ'ল আৰু মন্দিৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিলে । ৰজাই কোৱা মতে বৃক্ষজোপাৰ তলত মূৰ্ত্তিটোও বিচাৰি পোৱা গ'ল । মন্দিৰ নিৰ্মাণৰ বাবে যি ব্যয় হ'ব বুলি অনুমান কৰা হৈছিল, মূৰকত তাতোকৈ বহুত বেছি ধন ব্যয় হ'ল । খৰচ ইমান বাঢ়িল যে ৰাজকোষ প্ৰায়

এনেদৰে দুখ-যাতনা সহি গৈছা । পিছে এটা কথাতহে মই ভয় খাইছো যে সফলতা লাভ কৰাৰ পাছতো তুমি এই সফলতা হাতৰপৰা ওলাই যাবলৈ নিদিয়াতো! বহুদিন আগেয়ে মধুৰ নামৰ এজন শিল্পীয়ে এই একেটা ভুলকে কৰিছিল । তেওঁৰ কাহিনী তুমি মোৰ পৰা শুনি লৈ সাৱধান হোৱা ।" এইবুলি কৈ বেতালে কাহিনীটো আৰম্ভ কৰিলে ।

বহুত দিনৰ আগৰ কথা । কনকগিৰি দেশৰ সম্ৰাটৰ অধীনত ভালেকেইখন সামন্ত ৰাজ্য আছিল । এনেকুৱা এখন সামন্ত ৰাজ্য আছিল শোনপুৰী । সেই ৰাজ্যৰ ৰজাৰ নাম আছিল বীৰবৰ্ধন । তেওঁ আছিল চেত্ৰকেশ্বৰস্বামীৰ পৰম ভক্ত ।

এবাৰ তেওঁ চিকাৰ কৰিবলৈ বুলি তেওঁৰ ৰাজ্যৰ সীমাত থকা এখন অৰণ্যলৈ গৈছিল । তাৰ প্ৰাকৃতিক সৌন্দৰ্যত তেওঁ মোহিত হৈছিল। শ্যামল পৰিবেশৰ মাজতে থকা সুউচ্চ

উদং হ'ল । ৰজাই সম্ৰাটৰ কৰ পৰিশোধ কৰিব নোৱৰা অৱস্থা হ'ল ।

বৃদ্ধ সম্ৰাটৰ আকস্মিক মৃত্যুৰ পাছত তেওঁৰ পুতেক ধীৰসেন সম্ৰাট হ'ল । ধন-সোণৰ প্ৰতি তেওঁৰ প্ৰচণ্ড লোভ আছিল । সামন্ত ৰজাসকলৰপৰা তেওঁ যিমান পাৰি বেছিকৈ কৰা- কাটল আদায় কৰিছিল । তেওঁ ৰজা বীৰবৰ্ধনক তুৰন্তে কৰ আদায় দিবলৈ নিৰ্দেশ দিলে । বীৰবৰ্ধনে বিনয়েৰে তেওঁৰ অপাৰগতা প্ৰকাশ কৰিলে ।

এই কথা শুনি সম্ৰাট ধীৰসেন খঙত অগ্নিশৰ্মা হ'ল আৰু শোনপুৰী আক্ৰমণৰ বাবে তেওঁৰ সেনাবাহিনী প্ৰেৰণ কৰিলে । শোনপুৰীৰ সীমাত উপস্থিত হৈ ধীৰসেনৰ সেনাবাহিনী নৱনিৰ্মিত মন্দিৰটোৰ ওচৰতে ৰৈ গ'ল । ক্ৰুৰ সেনাপতিয়ে পাহাৰৰ ওপৰত থকা মন্দিৰলৈ আঙুলিয়াই সৈনিকসকলক নিৰ্দেশ দিলে, "এই মন্দিৰেই সকলো সমস্যাৰ মূল । যোৱা, সেই মন্দিৰ ধ্বংস কৰাগৈ ।"

কেইজনমান সৈনিক মন্দিৰ অভিমুখে আগবাঢ়ি গ'ল । অতুলনীয় শিল্প সৌন্দৰ্য থকা দ্বাৰপালকসকলৰ মূৰ্ত্তি দেখি সৈনিকসকল হতভম্ব হ'ল । সৈনিকসকলে এই মূৰ্ত্তিবোৰ ধ্বংস কৰিবলৈ উদ্যত হওঁতেই এটা আচৰিত ঘটনা ঘটিল । দ্বাৰপালকসকলৰ চকুৰেদি অশ্ৰু নিগৰি অহা দেখা গ'ল ।

সৈনিকসকলে ভয় খাই । পাহাৰৰপৰা নামি আহিল । এই বিচিত্ৰ ঘটনাটোৰ কথা সেনাপতিৰ মুখে সম্ৰাট ধীৰসেনে গম পালে । ভাবিলে ই কিবা অশুভ ঘটনাৰেই ইংগিত বহন কৰিছে । সেয়েহে তেওঁ সেনাবাহিনীক উভতি আহিবলৈ নিৰ্দেশ দিলে ।



এই কথা শুনি শোনপুৰীৰ ৰাইজ বৰ আনন্দিত হ'ল । ৰজা বীৰবৰ্ধনে ময়ুৰক মাতি পঠিয়ালে আৰু ক্ৰোধভৰা সুৰেৰে তেওঁক ক'লে, "তুমি কেনেকুৱা শিল্পীহে ? তুমি এনেকুৱা সৈনিকৰ মূৰ্ত্তি নিৰ্মাণ কৰিব লাগিছিল যি চকুলোৰে নহয়, উদ্যত তৰোৱালেৰে শত্ৰুৰ মুখামুখি হ'ব পাৰে। যুদ্ধত শত্ৰুক এসেকা দিব পৰা সৈনিকৰ মূৰ্ত্তি তুমি নিৰ্মাণ কৰা হ'লে আমাৰ এই লটিঘটিখন নহ'লহেঁতেন ।

ময়ুৰ নিমাতে ৰ'ল । পিছদিনাই পাহাৰৰ নামকিত শিল্পী ময়ুৰে দহ নহাজাৰ খুটাই ধৰি ৰখা এক বিশাল মণ্ডপৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিলে । প্ৰতিটো খুটাতেই যুদ্ধক্ষেত্ৰত শত্ৰুৰ ওপৰত জপিয়াই পৰিবলৈ সাজু হৈ থকা তৰোৱালধাৰী সৈনিকৰ মূৰ্ত্তি নিৰ্মাণ কৰা হ'ল । এই বিশাল মণ্ডপ নিৰ্মাণৰ বাবে ময়ুৰে ইতিপূৰ্বে ৰজাৰপৰা পাৰিশ্ৰমিক হিচাপে পোৱা সমুদায় ধন খৰচ কৰিলে । ইয়াৰ পাছতো ধনৰ



প্ৰয়োজন হোৱাত ময়ুৰে কেইজনমান দাতাৰপৰা ধন সংগ্ৰহ কৰিলে । এইদৰে দহ হাজাৰ খুটা থকা মণ্ডপৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল । তেতিয়া ৰজাক লগ ধৰি শিল্পী ময়ুৰে ক'লে, "মহাৰাজ, এতিয়াৰেপৰা আমি আৰু কাৰো দাস হৈ থাকিব নালাগিব । আমি পৰাধীনতাৰ শিকলি ছিঙি পেলাব পাৰিম ।"

ৰজাই শোনপুৰীক স্বতন্ত্ৰ ৰাজ্য ঘোষণা কৰিলে । এই কথা সম্ৰাট ধীৰসেনৰ কাণত পৰিল । তেওঁ তৎক্ষণাৎ এক বিশাল সেনাবাহিনী শোনপুৰীলৈ প্ৰেৰণ কৰিলে ।

ময়ুৰে হাতত এডাল লাঠি লৈ দহ হাজাৰ খুটা থকা মণ্ডপৰ ওচৰলৈ আহিল । এটা খুটাত থকা সৈনিকৰ মূৰ্ত্তিক স্পৰ্শ কৰি ময়ুৰে ক'লে, "যোদ্ধা, ওলাই আহা, চিকমিকাই থকা তৰোৱাল লৈ শত্ৰুৰ ওপৰত জপিয়াই পৰা । ৰজাক বিজয় প্ৰদান কৰাগৈ ।"

লগে লগে পাষাণ সৈনিক সজীৱ হৈ ইজনৰ পাছত সিজনকৈ শত্ৰুৰ ওপৰত জপিয়াই পৰিল। শত্ৰুৰ শিবিৰত হাঁহাকাৰ লাগিল । পাষাণ সৈনিকৰ পৰাক্ৰমত তিষ্ঠিব নোৱাৰি শত্ৰুসেনাই ফৰিংছিটিকা দিলে । ৰজা বীৰবৰ্ধন বিজয়ী হ'ল ।

ৰজা বীৰবৰ্ধনৰ আনন্দৰ সীমা নোহোৱা হ'ল । তেওঁ শিল্পী ময়ুৰৰ সন্মানাৰ্থে এক বিশাল জনসভাৰ আয়োজন কৰিলে । কিন্তু ময়ুৰক ক'তো বিচাৰি পোৱা নগ'ল । ময়ুৰৰ সন্ধান উলিয়াবলৈ ৰজাই চলোৱা প্ৰতিটো প্ৰচেষ্টাই বিফল হ'ল ।

এই কাহিনী কৈ উঠি বেতালে ক'লে, "ৰাজন, ময়ুৰৰ এই আচৰণ বিচিত্ৰ নহয়নে ? তেওঁ হয় মুৰ্খ নহয় অহংকাৰী । নিজৰ কলা প্ৰজ্ঞাৰে তেওঁ ৰজাক বিজয় প্ৰদান কৰি নিৰুদ্দেশ হৈ গ'ল । হয়তো ৰজাৰ ব্যৱহাৰ তেওঁ ভাল পোৱা নাছিল, কিন্তু মণ্ডপ নিৰ্মাণৰ কামত তেওঁ নিজৰ পাৰিতোষিক খৰচ কৰিলে

কিয় ? ৰজাৰ ইমান উপকাৰ কৰিও তেওঁ কোনো প্ৰতিফল নিবিচাৰি কিয় অন্তৰ্দ্ধান হ'ল? এই প্ৰশ্নৰ উত্তৰ তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰি হ'ব ।"

বিক্ৰমাদিত্যই ক'লে, "মহাশিল্পী ময়ুৰ মুৰ্খও নহয়, অহংকাৰীও নহয় । তেওঁৰ প্ৰজ্ঞাৰ তুলনা নাই । নিবিচৰাকৈ তেওঁ ৰাজসভাত শিল্পীৰ মৰ্যাদা পাইছিল । চকুলো নিগৰি অহা মানুহৰ মূৰ্ত্তি গঢ়ি তেওঁ প্ৰসিদ্ধ হৈছিল । কিন্তু তেওঁ জানি-শুনি এইটো কৰা নাছিল । তেওঁৰ শিল্প নৈপুন্যত মুগ্ধ হৈ কলাদেৱীয়ে তেওঁক এই অসামান্য প্ৰতিভা বৰ হিচাপে প্ৰদান কৰিছিল । এই সত্য ময়ুৰে ভালকৈ জানিছিল । কিন্তু ৰজাই তেওঁৰ কলা কুশলতাৰ বাবে অভিনন্দন নজনালে । ওলোটাই ৰজাই নিজৰ স্বাৰ্থৰ বাবেহে ময়ুৰক ব্যৱহাৰ কৰিলে । যিকোনো শিল্পীয়ে বিচাৰে তেওঁৰ প্ৰতিভাৰ যথাযথ স্বীকৃতি দিয়া হওক । কিন্তু ময়ুৰ 'ইয়াৰপৰা' বঞ্চিত হ'ল । এই কথাত ময়ুৰৰ কোমল হৃদয়ত নিশ্চয় আঘাত লাগিল । কিন্তু ময়ুৰে তেওঁৰ এই মানসিক পীড়াৰ কথা আনক জানিবলৈ নিদিলে আৰু নিজে ৰাজ্যৰ মংগলৰ কথা চিন্তা কৰিলে । যুদ্ধ কৰিব পৰা পাষাণ সৈনিক নিৰ্মাণ কৰি তেওঁ ৰজাক বিজয়ী কৰিলে আৰু প্ৰজাক স্বতন্ত্ৰতা দিলে । এতিয়া আহিল তেওঁ নিৰুদ্দেশ হোৱাৰ কাৰণ । ৰজাই বিচাৰিছিল যে ৰাজ্যখন স্বাধীন কৰিবলৈ যোদ্ধা সৃষ্টি কৰা হওক, যিটো কিছু পৰিমানে উচিত কথাই আছিল । ৰজাৰ এই ইচ্ছা ন্যায়সংগত বুলি ভাবিয়েই ময়ুৰে কামটো কৰিছিল । কিন্তু আজি জীৱন্ত সৈনিক সৃষ্টি কৰিবলৈ কোৱা ৰজাই কাইলৈ আশাৰ জালত বন্দী হৈ কল্পবৃক্ষ বা কামধেনু নিৰ্মাণ কৰিবলৈ ক'ব পাৰে । এজন শিল্পীৰ দায়িত্ব হ'ল ত্ৰুটিহীন কাম কৰা । মন্দিৰ নিৰ্মাণ কৰোতে ময়ুৰে সদায় এই কথা মনত ৰাখিছিল । কিন্তু সজীৱ শিল্পকৰ্ম নিৰন্তৰ সৃষ্টি কৰাৰ দায়িত্ব সৃষ্টিকৰ্ত্তাৰহে । মানুহে এই কাম হাতত তুলি ল'ব খুজিলে অথন্তৰ ঘটিব পাৰে । সেইয়ে ময়ুৰে সন্মান লাভৰ প্ৰলোভন পৰিহাস কৰি নিজৰ দায়িত্ব পালন কৰাৰ পাছত কাকো একো নোকোৱাকৈ নিৰুদ্দেশ হ'ল ।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটোৰ সৈতে পুনৰ অদৃশ্য হৈ সেই গছজোপাত ওলমি থাকিলগৈ ।

- সুচিত্ৰাৰ ৰচনাৰ আলমলৈ

ভাৰতৰ পৌৰাণিক উপাখ্যান-২৪

ভূত পোৱালিৰ অন্তৰ্ধ্যান

অৰণ্যৰ মাজত কুটীৰত বাস কৰা যোগী অলকানন্দই ঘোষণা কৰিলে যে তেওঁৰ দেহ ত্যাগ কৰিবৰ হৈছে। তেওঁৰ বয়স বছৰৰো বেছি হৈছিল আৰু এজন শিষ্য ধীৰণনন্দক বাকী শিষ্যসকলৰ দায়িত্ব ল'বলৈ কৈ থৈ গৈছিল।

ধীৰণনন্দ অকলশৰে পাই যোগীয়ে কৈছিল, "আশ্ৰমত থকা প্ৰতিটো পবিত্ৰ বস্তুৰে যথাযথ যত্ন ল'বলৈ আওহেলা নকৰিবা। অৱশ্যে, তাত এটা বাকচৰে এটা চুকত অদ্ভুত আকৃতিৰ এডোখৰ শিল পাবা। সেইডোখৰ নদীলৈ দলিয়াই দি তুমি কিছুমান শান্তিৰ শ্লোক উচ্চাৰণ কৰিবা।"

"যদি আপুনি বেয়া নাপায়, সেই শিলডোখৰৰ বিশেষত্বনো কি মোক ক'বনে?" উদ্বিগ্ন হৈ ধীৰণনন্দই সুধিলে।

"নিশ্চয়, সেইটো মোক মোৰ এজন তান্ত্ৰিক বন্ধুৱে দিছিল। শিলডোখৰৰ ভিতৰত এটা ভূত-পোৱালি সোমাই আছে। কোনোবাই যদি সেইডোখৰ মাটিত দলিয়াই দিয়ে তেন্তে ভূতপোৱালিটো ওলাই আহি কাম বিচাৰিব। সাধাৰণ কিছুমান যাদু দেখুওৱাৰ বাহিৰে ই দৰকাৰী কাম একো কৰিব নোৱাৰে। যেনে, কিছুমান সৰু বস্তু তোমাৰ হাতত দিয়া বা কিছুমান ভয়লগা শব্দ কৰা বা কিছুমান বস্তু শূণ্যতে ওলোমাই ৰখা ইত্যাদি কৰি তোমাৰ চৌপাশৰ মানুহক বিৰ্ক্তি খুৱাব পাৰে। সমস্যাটো হৈছে এবাৰ বাহিৰলৈ ওলোৱাৰ পিছত ভূত পোৱালিটো আৰু শান্তিৰে নাথাকে। ই নিজৰ গৰাকীক একে ধৰণৰ কামৰ বাবে আমনি কৰি থাকে। যদি শিলডোখৰ নদীলৈ দলিয়াই দিয়া হয় তেতিয়াহে ই শান্ত হ'ব।" গুৰুৱে ব্যাখ্যা কৰিলে। তেওঁ লগতে ক'লে, "কিন্তু এবাৰ যদি ই শিলটোৰ পৰা বাহিৰলৈ ওলাই আহে ই পুনৰ

তালৈ ঘূৰি নাযায় আৰু তাক বাহিৰলৈ উলিয়াই অনাজনক কেতিয়াও এৰি নিদিয়ে । সি নিজে নিজেই পাচ বছৰৰ পিছতহে নোহোৱা হৈ যাব ।"

তাৰ কেইদিনমানৰ পাছতে গুৰুৰ স্বাস্থ্যৰ অৱনতি ঘটিল । তেওঁৰ অৱস্থা সংকটজনক হৈ পৰিল । তেওঁৰ শিষ্যসকল তেওঁৰ ওচৰতে থাকিবলৈ ল'লে । তেওঁৰ মৃত্যুৰ দিনাহে কেৱল ধীৰণনন্দৰ শিলডোখৰ কথা মনত পৰিল আৰু সেইটো ল'বলৈ বাকচটো খুলিলে । কিন্তু হায়, শিলডোখৰ তাত নাই । তেওঁ গুৰুৰ কোঠালীত থকা সকলো বাকচতে বিচাৰিলে । কিন্তু ক'তো নাপালে।

দুদিন পাৰ গৈ গ'ল । এদিন গভীৰ নিশা কোনোবাই ধীৰণনন্দৰ দুৱাৰত টোকৰ মাৰিলে। তেওঁ সাৰ পালে আৰু দুৱাৰখন খুলিলে আৰু গুৰুৰ এজন শিষ্য সেই আগন্তুক চিনি পালে। তেওঁৰ নাম চন্দ্রন । তেওঁৰ অৰণ্যৰ ওচৰৰে গাৱঁত থাকে আৰু আশ্রমলৈ প্রায়ে আহি থাকে।

"কি হৈছে? তোমাক ইমান চিন্তিত যেন লাগিছে কিয় ?" ধীৰণনন্দই সুধিলে ।

"বন্ধু, মই চিন্তিত হৈছো," চন্দ্রণে ক'লে । তেওঁ তেতিয়া জনালে যে সেই যাদুকৰী শিলডোখৰৰ বিষয়ে গুৰু আৰু ধীৰণনন্দৰ মাজত হোৱা কথা-বতৰাখিনি শুনিলে ।

"মই দুখীত যে শিলডোখৰ চুৰি কৰাৰ প্রলোভন মই সামৰিব নোৱাৰিলো । যিয়েই নহওক ই তোমাৰ কোনো কামত নিশ্চয় নাহিলহেঁতেন আৰু তুমি নিশ্চয় নদীলৈ দলিয়াই দিলাহেতেন । মই মাটিত খুন্দিয়াই দিলো আৰু সচাকৈয়ে ভূত পোৱলিটো ওলাই আহিল । মোৰ বাহিৰে কোনেও তাক নেদেখিলে । সি কাম বিচাৰিলে । মই গাৱঁৰ আলিবাটলৈ ওলাই আহিলো । তাত বহুত মানুহ আছিল । মই তেওঁলোকক এটা যাদু দেখুৱাম বুলি কথা দিলো ।

মই ভূতটোক এটা জোপোহা জ্বলাই দিবলৈ ক'লো । সি তাকেই কৰিলে আৰু জোপোহাটো দপদপকৈ জ্বলি উঠিল । গাৱঁৰ মানুহবোৰ বিস্মিত হৈ পৰিল । কিন্তু বৰ ভাল নাপালে । মই ঠিক ঘৰ পাইছোহিহে মাথোন তেনেতে সি মোক পিছৰ কামটো বিচাৰিলে । মই তেতিয়া মোৰ বাগিছাৰ ফুলবোৰত পানী দিবলৈ ক'লো । হঠাতে সি গোটেই গছবোৰ উভালি পেলালে আৰু সেইবোৰত পানী দিলে । মই হতবাক হ'লো । মই তাক গালি পাৰিলো । সি বুজিও নাপালে বা সি কৰা কামটোৰ বাবে দুখীতও নহ'ল । কেৱল এনেকুৱা অদ্ভূত আচৰণ দেখুৱাবৰ বাবে আৰু অধিক নির্দেশহে বিচাৰিবলৈ ধৰিলে । মই তাক এটা সোণৰ আঙঠি তৈয়াৰ কৰিবলৈ ক'লো । হঠাতে মোৰ হাতৰ তলুৱাত এটা আঙঠি পৰিলহি । কিন্তু একে সময়তে মোৰ ভনীজনীয়ে তাইৰটো হেৰুৱালে! আন কথাত ভূত পোৱালিটোৱে তাইৰ আঙুলিৰ পৰা সেইটো কাটিলে ।"

"তুমি তাক কিয় তোমাৰ পথাৰলৈ গৈ হাল বাবলৈ নোকোৱা ?" ধীৰণনন্দই পৰামর্শ দিলে।

"মোৰ ভয় লাগে সি মোৰ ফুলগছবোৰৰ

ক্ষেত্ৰত কৰাৰ দৰেই কিবা এটা কৰে বুলি । তাক কেৱল এই আচৰিত কাম বোৰতহে লগাব পাৰি, বাকী একোতেই নোৱাৰি । মই বাৰু পাঁচ বছৰ ধৰি একেৰাহে মানুহক কেনেকৈ মায়া দেখুৱাই যাম । কোনে সেইবোৰ চাই থাকিব ? মোৰ নিজৰ কামেই বা কি হ'ব ? এই দুদিনতে মই পাগল হৈ গৈছো ! ভূতটোৱে কেৱল মাজনিশা এঘন্টাৰ বাবে জিৰণি লয় আৰু পুনৰ সজীৱ হৈ উঠে । এতিয়াও সি তাকেই কৰি আছে । তাৰ পৰা ৰক্ষা পাবলৈ মই কি কৰা উচিত বাৰু কোৱাচোন," চন্দ্ৰণে ক'লে । তেওঁ প্ৰায় কান্দা-কান্দো হৈছিল ।

ধীৰণনন্দই এক মুহূৰ্ত্তৰ বাবে চিন্তা কৰিলে আৰু আৰু চন্দ্ৰনক কিবা ক'লে । তেওঁৰ কৈ উঠিছেহে এনেতে ভূত পোৱালিটোৱে খিৰিকীয়েদি চালে আৰু চন্দ্ৰনক কাম খুজিলে ।

"তোৰ কাম সাজু হৈ আছে," হাঁহি মুখেৰে কৈ চন্দ্ৰনে মুকলিলৈ ওলাই গ'ল । তেওঁ ভূতটোক ঘৰৰ পিছফালে লৈ গ'ল, তাতেই তেওঁৰ কুকুৰটো আছিল ।

"ভূত পোৱালি, চাচোন কুকুৰটোৰ নেজডাললৈ । বেকা হৈ আছে নহয়নে ? গতিকে তই পোনাই দে । কুকুৰটোৰ একো হানি নকৰিবি আকৌ । কামটো কৰি হ'লে মোক জনাবি," চন্দ্ৰনে ক'লে ।

"সেইটো কাম মই পট্‌কৈ কৰি দিম !" গৰ্বেৰে ভূত পোৱালিটোৱে ক'লে । সি বহিল আৰু কুকুৰটোৰ নেজডাল হাতত লৈ পোনাই দিলে । কিন্তু সি এৰি দিয়াৰ লগে লগে নেজডাল আকৌ ঘোৰ খাই যায় । সি বাৰে-বাৰে চেষ্টা কৰি থাকিল । কিন্তু সেইডাল পোন নহ'ল । কিছু সময় পিছত কুকুৰটো উঠিল আৰু আগফালৰ দুৱাৰৰ ফালে গ'ল । অদৃশ্য হৈ ভূত-পোৱালিটোৱে তাক অনুসৰণ কৰিলে । সি চেষ্টা এৰি নিদিলে । সি চেষ্টা কৰিয়েই থাকিল ।

চন্দ্ৰন নীৰৱে তাৰ পৰা আতৰি গ'ল । এবছৰ পাৰ হৈ গ'ল আৰু ভূত পোৱালিটো আৰু ঘূৰি নাহিল । চন্দ্ৰনে জানে যে পাঁচ বছৰ পাৰ হৈ যাব আৰু ভূত পোৱালিটো নোহোৱা হৈ যাব । কুকুৰটোৰ নেজডাল বেকা হৈ থাকিল ।

পিছদিনা তেওঁ ধীৰণনন্দৰ ওচৰলৈ ঘূৰি গ'ল। "তুমি এতিয়া বুজি পালানে কিয় আমাৰ গুৰুৱে কিছুমান মানুহৰ স্বভাৱক কুকুৰৰ নেগুৰৰ লগত তুলনা কৰে ? যেনেকৈ এটা কুকুৰৰ নেগুৰ সদায় কেঁকা হৈ থাকে আৰু তুমি যিমানে চেষ্টা কৰা সেইডাল পোনাব নোৱাৰা, সেইবোৰ মানুহৰ স্বভাৱো সদায় কুটিলেই হৈ থাকিব যিমানেই তুমি তাক শুধৰাবৰ চেষ্টা নকৰা।"

তেওঁলোক দুয়ো হাঁহিলে আৰু চন্দ্ৰনে আকৌ এবাৰ শিলছটা চুৰি কৰাৰ বাবে ক্ষমা বিচাৰিলে।

কাৰাগাৰেই হৈ পৰিল ত্ৰাণকৰ্ত্তা

জিম আৰু বিল বাক্‌লী ওচৰৰে চহৰখনৰ পৰা ঘৰলৈ আহি আছিল । হঠাতে, আন্ধাৰত লুকাই থকা দুজন মানুহে তেওঁলোকক আক্ৰমণ কৰিলে । বিলৰ বুকুৰেদি এটা বুলেট সৰকি যোৱাত তেওঁৰ ঘোৰাৰ পৰি থিতাতে মৃত্যু হ'ল। জিমে আঘাত নোপোৱাকৈ পলাই সাৰিলে । কিন্তু হায়, দুই ভ্ৰাতৃয়ে তেওঁলোকক দিয়া হোৱা বাৰম্বাৰ ভাবুকি দিয়া সত্বেও নিৰস্ত্ৰ হোৱা বাবে নিজক সুৰক্ষা দিব নোৱাৰিলে ।

এই ঘটনা ঘটিছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিচিছিপিৰ কলম্বিয়াত থকা মেৰিয়ন কাৰ্ন্টিত।

কোৱা হয় যে ১৯ শতিকাৰ শেষৰ ফালে হোৱাইট কেপচ্ নামে জনাজাত এটা গোপন দলে সেই অঞ্চলৰ দুখীয়া খেতিয়ক সকলক সদায় অত্যাচাৰ উৎপীড়ন কৰি থাকিছিল । তেওঁলোকৰ এই উৎপীড়ণৰ শেহতীয়া বলি হৈছিল এজন নিগ্ৰো লোক । তেওঁ বাক্‌লী ভ্ৰাতৃদ্বয়ৰ লগত কাম কৰিবলৈ এগৰাকী বিধৱাৰ ফাৰ্মত কৰি থকা চাকৰি এৰি দিছিল। কিয়নো বাক্‌লী ভ্ৰাতৃদ্বয়ে তেওঁক বেছি দৰমহা দিছিল । তেওঁ তেওঁক অত্যাচাৰ কৰা মানুহকেইজনক দেখুৱাই দিছিল । জিম আৰু বিলে কথা দিছিল যে তেওঁলোকে পুলিচত এজাহাৰ দিব আৰু চহৰৰ বিখ্যাত বিচাৰধিপতিক লগ ধৰিব । আৰু অত্যাচাৰীকেইজনে তেনে নকৰিবলৈ দুই ভাতৃক ভাবুকি দিছিল । কিন্তু জিম আৰু বিল সংকল্পবদ্ধ হৈছিল আৰু তেওঁলোকে নিজৰ কামত আগবাঢ়ি গ'ল । দুৰ্ভাগ্যবশতঃ তেওঁলোকৰ এজনে নিজৰ বহুমূলীয়া জীৱন হেৰুৱালে ।

জিমক নিজৰ ভ্ৰাতৃহন্তাক চিনাক্ত কৰিবলৈ কোৱা হ'ল । তেওঁ হত্যাকাৰীক উইল পাৰ্ভিচ

বুলি চিনাক্ত কৰিলে । তেওঁ এটা প্ৰচীন আৰু মৰ্য্যাদাসম্পন্ন পৰিয়ালৰ পৰা অহা এজন তৰুণ কৃষক । পাৰ্ভিচৰ নামেৰেই ওচৰৰ পাৰ্ভিচ নামৰ চহৰখনৰ নামকৰণ কৰা হৈছে ।

ততালীকে দোষীক গ্ৰেপ্তাৰ কৰা হ'ল । ঘটনাটোৰে আদালত পালেগৈ । পাৰ্ভিচৰ দুজন চুবুৰীয়া আৰু দুজন আত্মীয়ৰ সাক্ষ্য লোৱা হ'ল । তেওঁলোকৰ সাক্ষ্যত কোৱা হ'ল যে হত্যাকাণ্ডটো সংঘটিত হোৱা সময়ত আচামী ঘৰত নাছিল । তেওঁৰ বন্দুকটোও বহুদিন ধৰি ব্যৱহাৰ হোৱা নাই । কিন্তু বিচাৰক সকলে তেওঁলোকৰ সাক্ষ্যৰ ওপৰত সন্দেহ প্ৰকাশ কৰিলে । গতিকে উইল পাৰ্ভিচক মৃত্যুদণ্ডৰ আদেশ দিয়া হ'ল । তেওঁৰ ফাঁচীৰ হুকুম হ'ল । তেওঁ উচ্চ আদালতত জনোৱা আবেদন নাকচ হ'ল ।

যি সকলে উইল পাৰ্ভিচক জানিছিল তেওঁলোক হতবাক হ'ল কাৰণ তেওঁলোকে বিশ্বাস কৰিব নোৱাৰিছিল যে পাৰ্ভিচে তেনে এটা কাম কৰিব পাৰে । গীৰ্জাৰ যাজকে তেওঁক কাৰাগাৰত দেখা কৰিবলৈ আহিল । তেওঁও ভাৱিছিল যে এইজন এজন নিৰপৰাধ লোক । ফাঁচীৰ আগদিনা তেওঁ আকৌ পাৰ্ভিচক লগ ধৰিলে ।

তেওঁ পাৰ্ভিচক মজিয়াত শিকলিৰে বান্ধি থোৱা অৱস্থাত পালে । কিন্তু তেওঁ শান্ত আৰু নিৰ্বিকাৰ হৈ আছিল । তেওঁ হেনো যাজক জনক কৈছিল, "মোৰ ভাগ্যই দেখুওৱা বিড়ম্বনাত মই অকনো বিচলিত হোৱা নাই।"

পিছদিনা পোহৰ হওঁ-নহওঁ মাথোন । ১৮৯৪ চনৰ ৭ তাৰিখ । চহৰৰ মাজ-মজিয়াত হাজাৰ-হাজাৰ পুৰুষ-নাৰী আৰু শিশু গোট খাইছে । কৰ্ত্তব্যৰত সকলে ফাঁচীৰ বাবে সকলো ঠিকে ঠাকে আছেনে নাই পৰীক্ষা কৰিছে । ২১ বছৰীয়া তৰুণ কৃষক উইল পাৰ্ভিচক লাহে-লাহে কাঠৰ মজিয়ালৈ লৈ যোৱা হৈছে । তেওঁক বন্দী কৰা আৰু এবাৰৰ বাবেও তেওঁৰ অপৰাধৰ ওপৰত সন্দেহ প্ৰকাশ নকৰা মানুহ জনে কঠুৱাকৈ সুধিলে, "উইল, শেষবাৰৰ বাবে তোমাৰ কিবা ক'ব লগা আছে নেকি ?"

শান্ত আৰু ধীৰ মাতেৰে অপৰাধী বুলি সাব্যস্ত কৰা মানুহজনে ক'লে, "মই এই কাম কৰা নাছিলো! কিন্তু ইয়াত থকা কিছুমান মানুহে ইচ্ছা কৰিলে মোক বচাব পাৰে ।"

হায়, উইল পাৰ্ভিচক সহায় কৰিবলৈ

কোনো আগবাঢ়ি নাহিল । তেওঁৰ দুয়োহাত পিছফালে বন্ধা হ'ল । তেওঁৰ দুই ভৰি একেলগ কৰি বন্ধা হ'ল । তেওঁৰ মুৰত ক'লা কাপোৰ পিন্ধাই দিয়া হ'ল । ডিঙিত টানকৈ চিপজৰী বান্ধি দিয়া হ'ল । আৰু ৰুদ্ধশ্বাসে ৰৈ থকা মানুহ খিনিলৈ চাই কৰ্মচাৰীজনে ততালিকে কৈ উঠিল, "ভগৱান তোমাক সহায় হওক উইল পাৰ্ভিচ" আৰু এইদৰে কৈ ৰছীত টান দিলে।

কেইমুহূৰ্ত্তমানৰ কাৰণে সকলো নিশ্চল হৈ পৰিল । প্ৰকৃততে, তেওঁ লোকে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে । তেওঁলোকৰ চকুৰ আগত, ফচীকাঠত এডাল খালী চিপজৰী পুৱাৰ বতাহত হালি-জালি আছে । উইল পাৰ্ভিচ ক'ত ? তেওঁ ফাঁচীশালৰ মজিয়াত পৰি আছে । যদিও অচেতন, উশাহ লৈ আছে । তেওঁৰ মুখমণ্ডলত ক'লা কাপোৰখন তেতিয়াও আছে আৰু তেতিয়াও তেওঁৰ হাত-ভৰি টানকৈ বান্ধি থোৱা আছে। এয়া কেনেকৈ সম্ভৱ হ'ল? তেওঁ কেনেকৈ মুকলি হৈ পৰিব পাৰিলে? এই ৰহস্যই সকলোকে আচৰিত কৰি তুলিলে ।

বিষয়াসকলে আকৌ এবাৰ চিপজৰীত ওলোমাবৰ বাবে আচামীক ফাঁচীশাললৈ আনিলে । কিন্তু যাজকজনে ক'লে যে ভগৱানেই তেওঁক বচাইছে । গতিকে তেওঁক কেনেকৈ পুনৰ ফাঁচী দিব পাৰে? যাজকজনৰ কথাত সমবেত সকলো মানুহে হয়ভৰ দিলে। তেওঁলোকে চিঞৰি, গান গাই, নাচি আৰু এই মায়াৰ বাবে ভগৱানক প্ৰশংসা কৰিবলৈ ধৰিলে । কৰ্মচাৰীজন বিবুদ্ধিত পৰিল আৰু জনতা উত্তেজিত হৈ পৰা দেখি আচামীক পুনৰ কাৰাগাৰত নিক্ষেপ কৰিলে ।

কিন্তু বিচাৰকজন অসন্তুষ্ট হৈ পৰিল । উইল পাৰ্ভিচক দোষী বুলি প্ৰমাণিত কৰা হ'ল। তেওঁক মৃত্যুদণ্ডৰ আদেশ শুনোৱা হৈছিল । যদি তেওঁ বাচি গৈছে তেন্তে পুনৰবাৰ ফাঁচী দিব লাগে । এইটো তেনেই সাধাৰণ কথা । উইলৰ উকীলে উচ্চতম ন্যায়ালয়লৈ সকাতৰে আবেদন জনালে । কিন্তু দূৰ্ভাগ্য-বশতঃ উচ্চতম ন্যায়ালয়ে সেয়া অগ্ৰাহ্য কৰিলে ।

সেয়ে আচৰিত ভাৱে নিশ্চিত মৃত্যুৰ পৰা হাত সৰাৰ পিছত ১৮৯৫ চনৰ ১২ ডিচেম্বৰৰ দিনা উইল পাৰ্ভিচ আকৌ এবাৰ ফাঁচী কাঠত ওলমাৰ আদেশ হ'ল । এইবাৰো তেওঁ ৰায় শুনি শান্ত আৰু নিৰ্বিকাৰ হৈ থাকিল। তেওঁৰ বিশ্বাস আছিল যে যি শক্তিয়ে তেওঁক এবাৰ ৰক্ষা কৰিলে সেই শক্তিয়েই তেওঁক এইবাৰো ৰক্ষা কৰিব ।

কোনো স্পষ্ট প্ৰমাণ পোৱা নগ'ল। মৃত্যুমুখী মানুহজনৰ প্ৰতি শেষ শ্ৰদ্ধা হিচাবে চৰকাৰে তেওঁক কলম্বিয়াৰ জেইলৰ পৰা তেওঁৰ ওপজা

ঠাই পাৰ্ভিছৰ এখন সৰু কাৰাগাৰলৈ লৈ যাবৰ বাবে আদেশ দিলে । যাতে জীৱনৰ শেষৰ দিনকেইটোত তেওঁ আত্মীয়-কুটুম্বৰ সান্নিধ্য পাব পাৰে ।

তেতিয়া মাজনিশা । দ্বিতীয়বাৰ ফাঁচীৰ এদিন নে দুদিন আগৰ কথা । এদল মানুহ কাৰাগাৰলৈ সোমাই আহিল, কাৰাগাৰৰ ৰখীয়াবোৰক কৰায়ত্ত কৰিলে আৰু পাৰ্ভিচক মুকলি কৰি নিলে । বিচাৰকৰ খং উঠিল । তেওঁ পাৰ্ভিচক ধৰা পেলাবৰ বাবে আৰু উদ্ধাৰ কৰোতা কেইজনৰ খবৰ দিবৰ বাবে লোভনীয় পুৰস্কাৰ ঘোষণা কৰিলে । যদিও পাৰ্ভিছ নামৰ সৰু চহৰখনত সকলোৱে জানিছিল উদ্ধাৰকাৰীকেইজন কোন আছিল আৰু পাৰ্ভিছে যে প্ৰকৃততে পাহাৰৰ সিপাৰৰ অৰণ্যত নিজৰ পৰিয়ালৰ সৈতে আছে তথাপি কোনেও পুৰস্কাৰ দাবী নকৰিলে ।

বৰ্ত্তমানৰ গৱৰ্ণৰ জনৰ কাৰ্যকাল শেষ হ'ল। তেওঁৰ পিছৰজনে নিৰ্বাচনী প্ৰচাৰৰ সময়ত কথা দিলে যে পাৰ্ভিছৰ দণ্ড তেওঁ দিয়াব । উইল পাৰ্ভিছে ধৰা দিলে । গৱৰ্ণৰে কৰ্ত্তব্যত যোগদান কৰিয়েই পাৰ্ভিছৰ শাস্তি যাৱজ্জীৱন কাৰাদণ্ডলৈ লাঘৱ কৰিলে ।

দুবছৰ মানৰ পিছত উইল পাৰ্ভিছৰ মৃত্যুদণ্ডৰ আদেশ জাৰি কৰা বিচাৰকজনকে ধৰি হাজাৰ হাজাৰ লোকে এখন আবেদনত চহী কৰিলে । অৱশেষত, আচামীক ক্ষমা কৰা হ'ল আৰু তেওঁৰ মুক্তি হ'ল । তেওঁ পুনৰ নিজৰ কামলৈ আহিবলৈ ধৰিলে । সোনকালেই তেওঁৰ যাজকৰ সুন্দৰী কন্যাক বিবাহ কৰিলে । আৰু সোনকালেই তেওঁলোক এঘাৰটি ল'ৰা-ছোৱালীৰ অভিভাৱক হ'ল । কিন্তু বিল বাক্লীক কোনে হত্যা কৰিলে সেয়া ৰহস্য হৈ ৰ'ল ।

বছৰবোৰ বাগৰি গ'ল আৰু এদিন জ'ৰ্বাৰ্ড নামৰ এজন বৃদ্ধ খেতিয়কৰ অন্তিম সময় আহি পৰিল । তেওঁ অনুশোচনাৰে কৈছিল যে হোৱাইট কেপ্‌চৰ অন্য এজন সদস্যৰ সৈতে লগ হৈ তেওঁ বাক্লীৰ হত্যাকাণ্ড সংঘটিত কৰিছিল। এই বাতৰিয়ে অঞ্চলটোত উদ্বেগৰ সৃষ্টি কৰিলে। চৰকাৰে নিজৰ ভুলৰ বাবে ক্ষমা বিচাৰিলে আৰু উইল পাৰ্ভিছক ক্ষতিপূৰণ হিচাবে পাঁচ হাজাৰ ডলাৰ দিলে । তেন্তে চেহেৰাৰ সাদৃশ্যৰ বাবেই জিম বাক্লীয়ে উইল পাৰ্ভিছক ককায়েকৰ হত্যাকাৰী বুলি ভাৱিলে নে?

উইল পাৰ্ভিছে নিশ্চিত মৃত্যুৰ পৰা বাচি অহাটো এটা সাধাৰণ ঘটনাই আছিলনে। নে এইটো তেওঁ আৰু তেওঁৰ শুভাকাংখী সকলে দৃঢ়ভাৱে ভৱাৰ দৰে এই অদ্ভুত ঘটনা তেওঁৰ অটুট বিশ্বাস আৰু একমনে কৰা প্ৰাৰ্থনাৰ ফল আছিল ?



বিদায় স্কুল বেগ

এটা জনপ্রিয় টি.ভি. বিজ্ঞাপনত দেখা যায় স্কুললৈ গৈ থকা তিনিটি শিশু । তেওঁলোকৰ বেগবোৰত লিখা আছিল ক্রমে এল.কে.জি, ইউ.কে.জি. আৰু ৫ কে.জি.--শেহৰ বেগটোৰ নামটোৱে বোধকৰো বেগটোত থকা কিতাপৰ ওজনৰ কথা বুজাইছিল । এইদৰে শিশুহঁতে প্রতিদিনে স্কুললৈ এবোজা কিতাপ লৈ যাবলগা হোৱা বিষয়টো এইবাৰ আনকি সংসদতো আলোচিত হৈছে ।

সমগ্র দেশতে কেন্দ্রীয় বিদ্যালয় সমূহ পৰিচালনা কৰা চৰকাৰী অনুষ্ঠান কেন্দ্রীয় বিদ্যালয় সংগঠনে ছাত্র-ছাত্রীৰ ওপৰত হোৱা এই বোজা কমোৱাৰ ক্ষেত্রত আগভাগ লৈছে । ইয়াৰ প্রথম পদক্ষেপ হিচাবে প্রথম আৰু দ্বিতীয় শ্রেণীৰ ছাত্র-ছাত্রী সকলে ভৱিষ্যতে আৰু কোনো কিতাপ স্কুললৈ কঢ়িয়াব নালাগে ।

তেওঁলোকৰ সকলো পাঠ্য-পুথি আৰু উত্তৰ বহী স্কুলত ৰখা হ'ব আৰু গধূলি বা সপ্তাহৰ শেষৰ অধ্যয়নৰ বাবে ঘৰলৈ নিবলৈ দিয়া নহ'ব ।

সেয়ে ল'ৰা-ছোৱালীহঁতক কোনো হমৱৰ্ক দিয়া নহ'ব আৰু অৱসৰৰ সময়বোৰত তেওঁলোকে যি মন যায় কৰিব পাৰিব-খেলা-ধূলা কৰা, কিতাপ পঢ়া, টিভি চোৱা, আৰু আন হবিৰ কাম কৰা । কেইবামাহো ধৰি চলোৱা গৱেষণা আৰু অধ্যয়নৰ অন্তত এই সিদ্ধান্ত লোৱা হয় অহা বছৰবোৰত এই নতুন আঁচনিৰ অধীনত আৰু অধিক শ্রেণী সামৰি ল'বলৈ সংগঠনে পৰিকল্পনা কৰিছে ।

যুৱৰাজ আৰু সেই আচৰিত ডালিমটো

ৰহুত দিনৰ আগতে এখন দেশত এজন পৰোপকাৰী ৰজাই ৰাজত্ব কৰিছিল । তেওঁৰ তিনিজন পুতেক আছিল, তিনিও এদিন সুদৰ্শন যুৱক হৈ উঠিছিল । তিনিও ভ্ৰাতৃ দেখাত প্ৰায় একে আছিল আৰু ৰজাই তিনিওজনকে সমানে মৰম কৰিছিল । বহুত দিন ধৰি তিনিও ৰাজকুমাৰ যুদ্ধ কলা আৰু প্ৰশাসনৰ নিয়ম-নীতিৰ প্ৰশিক্ষণ লাভ কৰাৰ বাবে ৰাজধানীৰ পৰা আঁতৰত আছিল । ৰজাই এদিন ভাবিলে তিনিও ৰাজকুমাৰ ৰাজপ্ৰাসাদত থাকি নিজ নিজ কৰ্ত্তব্য সম্পাদন কৰা উচিত ; আৰু তেওঁলোক বিবাহ বন্ধনত আবদ্ধ হোৱাৰো সময় আহিছে।

তিনিও ৰাজকুমাৰৰ বাবে বিবাহযোগ্য কইনা বিচাৰি উলিয়াওতে সময় লাগিব বুলি ৰজাই তেওঁৰ ৰাজ্যৰ চুকে-কোণে আৰু প্ৰতিবেশী ৰাজ্যসমূহলৈ বাৰ্তাবাহক প্ৰেৰণ কৰিছিল । কেইদিনমানৰ পাছত তাৰে এজন বাৰ্তাবাহক ঘূৰি আহি ৰজাক এগৰাকী সুন্দৰী যুৱতীৰ কথা জনালেহি । সেই যুৱতী এগৰাকী বিখ্যাত নৃত্য পটিয়সীৰ কন্যা আছিল । তেওঁ ৰজাৰ বাৰ্তাবাহকক তিনিও ৰাজকুমাৰৰ বিষয়ে আতিগুৰি মাৰি সুধিছিল আৰু তেওঁ বাৰ্তাবাহকে ৰজাক এই কথা কোৱাটো বিচাৰিছিল যে জ্যেষ্ঠ ৰাজকুমাৰকে তেওঁ তেওঁৰ জোঁৱায়েক হিচাপে পাব খোজে কিয়নো তেওঁ নিশ্চিত আছিল যে ৰজাৰ বৰপুত্ৰই ৰজাৰ পিছত সিংহাসনত আৰোহণ কৰিলেই তেওঁৰ কন্যাই ৰাণীৰ মৰ্যাদা পাব ।

কিন্তু দ্বিতীয় ৰাজকুমাৰৰ সংগীত আৰু চিত্ৰকলাৰ প্ৰতি থকা গভীৰ আগ্ৰহলৈ লক্ষ্য ৰাখি ৰজাই তেওঁৰ দ্বিতীয় পুত্ৰৰ বাবেহে এই

ছোৱালীজনী বোৱাৰী কৰি অনাটো উচিত হ'ব বুলি ভাবিছিল । তেওঁ ভাবিলে এটা পৰীক্ষা পাতি ছোৱালীজনীৰ বাবে এজন যোগ্য বৰ তিনিও ৰাজকুমাৰৰ মাজৰ পৰা বিচাৰি উলিওৱাটোহে উচিত কথা হ'ব । সেয়েহে ৰজাই তিনিও ৰাজকুমাৰক মাতি আনি নৃত্য পটিয়সী গৰাকীৰ সুন্দৰী কন্যাৰ কথা জানিবলৈ দিলে আৰু ক'লে যে তিনিও ছমাহ জোৰা ভ্ৰমণত ওলাই ছোৱালীজনীৰ বাবে এনে এটা উপহাৰ আনিব লাগে যিটো উপহাৰ ৰাজ্যত কোনেও কেতিয়াও দেখা নাই । ৰজাই বিচাৰিলে তিনিও পুতেক আগেয়ে কেতিয়াও নোযোৱা ঠাইলৈ গৈ সেই উপহাৰৰ সন্ধান কৰক । সবাতোকৈ অনন্য উপহাৰ আনিব পৰা ৰাজকুমাৰলৈকে ছোৱালীজনীক বিয়া কৰাই অনা হ'ব ।

প্ৰশাসনিক তিক্ততাৰ পৰা আতৰি থাকিবলৈ পাই তিনিও ৰাজকুমাৰে ভালেই পালে । পিছদিনা পুৱা ঘোঁৰাৰ পিঠিত উঠি তিনিও ৰাজকুমাৰ ভ্ৰমণত ওলাল । ছমাহৰ পিছত ৰাজপ্ৰাসাদলৈ উভতি অহাৰ আগতে এঠাইত মিলিত হ'বলৈ ঠিক কৰি তিনিও ৰাজকুমাৰ তিনিটা বিভিন্ন দিশত ওলাই আহিল ।

আটাইতকৈ ডাঙৰ ৰাজকুমাৰ গ'ল পূব দিশে, দ্বিতীয়জন গ'ল পশ্চিম দিশে আৰু কনিষ্ঠতম ৰাজকুমাৰ গ'ল দক্ষিণ দিশে । একেৰাহে কেইবাদিনো ঘোঁৰাৰ পিঠিত গৈ জ্যেষ্ঠ ৰাজকুমাৰে বেলেগ বেলেগ ঠাইত সেই ঠাইৰ শিল্পকৰ্মৰ বিষয়ে মানুহক সোধা-মেলা কৰিলে । কিন্তু অসাধাৰণ একো বিচাৰি নাপাই তেওঁ হতাশ হ'ল । তেওঁ শুদা হাতে ঘূৰি আহিব লগা হ'ব পাৰে বুলি আশংকা কৰিলে ।

অৱশেষত তেওঁ এনে এখন ঠাই পালেগৈ য'ত কথাবোৰ অসাধাৰণ আছিল । সেই ঠাইৰ চৰাইবোৰে মানুহৰ দৰে কথা কয় আৰু একেজোপা গছতে বেলেগ বেলেগ প্ৰকাৰৰ ফল লাগে । এটা চৰাই ধৰাটো যিহেতু অসম্ভৱ আছিল আৰু গছৰপৰা বিভিন্ন ফল ছিঙি ৰাজপ্ৰাসাদলৈ লৈ অহাৰ যিহেতু কোনো যুক্তি নাই, ৰাজকুমাৰে প্ৰথমে মনলৈ অহা এই দুয়োটা ধাৰণাই বাদ দিলে যদিও ঠাইখনত ভালকৈ বিচাৰিলে আন কিবা অসাধাৰণ বস্তু পোৱা যাব বুলি তেওঁ আশা কৰিলে ।

তেওঁ এনে এজন মানুহক দেখিলে যি কিছুমান ধুনীয়া দলিচা বিক্ৰী কৰি আছিল । ঘোঁৰাৰ পৰা নামি ৰাজকুমাৰ মানুহজনৰ ওচৰলৈ আহিল । মানুহজনে ৰাজকুমাৰক



গৈয়ো এনে কোনো অসাধাৰণ বস্তু নাপালে যিটো নৃত্য পটিয়সী গৰাকীৰ যুৱতী কন্যাক উপহাৰ হিচাপে দিব পৰা যায় । গৈ গৈ তেওঁ এখন ঠাইত এনে এটা ঘৰ দেখিলে য'ত দুৱাৰ খিৰিকী আটাইবোৰ খোলা আছে কিন্তু ভিতৰত কোনো নাই ; লগতে সেই ঠাইত এনে কিছুমান দোকান আছে য'ত বিভিন্ন ধৰণৰ বস্তু বিক্ৰীৰ বাবে ৰখা হৈছে কিন্তু কোনো দোকানী নাই ।

এই আচৰিত দৃশ্য দেখি চিন্তা কৰি থাকোতেই ৰাজকুমাৰে দেখা পালে এজোপা চাপৰ গছত কেইটামান ডালিম লাগি আছে । তেওঁ এটা ডালিম ছিঙিবলৈ লৈছেহে মাত্ৰ তেনেতে ক'ৰপৰা এজন মালী ওলাই আদেশৰ সুৰত ক'লে, "ডালিম নিচিঙিবা !" ৰাজকুমাৰে সুধিলে, "কিয় ?" মালীয়ে উত্তৰ দিলে "এই গছৰ প্ৰতিটো ফলেই অমূল্য ।" কিন্তু কোৱাচোন মোক এটা ডালিমৰনো দাম কিমান ?" ৰাজকুমাৰে সুধিলে ।

মালীয়ে জনালে যে প্ৰতিটো ডালিমৰ মূল্য পাঁচ হেজাৰ টকা । মালীয়ে ক'লে যে এই ডালিমৰ যিকোনো বেমাৰ ভাল কৰিব পৰা এটা অসাধাৰণ গুণ আছে । কেৱল সেয়েই নহয়, কোনোবাই যদি ফলটো কাটি ভিতৰত পৰা মুকুতাৰ দৰে এটা গুটি উলিয়াই আনে, ফলটো লগে লগে বন্ধ হৈ যাব আৰু সেইটো এবাৰ কটাৰ কোনো চিনেই নাথাকিব । এইটো এটা অসাধাৰণ উপহাৰ হ'ব বুলি ভাবি ৰাজকুমাৰে এটা ডালিম কিনি ল'লে । তাৰপিছত ঘোঁৰাৰ পিঠিত উঠি ৰাজকুমাৰে ৰাজপ্ৰাসাদ অভিমুখে যাত্ৰা আৰম্ভ কৰিলে ।

এতিয়া, দক্ষিণ দিশত ওলোৱা কনিষ্ঠ

কেইখনমান দলিচা দেখুৱালে আৰু তাৰে এখন দলিচা ৰাজকুমাৰৰ খুব ভাল লাগিল । ৰাজকুমাৰে মানুহজনক সেইখনৰ দাম সুধিলে। দলিচাখন পাঁচ হেজাৰ টকাত বিক্ৰী কৰা হ'ব বুলি ৰাজকুমাৰক জনোৱা হ'লে । সেইখনৰ ইমান বেছি দাম কিয় সেই কথা ৰাজকুমাৰে জানিব খোজাত মানুহজনে জনালে যে এই খনত বহি কোনোবাই ক'ৰবাত যাব খুজিলে দলিচাখন উৰিবলৈ আৰম্ভ কৰিব আৰু তাত বহি থকা মানুহজনক তেওঁ য'লৈকে যাব খোজে তালৈকে লৈ যাব । আৰু একো কথা নাভাবি ৰাজকুমাৰে সেইখন কিনি ৰাজপ্ৰাসাদ অভিমুখে ঘূৰিল ।

দ্বিতীয় ৰাজকুমাৰে বেলেগ বেলেগ ঠাইলৈ

ৰাজকুমাৰ গৈ গৈ এনে এখন ঠাইত ওলালগৈ য'ত ঘৰবোৰ কাঁচেৰে তৈয়াৰী আৰু ঘৰৰ বাহিৰটো দাপোনৰ দৰে। মানুহবোৰেও খুব কোমল কাঁচৰ কাপোৰ পিন্ধে। এই কাঁচৰ কপোৰবোৰ জাপি থ'ব পাৰি, টানিব পাৰি আৰু ভাঁজ লগাব পাৰি।

এখন সৰু হাতত লৈ ফুৰিব পৰা দাপোণ ৰাজকুমাৰৰ খুব পচন্দ হ'ল আৰু তেওঁ জানিব পাৰিলে যে দাপোনখনৰ দাম হ'ল পাঁচ হেজাৰ টকা। দাম দেখি ৰাজকুমাৰে দোকানখন এৰি আহিব খোজোতেই তেওঁক কোৱা হ'ল যে এইখন দাপোণৰ এটা যাদুকৰী শক্তি আছে। এজন মানুহে সমুখত দাপোণখন ধৰি আনি কোনো মানুহ বা ঠাইৰ কথা ভাবিলে দাপোণখনে সেই মানুহজন বা ঠাইখন প্ৰতিফলিত কৰিব। ৰাজকুমাৰে দাপোণখন হাতত লৈ ককায়েকহঁতৰ কথা ভাবোতে দেখা পালে যে ককায়েকহঁত ইতিমধ্যেই ৰাজধানী অভিমুখে গৈ আছে। বিনাদ্বিধাই দাপোণখন কিনি ৰাজকুমাৰে ঘোঁৰাৰ পিঠিত উঠি তেওঁৰ ওভতনি যাত্ৰা আৰম্ভ কৰিলে। আৰু ককায়েকহঁতক লগ পাবলৈ বুলি খৰকৈ ঘোঁৰা চেকুৰাই দিলে।

তিনিও ৰাজকুমাৰ প্ৰায় একে সময়তে পূৰ্ব নিৰ্দ্ধাৰিত ঠাইখনত আহি লগ লাগিলহি। প্ৰত্যেকেই নিজৰ নিজৰ অভিজ্ঞতাসমূহৰ কথা কৈ থাকোতে হঠাতে তেওঁলোকে ভাবিলে যি সুন্দৰী যুৱতীৰ বাবে তেওঁলোকে উপহাৰ আনিছে তেওঁনো কেনেকুৱা এতিয়ালৈকেতো এজনেও দেখা নাই। কনিষ্ঠ ৰাজকুমাৰে তেতিয়া দাপোণখন হাতত লৈ সেই যুৱতীৰ কথা ভাবিলে। হঠাতে তেওঁ চিঞৰি উঠিল, "হে ভগৱান!"

আচৰিত হৈ তেওঁৰ দুয়ো ককায়েকে দাপোনখন জুমি চাই সেই যুৱতীৰ প্ৰতিবিম্ব দেখিলে। অসুস্থ হৈ বিচনাত পৰি থকা যুৱতীৰ কাষতে বহি আছে চিন্তিত মাক। মাকে জীয়েকক কিবা এটা পনীয়া ঔষধ খুৱাবলৈ যত্ন কৰি আছে। দ্বিতীয় ৰাজকুমাৰৰ তেতিয়া তেওঁ লগত অনা ডালিমটোৰ কথা আৰু তাৰ ঔষধি গুণৰ কথা মনত পৰিল। "মই তৎমুহূৰ্ত্তে তেওঁৰ ওচৰলৈ গৈ এইটো ডালিমৰ এটা গুটি খোৱাব পৰাহেঁতেন যুৱতী গৰাকী ততালিকে সুস্থ হৈ উঠিলেহেঁতেন। কিন্তু ইমান সোনকালে মইনো তেওঁৰ ওচৰলৈ যাওঁ কেনেকৈ?" ৰাজকুমাৰে ক'লে।

এইবাৰ যুৱতীৰ বাবে কি উপহাৰ আনিছে সেই কথা জনোৱাৰ পাল জ্যেষ্ঠ ৰাজকুমাৰৰ। তেওঁ নিজৰ দলিচাখন মেলি ধৰিলে আৰু

ভায়েকইতক তাতে বহিবলৈ ক'লে । দলিচাখন উৰিবলৈ আৰম্ভ কৰিলে আৰু সোনকালেই তিনিও ৰাজকুমাৰক নি সেই ঘৰটো পোৱালেগৈ য'ত বাস কৰিছিল নৃত্য পটিয়সী গৰাকী আৰু তেওঁৰ দুহিতা । মহিলা গৰাকীয়ে খুব ভাল পালে যেতিয়া তেওঁ গম পালে যে তেওঁলোকে তেওঁৰ জীয়েকক আৰোগ্য কৰিব পাৰিব ।

দ্বিতীয় ৰাজকুমাৰে ডালিমটো কাটি কেইটামান গুটি উলিয়াই ল'লে আৰু যুৱতী গৰাকীক খাবলৈ দিলে । গুটিকেইটা খাই যুৱতীয়ে নিজৰ চকু দুটা মুদি দিলে । পিছ মুহূৰ্ত্তে এমোকোৰো হাঁহিৰে তাই উঠি বহিল আৰু ক'লে, "মোৰ বেমাৰ নোহোৱা হ'ল।"

মাকে তিনিও যুৱকক ধন্যবাদ জনালে আৰু তেওঁলোকে জানি-শুনি মাকক এই কথা জানিবলৈ দিয়া নাছিল যে তেওঁলোক দৰাচলতে ৰাজকুমাৰহে আৰু তেওঁলোকৰেই এজনে যুৱতীগৰাকীক বিয়া কৰাব । মাক-জীয়েকে তিনিওকে বিদায় সম্ভাষণ জনালে । তিনিও ৰাজকুমাৰে দলিচাখনত উঠি নিজৰ নিজৰ ঘোঁৰা ৰাখি থৈ যোৱা ঠাইটুকুৰালৈ ঘূৰি আহিল আৰু তাৰ পিছত ৰাজপ্ৰাসাদ অভিমুখে যাত্ৰা আৰম্ভ কৰিলে ।

ৰাজপ্ৰাসাদত উপস্থিত হৈ তেওঁলোকে ৰজাক দেখা কৰিলে আৰু কি পৰিস্থিতিত তেওঁলোক যুৱতীগৰাকী আৰু মাকৰ ওচৰলৈ যাব লগীয়া হ'ল সেই কথা দেউতাকক বিৱৰি ক'লে । এতিয়া ৰজাই এটা বাচনি কৰি এই কথা ঠিক কৰিব নোৱাৰা হ'লে যে তেওঁৰ কোনজন পুত্ৰই যুৱতীগৰাকীক বিবাহৰ প্ৰস্তাৱ দিয়া উচিত । তেওঁ ভাবিলে যে যুৱতী আৰু মাকক ৰাজসভালৈ মাতি পঠিওৱা হ'ব আৰু তেওঁলোকেই বাচনি কৰিব দৰা কোন হ'ব ?

মাক আৰু ছোৱালীজনী ৰাজসভালৈ সোমাই অহাৰ লগে লগে ৰজাই তেওঁলোকক সসন্মানে আদৰি আনিবলৈ নিৰ্দেশ দিলে আৰু মন্ত্ৰী আৰু সভাসদসকলৰ উপস্থিতিতে ৰজাই ৰাজকুমাৰসকল আৰু তেওঁলোকৰ ৰোমাঞ্চকৰ অভিযানৰ কথা ক'বলৈ ধৰিলে।

মাক আৰু যুৱতীগৰাকীৰ ফালে চাই ৰজাই ক'লে, "আপোনালোকৰ ঘৰলৈ যাওঁতে মোৰ ল'ৰাহঁতে নিজৰ পৰিচয় গোপনে ৰাখিছিল যদিও আপোনালোকে ইতিমধ্যে কৃতজ্ঞতা ব্যক্ত কৰিছেই । যদিহে আপোনালোকে গোটেইটো ঘটনা এবাৰ জুকিয়াই চায় তেন্তে দেখিব, মোৰ কনিষ্ঠ পুত্ৰই দাপোনত নোচোৱা হ'লে, মোৰ ল'ৰাহঁতে

গমেই নাপালে হয় ছোৱালীজনীৰ অসুস্থতাৰ কথা। হাতত থকা ডালিমৰ ঔষধি গুণৰ কথা জনা মোৰ মাজু পুত্ৰই ইমান সোনকালে গৈ আপোনালোকৰ ঘৰ ওলাব নোৱাৰিলে হয় যদিহে মোৰ ডাঙৰ পুত্ৰৰ দলিচাত তেওঁলোক উৰি নগ'লহেঁতেন। এতিয়া আপুনি নিশ্চয় বুজি পাইছে যে ছোৱালীজনী সুস্থ কৰি তোলাত মোৰ তিনিওজন পুত্ৰৰ সমান অৱদান আছে। এতিয়া মোৰ তিনিটা ল'ৰাৰ মাজৰপৰা নিজৰ জোঁৱায়েক হিচাপে আপুনিয়েই এজনক বাচি লওক।"

এই বুলি কৈ ৰজাই তিনিওজন ৰাজকুমাৰক ৰাজসভালৈ মাতি পঠিয়ালে। নৃত্য পটিয়সী গৰাকী আৰু তেওঁৰ কন্যাই এইবাৰ ৰাজকুমাৰৰ পোচাকত তিনিও যুৱকক দেখি আনন্দিত হ'ল।

এক মুহূৰ্ত্তৰ বাবে তেওঁলোকে তিনি সুদৰ্শন যুৱকৰ পৰা নিজৰ চকু আতৰাই আনিব নোৱাৰিলে। মাকে ৰজাৰ ফালে চাই ক'লে, মহাৰাজ, মোৰ ছোৱালী সুস্থ হৈ উঠাত প্ৰধানকৈ কৃতিত্বৰ দাবী কৰিব পাৰে আপোনাৰ দ্বিতীয় পুত্ৰই। তেওঁৰ হাতত সেই যাদুকৰী ডালিম নথকা হ'লে মোৰ ছোৱালীৰ মৃত্যুৱেই ঘটিলেহেঁতেন।

মই নিশ্চিত যে এই কথাত মোৰ ছোৱালী মোৰ সৈতে একমত হ'ব যে আপোনাৰ দ্বিতীয় পুত্ৰইহে নিজকে ভাল জোঁৱাই বুলি প্ৰমাণ কৰিছে আৰু স্বামী হিচাপে তেওঁ বৰ মৰমিয়ালো হ'ব।

ইমান সময়ে নীৰৱে থকা ছোৱালীজনীয়ে দ্বিতীয় ৰাজকুমাৰৰ ফালে এবাৰ চালে আৰু অনুভৱ কৰিলে যে তেওঁক আগতকৈয়ো বেছি সুদৰ্শন দেখা গৈছে। ৰাজকুমাৰৰ ফালে মিচিকিয়া হাঁহি এটা মাৰি তেওঁ ক'লে, "মা, মই তোমাৰ সৈতে একমত।" তাইৰ মুখত লাজলাজ ভাবটো ফুটি উঠিল।

ৰজাই খুব ভাল পালে যে ছোৱালীজনী দেখা পোৱাৰ আগতে দ্বিতীয় পুতেকক তেওঁৰ সংগীত আৰু চিত্ৰকলাৰ প্ৰতি থকা আগ্ৰহৰ বাবে তেওঁলোক ছোৱালীজনী বিয়া কৰি আনিম বুলি ৰজাই ভাবিছিল। ৰজাই ঘোষণা কৰিলে: "যিহেতু মোৰ দ্বিতীয় পুত্ৰৰ বিয়া প্ৰথমতে হ'ব সেয়ে তেওঁৰ পত্নীয়ে ৰাণীৰ মৰ্য্যাদা পাব।"

আৰু নৃত্য পটিয়সীগৰাকীয়ে ঠিক তাকেই কামনা কৰিছিল। ডাঙৰকৈ বিয়াখন হৈ যোৱাৰ পাছত মাকো ৰাজপ্ৰাসাদত থাকিম বুলি আহিলে। তাত তেওঁক সকলোৱে পৰম শ্ৰদ্ধাৰে আদৰনি জনালে।

অল্প বিদ্যা ভয়ঙ্কৰী

কমলপুৰৰ নিবাসী বিদ্যানাথৰ এই কথাত পূৰা বিশ্বাস আছিল যে যি কোনো বিদ্যাই তেওঁ সহজেই শিকিব পাৰিব আৰু অন্যৰ দৰে তাৰ বাবে তেওঁ কঠোৰ পৰিশ্ৰম কৰাৰ কোনো প্ৰয়োজন নাই।

প্ৰথমে কিছু দিন তেওঁ বেদ শিকিলে। পিছত তেওঁ সংগীত, কবিৰাজী, জ্যোতিষ ইত্যাদি শিকি গ'ল। এইবোৰ বিদ্যাত একোতেই তেওঁ পাৰ্গত হ'ব নোৱাৰিলে। সেয়েহে মানুহে তেওঁৰ অল্পবিদ্যাৰ বিষয়ে নিজৰ ভিতৰতে কথা-বতৰা পাতিছিল আৰু ঠাট্টা-মস্কৰাও কৰিছিল। কিন্তু বিদ্যানাথে ভাবিছিল যে মানুহে ঈৰ্ষাতে জ্বলি এনেকুৱা কথা কৈছে আৰু তেওঁলোকৰ কথাত সাৰ নাছিল। তেওঁ কেতিয়াবা আনকি ভাবিছিলো যে য'ত তেওঁৰ বিদ্যাৰ, পাণ্ডিত্যৰ আদৰ নাই তাত থকাও উচিত নহয়।

তেওঁৰ মাক দেউতাকে নিজৰ পুত্ৰৰ অপূৰ্ণ বিদ্যাক লৈ চিন্তিত আছিল। তেওঁৰ ভৱিষ্যতক লৈ বৰ চিন্তান্বিত হৈ পৰিছিল। সেই দিনা বিদ্যানাথৰ মাহীয়েকে বিবাহৰ প্ৰস্তাৱ লৈ তেওঁলোকৰ ঘৰলৈ আহিল। বিদ্যানাথৰ মাকে নিজৰ পুত্ৰৰ ব্যৱহাৰ পাতিব বিৱৰণ বৰ দুখেৰে দিলে। কিন্তু, তেওঁৰ মাহীয়েকে ক'লে, "বিবাহ হৈ যাওক, তাৰ পিছত সকলো ঠিক হৈ যাব। মই যিজনী ছোৱালীৰ প্ৰস্তাৱ লৈ আহিছো, তাইৰ নাম প্ৰিয়ম্বদা। তাই বৰ ধুনীয়া আৰু খবৰদাৰী। বিদ্যানাথৰ উপযুক্ত পত্নী। তাই তাক ভাল পথেই নিব।"

বিদ্যানাথৰ মাক-দেউতাকে পুতেকক বিয়াৰ বাবে মান্তি কৰালে আৰু প্ৰিয়ম্বদাৰ লগত বিয়া পাতি দিলে। শহুৰৰ ঘৰলৈ অহাৰ কেইদিনমানৰ ভিতৰাত প্ৰিয়ম্বদাই নিজৰ স্বামীৰ অকৰ্মণ্যতা বুজি পালে। তাই বুজি পালে যে নিসন্দেহে তাইৰ স্বামী বুদ্ধিমান কিন্তু তাৰ আত্মবিশ্বাস প্ৰয়োজনতকৈ অধিক। সেই কাৰণেই তাৰ স্থিৰতা অহা নাই।

বিনয় ৰস্তোগী

এদিন প্ৰিয়ম্বদাই পানী আনিবলৈ ওলাল। তেওঁ নিজৰ স্বামীকো লগত ওলাবলৈ ক'লে। বিদ্যানাথৰ যাবৰ মন নাছিল । কিন্তু অনিচ্ছাসত্বেও সি যাব লগা হ'ল । ৰাস্তাত সি দেখা পালে কাইটীয়া জোপোহাৰ ওচৰত এটা ল'ৰা পৰি আছে, চট্‌ফটাব ধৰিছে আৰু তাৰ মুখেদি ফেন ওলাব ধৰিছে । প্ৰিয়ম্বদাই ক'লে, "নিশ্চয় সাপে খুটিলে ।"



ইমান সময়ে বিদ্যানাথে ওচৰৰে গছৰ পৰা পাত ছিঙি লৈ আহিল, তাৰ ৰস চেপি মুখত বাকি দিলে । যি ঠাইত সাপে খুটিছিল তাতো সি ৰস চেপি দিলে । পোন্ধৰ মিনিটৰ ভিতৰতে ল'ৰাটো উঠি থিয় দিলে । তাকে দেখি প্ৰিয়ম্বদাই নিজৰ স্বামীৰ বেজালি বিদ্যা বিশ্বাস কৰিলে ।

এই ঘটনাৰ এসপ্তাহৰ পিছত ওচৰৰে গাৱঁত সংগীতজ্ঞ সকলৰ এখন সভা হৈছিল। প্ৰিয়ম্বদা স্বামীৰ লগত তালৈ গ'ল । সংগীতৰ অনুষ্ঠান সূচী সমাপ্ত হোৱাৰ আগতেই বিদ্যানাথে প্ৰিয়ম্বদাৰ আগত নিজৰ অসন্তুষ্টি জনাই ক'লে, "এই সংগীতজ্ঞ জনৰ সংগীত শুদ্ধ হোৱা নাই । না তাত তাল আছে, না লয় ।" কৈয়েই তেওঁ থিয় হ'ল ।

বাধ্য হৈ প্ৰিয়ম্বদাই নিজৰ স্বামীৰ লগত যাব লগা হ'ল । বাটত তেওঁ স্বামীক এটা গীত গাবলৈ অনুৰোধ জনালে । অতি মধুৰ কণ্ঠেৰে বিদ্যানাথে মোহন ৰাগত এটা গীত গালে ।

প্ৰিয়ম্বদাৰ সেইটো বৰ ভাল লাগিল। তেওঁ স্বামীক ক'লে, "এই বিদ্যাত আৰু কিছু প্ৰবীনতা আপুনি আয়ত্ব নকৰে কিয় ? তেতিয়া আপুনি এজন মহান সংগীতজ্ঞ হ'ব পাৰিব ।"

"মহান সংগীতজ্ঞ হ'বলৈ কি কি যোগ্যতা লাগে, তুমি কোৱাচোন," বিদ্যানাথে ওলোটাই প্ৰশ্ন কৰিলে ।

"বচ, কোনো ডাঙৰ সংগীতজ্ঞৰ শিষ্য হৈ লওক ।" প্ৰিয়ম্বদাই ক'লে ।

"মোতকৈ যদি কোনো ডাঙৰ সঙ্গীতজ্ঞ থাকিলহেঁতেন তেন্তে সেই প্ৰশ্নটো উঠিল হেতেন ।" এইদৰে কৈ বিদ্যানাথ আগবাঢ়িল।

স্বামীৰ উত্তৰ শুনি তেওঁ কিমান অহঙ্কাৰী প্ৰিয়ম্বাদাই গম পালে ।

পিছদিনা প্ৰিয়ম্বদাৰ মাকৰ ঘৰৰ পৰা এজন লগুৱা আহিল । তাইৰ মাকে তাইলৈ কিবা ৰন্ধা বস্তু পঠাইছিল তাকে দিবলৈ আহিছিল । তাইৰ মাক-দেউতাকে লগুৱা জনক কৈ পঠাইছিল যে ঘূৰি যাওঁতে জীয়েকৰ

পৰা এখন চিঠি লৈ যাব, য'ত জীয়েকৰ ভাল-বেয়াৰ খবৰ লিখা থাকে । প্ৰিয়ম্বদাই লগুৱা-জনক খুৱালে আৰু তাক পুৱাহে যাবলৈ ক'লে ।

ৰাতি সকলো কাম কৰি উঠাৰ পিছত তেওঁ এখন চিঠি লিখিলে আৰু শুই পৰিল । বিদ্যানাথে পত্নীৰ ভাষা-জ্ঞান জানিবলৈ উৎকণ্ঠিত হৈ পৰিল । তেওঁ চিঠিখন পঢ়িবলৈ ধৰিলে ।

"ইয়াত সকলোৰে ভালেই বুলি লিখাৰ পিছত প্ৰিয়ম্বদাই লিখিছে," মোৰ স্বামীদেৱ ৰুচিকৰ খাদ্যত ব্যৱহাৰ হোৱা উপকৰণৰ দৰে নিজৰ গুণৰ বিষয়ে নিজে একো নাজানে । যি খায়, তেওঁহে সেই তৃপ্তিৰ বিষয়ে গম পায় । মোৰ স্বামীও ঠিক তেনেকুৱাই । তেওঁ এজন ভাল বৈদ্য, সংগীতজ্ঞ আৰু জ্যোতিষীও । কিন্তু এই সকলোবোৰ ইটো সিটোৰ প্ৰতিবন্ধক স্বৰূপ । সেই কাৰণে আপোনাৰ জোঁৱাইয়ে কোনো বিদ্যাতে সফল আৰু সমৰ্থৱান হ'ব পৰা নাই । আশীৰ্বাদ দিয়ক যে সেই দিনটো আহক, যিদিনা মই গৰ্বেৰে ক'ব পাৰো যে মই এজন সম্পূৰ্ণ বিদ্বান পুৰুষৰ পত্নী ।"

বিদ্যানাথে গোটেই চিঠিখন মনোযোগেৰে পঢ়িলে । এতিয়া তেওঁ নিজৰ ক্ৰটীবোৰ বুজি পালে । যিগৰাকী পত্নীয়ে আজিলৈকে তেওঁক নিন্দাসূচক এটা শব্দও কোৱা নাই, তেওঁৰ অন্তৰত লুকাই থকা দুখ তেওঁ বুজি পালে । বিদ্যাধৰে বেজালি বৃত্তি ভাল পাইছিল । এই বিদ্যা অন্যৰ সেৱাৰ কামতো আহে । সেয়েহে তেওঁ সিদ্ধান্ত কৰিলে এই বিদ্যাত মই নিপুণ হ'ম আৰু অন্যৰ সেৱাত ব্ৰতী হ'ম ।"

বিদ্যানাথে সেই ৰাতি শুব নোৱাৰিলে । পিছদিনা পুৱাই উঠি তেওঁ পত্নীক ক'লে, "প্ৰিয়ম্বদা, তোমাৰ বেদনা মই গম পালো । তুমি মোৰ চকু মেল খুৱালা । সেইদিনা মই মোৰ বেজালি বিদ্যাৰ বলতে মই ল'ৰাটিৰ প্ৰাণ দিব । সেয়ে পাৰিলোঁ সেই বিদ্যাৰ শিক্ষা এবছৰলৈকে গুৰুৰ পৰা ল'ম । তেতিয়ালৈকে আমি আতঁৰে-আতঁৰে থাকিব লাগিব ।"

বিদ্যানাথৰ এই পৰিবৰ্ত্তনত প্ৰিয়ম্বদা আৰু মাক-দেউতাক সুখী হ'ল ।

বিদ্যানাথে সেই পুৰণা বৈদ্যজনৰ ওচৰত এবছৰৰ শিক্ষা ল'লে আৰু এবছৰৰ অন্তত এজন সফল বৈদ্য হৈ ঘৰলৈ ঘূৰি আহিল ।



পাঠকৰ বাবে গল্প প্ৰতিযোগিতা

শ্ৰেষ্ঠ চিঠিখনৰ বাবে ২৫০ টকা

তলত দিয়া গল্পটো পঢ়া :

দুজন পথচাৰীয়ে ৰাস্তাত কাজিয়া কৰিছিল । তেওঁলোকৰ প্ৰায় হতাহতি হওঁ-হও এনেতে বাটেদি যোৱা মানুহে হস্তক্ষেপ কৰিলে । আৰু তেওঁলোকক আদালতলৈ লৈ আহিলে । "এওঁ মোৰ হীৰাৰ আঙঠিটো চাব খুজিলে । যেতিয়া মই তেওঁক সেইটো চাবলৈ দিলো তেওঁ ওলোটাই ক'লে যে সেইটো তেওঁৰ আৰু মোক ঘূৰাই দিবলৈ অমান্তি হ'ল ।" এজনে অভিযোগ কৰিলে ।

দ্বিতীয়জনে বিচাৰকক ক'লে, "ডাঙৰীয়া, এইটো মোৰ, আৰু মই তেওঁক কেৱল চাবলৈহে দিছিলো ।"

বিচাৰকে আঙঠিটো নিজৰ আঙুলিৰ মাজত ধৰি থাকিল । "হে ভগৱান ! এইটো দেখোন ৰজাৰ হেৰোৱা আঙঠিটো এইটো যিয়েই চুৰ কৰিছে তাৰেই শিৰচ্ছেদ কৰা হ'ব । কোৱা ! এইটো কোনে চুৰ কৰিছিল ?"

পথচাৰী দুজনৰ যিকোনো এজনে কি বুলি উত্তৰ দিব ? আৰু বিচাৰকে সত্যটো কেনেকৈ উদ্ঘাটন কৰিব ?

তোমাৰ উত্তৰ এশৰ পৰা এশ পঞ্চাশটা শব্দৰ ভিতৰত লিখা আৰু ওপৰত "গল্প প্ৰতিযোগিতা" বুলি লিখি এটা খামৰ ভিতৰত আমালৈ পঠিয়াবা । লগতে তলত দিয়া কুপনখন গাথি পঠিয়াবা ।

শেষ তাৰিখ : ৩০ এপ্ৰিল, ২০০৪

নাম.................................. বয়স............. জন্মৰ তাৰিখ..................

স্কুল.. শ্ৰেণী............

ঘৰৰ ঠিকনা..

....পিন নম্বৰ................

অভিভাৱকৰ চহী প্ৰতিযোগীৰ চহী

চান্দমামা ইণ্ডিয়া লিমিটেড

৮২, ডিফেন্স অফিচার্চ কলনী, একাডুথাংগাল, চেন্নাই - ৬০০০৯৭.

মৰুভূমিৰ পানী

সুপ্ৰাচীন কালত কাশীৰ ৰজা আছিল ব্ৰহ্মদত্ত। তেতিয়া সাৰ্থবাহ বংশত বোধিসত্ত্বই জন্মগ্ৰহণ কৰিছিল । ডাঙৰ হোৱাৰ পাছত বোধিসত্ত্ব এজন ডাঙৰ ব্যৱসায়ী হ'ল । পাঁচশখন গাড়ীত বোজাই কৰি ব্যৱসায়ৰ সামগ্ৰী লৈ ওলাইছিল আৰু আকৌ বিভিন্ন ঠাইৰপৰা বস্তু-সামগ্ৰী লৈ উভতি আহিছিল।

এবাৰ তেওঁ ষাঠি যোজন বিয়পা বিশাল মৰুভূমিৰ মাজেদি তেওঁ গাড়ীৰে সৈতে আহি আছিল । বেলি ওলোৱাৰ পাছত মৰুভূমিৰ বালি জুইৰ দৰে তপত হৈছিল । সেয়েহে, বালিৰ ওপৰেদি অহা-যোৱা কৰা বৰ কষ্টকৰ আছিল । এই মৰুভূমি পাৰ হ'বলৈ হ'লে বহুদিনৰ খাদ্য আৰু বিশেষকৈ খোৱাপানী লগত ল'বলগীয়া হৈছিল । ৰাতিৰ পৰতে মৰুভূমি পাৰ হৈছিল আৰু দিনৰ ভাগত কোনোবা এঠাইত জিৰণি লৈছিল । সাগৰলৈ ওলোৱা যাত্ৰীসকলেও যেনেকৈ খাদ্য আৰু পানীয় লগত লৈ যায় আৰু তৰাৰ গতিবিধি লক্ষ্য কৰি কৰি আগবাঢ়ে, ঠিক তেনেকৈয়ে মৰুভুমি পাৰ হ'ব লাগে ।

ৰাতি পুওৱাৰ লগে লগেই এঠাইত ৰৈ দিয়ে, আৰু তাতে বন্ধা-বঢ়া কৰি খাই-বৈ গাড়ীৰ তলত জিৰণি লয়।

বোধিসত্ত্বয়ো লাগতিয়াল বস্তু-সামগ্ৰী লৈ মৰুভূমিৰ মাজেদি আগবাঢ়ি গৈ থাকিল । তেতিয়া ষাঠি যোজনৰ মাজত আৰু মাত্ৰ এযোজন বাট যাবলৈ বাকী আছে--এই কথা চিন্তা কৰি বোধিসত্ত্বই তেওঁৰ অনুচৰহঁতক পানী আৰু কুঁহিয়াৰ পেলাই দি গাড়ীৰ বোজা পাতলাবলৈ ক'লে । গাড়ীৰ বোজা পাতলাব পাৰিলে এযোজন বাট অতি সহজতে তেওঁলোক পাৰ হ'ব পাৰিব--এই কথা ভাবিয়েই বোধিসত্ত্বই সেই আদেশ দিলে।

পথ-প্ৰদৰ্শক মানুহজন থাকে একেবাৰে আগশাৰীত। তেওঁ ওৰে ৰাতি তৰা চাই চাই গাড়ীবোৰ কোনফাললৈ আৰু কেনেকৈ লৈ যাব চিঞৰি চিঞৰি কয়।

কিন্তু সেই নিশা পথ-প্ৰদৰ্শকজন টোপনিৰহীয়া হৈ পৰিল। টোপনিত তেওঁ লালকাল দিলে আৰু মৰুভূমিৰ একমাত্ৰ বাহক উটবিলাক পোনে পোনেই গৈ থাকিল। পথ-প্ৰদৰ্শকে নোকোৱালৈকে উটবোৰে সদায় পোন বাটেৰে গতি কৰে।

ৰাতি পুৱাল। পথ-প্ৰদৰ্শকেও সাৰ পালে। আৰু সাৰ পোৱাৰ লগে লগেই তেওঁ উচপ খাই উঠিল। তেওঁ দেখিলে যে কালি নিশা যিটো বাটেৰে আহিছিল, গাড়ীবোৰ এতিয়া সেই বাটেৰে উভতি গৈ আছে! তেওঁ তেতিয়াই চিঞৰি দিলে, "গাড়ীবোৰ ঘূৰাই দিয়া!" লগে লগে গাড়ীবোৰে বিপৰীতমুৱা হৈ গতি ল'লে।

কিন্তু হ'বলগীয়া কাণ্ড হৈ গ'ল। ৰাতিপুৱা তেওঁলোকে দেখা পালে যে আগ দিনা তেওঁলোক য'ত আছিল, আজিও তাতেহে আছে! তেতিয়া তেওঁলোকৰ গাড়ীত পানীও নাই, কুঁহিয়াৰো নাই। ওৰে ৰাতি গাড়ী চলোৱাৰ ফলত তেওঁলোক বৰকৈ ভাগৰি পৰিছিল। গাড়ীৰ তলত শুই সকলোটিয়েই ক্ষন্তেকতে টোপনিত লালকাল হৈ পৰিল।

কিন্তু বোধিসত্ত্ব সাৰে থাকিল। তেওঁ ভাবিলে : ময়ো যদি নিদ্ৰামগ্ন হওঁ, তেনেহ'লে আন সকলোটিৰ দৰে মোৰ মৃত্যুও অনিবাৰ্য্য। বোধিসত্ত্বই অকলে অকলে পানীৰ সন্ধানত ওলাল। এঠাইত

সৰু সৰু গছ-গছনি দেখা পাই তেওঁ ভাবিলে: ইয়াত ওচৰে-পাঁজৰে ক'ৰবাত পানী নথকাহেঁতেন ইমান সুন্দৰ সেউ-জবুলীয়া গছ-গছনি নিশ্চয় নগজিলহেঁতেন। এই বুলি ভাবি তেওঁ তেওঁৰ লগত লৈ অহা এটি ল'ৰাক জোপোহাৰ ওচৰত মাটি খান্দিবলৈ ক'লে। কিছু সময় ধৰি খন্দাৰ পাছত বালিৰ তলত ঘটংকৈ শব্দ এটা উঠিল। বালিৰ তলত শিল আছে নিশ্চয়--আৰু শিলৰ তলত পানী নিশ্চয়েই পোৱা যাব বুলি ভাবি সকলোটিৰ মনত উৎসাহৰ সৃষ্টি হ'ল।

বোধিসত্ত্বই শিলৰ ওপৰত কাতি হৈ কাণ পাতি শিলৰ তলেদি পানীৰ প্ৰবাহৰ দৰে শব্দ শুনিলে।

তাৰ পাছত তেওঁ সকলোটিক ক'লে, "এতিয়া আমি সকলোৱে মিলি এই শিলচটা যেনেতেনে উঠাব লাগিব বা ভাঙি পেলাব লাগিব। নহ'লে পানীৰ অভাৱত আমাৰ মৃত্যু হ'ব।"

কিন্তু বোধিসত্ত্বৰ কথাত কোনেও গুৰুত্ব নিদিয়া হ'ল। এই দিগন্ত-বিয়পা সীমাহীন বালিময় উত্তপ্ত মৰুভূমিত পানী থকাৰ কথা কোনেও ভাবিব নোৱাৰিলে।

যি কি নহওক, বোধিসত্ত্বৰ নিৰ্দেশমতে শিলচটা টুকুৰা-টুকুৰ কৰি পেলোৱা হ'ল। লগে লগে হৌ হৌ কৰে পানী ওলাবলৈ ধৰিলে। উটবিলাককো পেট পূৰাই পানী পানী খুউৱা হ'ল। পৰিপাটীকৈ বন্ধা-বঢ়া কৰা হ'ল আৰু সেইদিনা সকলোটিয়েই পেট ভৰাই খালে।

এই ঠাইত থকা পানীৰ উহটোৰ কথা যাতে যিকোনো বাটৰুৱাই বুজি পাব পাৰে তাৰ বাবে সেই ঠাই পৰিত্যাগ কৰাৰ আগতে বোধিসত্ত্বই মৰুভূমিৰ তৃষ্ণাৰ্ত যাত্ৰীসকলৰ কাৰণে এটা বিশেষ চিন পুতি থৈ গ'ল। তাৰ পাছত তেওঁলোকে ৰংমনে তেওঁলোকৰ গন্তব্যস্থল পালেগৈ।

বোধিসত্ত্বই লৈ যোৱা বস্তু-সামগ্ৰীবোৰ বেচি, যথেষ্ট লাভ কৰি, লাভৰ ন্যায্য অংশ অনুচৰসকলৰসকলৰ মাজত ভগাই দি, আকৌ মৰুভূমি পাৰ হৈ ঘৰলৈ উভতি আহিল।

বিষ্ণুকথা

ক্ষীৰসাগৰ মন্থনৰ কালত ৰাক্ষসসকল আৰু দেৱতাসকলে একেলগে বন্ধুৰদৰে নিজৰ সমস্ত শক্তি প্ৰয়োগ কৰিছিল । ৰাক্ষসসকলে যিমান শক্তি প্ৰয়োগ কৰিছিল, দেৱতাসকলে তাতোকৈ অধিক শক্তি প্ৰয়োগ কৰিবলৈ চেষ্টা কৰা দেখা গৈছিল । ইমান প্ৰচণ্ড দুই শক্তিৰ টনাআঁজোৰা সহিব নোৱাৰি বাসুকীয়ে তাৰ অসংখ্য মুখেদি বিষ বঁতিয়াই থাকিল ।

সেই বিষৰ প্ৰতিক্ৰিয়া দেখা দিলে ৰাক্ষসসকলৰ মাজত । কিয়নো, কৌশল কৰি বাসুকীৰ মুখ থকা ফালতে ৰাক্ষসসকলক টনা-আঁজোৰা কৰিবলৈ কোৱা হৈছিল । দেৱতাসকলৰ এই কৌশলৰ কথা ৰাক্ষসসকলে তেতিয়া ধৰিব পৰা নাছিল। বাসুকীৰ মুখৰপৰা ওলোৱা বিষে ৰাক্ষসসকলক পুৰি ভস্ম কৰি পেলাবলৈ ধৰিলে । সেই অপৰিমেয় বিষৰ প্ৰভাৱত সকলো লোক আতংকিত হৈ পৰিল । মন্দৰপৰ্বত সমুদ্ৰৰ গভীৰত অনুপ্ৰবিষ্ট হ'বলৈ ধৰিলে । তেতিয়া আতংক-আশংকাৰ কবলত পৰি সৰ্বলোকে দেৱাদিদেৱ শিৱৰ আৰাধনা কৰি থাকিল ।

শিৱই সৰ্বলোকৰ প্ৰাৰ্থনাৰ প্ৰতি সন্মান জনাই সমস্ত বিষ নিজ কণ্ঠেৰে পান কৰি জগত-সংসাৰক ধ্বংসৰপৰা ৰক্ষা কৰিলে । ইমান বিষ নিজৰ কণ্ঠত ধাৰণ কৰাৰ পাছৰপৰা শিৱৰ অন্য নাম হ'ল নীলকণ্ঠ ।

সকলো লোক বিষৰ প্ৰভাৱৰপৰা ৰক্ষা পৰিল, কিন্তু পৰ্বত নিমজ্জিত হোৱাৰ ফলত দেৱতাসকলে বিষ্ণুৰ উদ্দেশ্যে প্ৰাৰ্থনা কৰিলে। বিষ্ণুৱে কূৰ্ম অৱতাৰ ধাৰণ কৰি মহাসমুদ্ৰত নিমজ্জিত পৰ্বতক আকৌ ওচৰলৈ

অৱশেষত অমৃতৰ সন্ধান পোৱা হ'ল । আয়ুৰ্বেদৰ বিধান অনুসাৰে বিষ্ণুৱে ধন্বন্তৰী অৱতাৰ ধাৰণ কৰি কৰ্তব্য সমাপনৰ অন্তত পদ্মাসনত বহি সমুদ্ৰৰপৰা উঠি আহিল ।

ৰাক্ষস আৰু দেৱতাসকলৰ মিলিত প্ৰচেষ্টাত অশেষ শ্ৰমৰ ফলত অমৃত লাভ হৈছিল । ধন্বন্তৰীয়ে যিটো কলহত অমৃত সাঁচি থৈছিল, সেই কলহটোক ৰাক্ষসসকলে নিজৰ বুলি দাবী জনালে । তাৰ ফলত ৰাক্ষস আৰু দেৱতাগণৰ মাজত বিবাদৰ সৃষ্টি হ'ল । সেই বিবাদে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ শেষ মুহূৰ্তত সন্মোহিনী শক্তি-সম্পন্না জগন্মোহিনীৰ আবিৰ্ভাৱ হ'ল । জগন্মোহিনীক দেখা পাই ৰাক্ষসসকল ম্ৰিয়মান হৈ পৰিল । তেওঁলোক জগন্মোহিনীৰ হাতৰ পুতলা যেন হৈ পৰিল ।

জগন্মোহিনীয়ে ৰাক্ষসসকললৈ চাই ক'লে, "অমৃতৰ সেই কলহটো মোক দিয়াঁ, মই ভগাই দিম ।"

জগন্মোহিনীৰ কথা শুনি ৰাক্ষসসকলে ধন্য মানিলে । তেওঁলোকে অমৃতৰ কলহটোক জগন্মোহিনীৰ হাতত গটাই দিলে।

ৰাক্ষসসকল এফালে বহিল, আনফালে বহিল দেৱতাসকল । দুয়ো পক্ষৰ মাজেদি জগন্মোহিনীয়ে নৃত্যছন্দেৰে আলফুলে খোজ কাঢ়ি গৈ থাকিল । তেওঁৰ কঁকালত আছিল অমৃতৰ কলহ । জগন্মোহিনীৰ কাৰ্য্যক্ৰম চাবলৈ দেৱতাগণ উৎসুকভাৱে ৰৈ আছিল, আৰু জগন্মোহিনীৰ অপৰূপ সৌন্দৰ্য্যমণ্ডিত ৰূপমুগ্ধ ৰাক্ষসকল তন্ময় হৈ বহি আছিল ।

জগন্মোহিনী যে আচলতে কোন সেই কথা দেৱতাগণে সঠিককৈ নজনা সত্ত্বেও

তুলি আনিলে । তেতিয়া বিষ্ণুৰ একাধিক ৰূপ আৰু একাধিক ভূমিকা ।

তাৰ পাছত ক্ষীৰসাগৰ মন্থনৰ ফল প্ৰকাশিত হৈ থাকিল । সেই সাগৰৰপৰা উদ্ভূত হ'ল চন্দ্ৰ, লক্ষ্মী, কল্পবৃক্ষ, কামধেনু, ঐৰাৱত, হস্তী, উচ্চৈস্বৰ অশ্ব আৰু সুৰা, যি সুৰা হ'ল এক উত্তেজক পানীয় । এইবোৰৰ বাহিৰেও আৰু অনেক বস্তু ক্ষীৰসাগৰ মন্থনৰ কালত ওলাইছিল।

স্নিগ্ধ চন্দ্ৰক শিৰত ধাৰণ কৰি শিৱই নিজৰ কণ্ঠৰ বিষৰ জ্বালা বহুলাংশে পাতলাব পাৰিছিল। তাৰ পাছৰপৰা শিৱৰ আন এক নাম হ'ল চন্দ্ৰশেখৰ । আনহাতে, লক্ষ্মীৰ সৈতে বিষ্ণুৰ সম্পৰ্ক ঘনিষ্ঠতৰ হ'ল । লক্ষ্মী হৈ পৰিল বিষ্ণুৰ আপোনজন, বিষ্ণুৰ আন এটি নাম হ'ল লক্ষ্মীকান্ত । দেৱতাসকলে সুৰগণৰ অস্তিত্বক স্বীকাৰ কঁৰিলে, তেওঁলোকক স্বীকৃতি দিলে ।

জগন্মোহিনীয়ে অমৃতখিনি তেওঁলোককে দিব বুলি নিশ্চিন্ত হৈছিল । কোনো কোনো দেৱতাই বিষ্ণুৱেইহে জগন্মোহিনীৰ ৰূপ লৈ অহা বুলি ভাবিছিল ।

অমৃত ভগোৱাৰ সময়ত ৰাক্ষসগণে ইমান নিবিষ্ট মনেৰে জগন্মোহিনীলৈ চাই আছিল যে, তেওঁলোকে অমৃত পালেনে নাই তাৰ প্ৰতি ভ্ৰূক্ষেপ কৰিবলৈকো পাহৰি গৈছিল । জগন্মোহিনীয়ে যে ৰাক্ষসসকলক অমৃতৰপৰা বঞ্চিত কৰি আছে, সেই কথাটোলৈ অন্যতম ৰাক্ষস ৰাহুৱে লক্ষ্য কৰিছিল । ৰাহু আছিল জলৰাক্ষসী সিংহীকাৰ সন্তান । মায়াজালৰ বিষয়ে তাৰ যথেষ্ট জ্ঞান আছিল ।

ৰাহুৱে এই কথাটো ৰাক্ষসসকলক বুজাই ক'বলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল । কিয়নো, ৰাক্ষসহঁত তেতিয়া জগন্মোহিনীৰ মায়াজালত আবদ্ধ, ৰাহুৰ কথালৈ কাণসাৰকে নকৰিলে। অগত্যা--ৰাহুৱে দেৱতাৰ ৰূপ ধৰি দেৱতাসকলৰ সৈতে বহি অমৃত পান কৰিলে ।

এই ঘটনাটোলৈ সূৰ্য্য আৰু চন্দ্ৰই লক্ষ্য কৰিছিল । তেওঁলোকে ৰাহুৰ এই চতুৰালিৰ কথা বিষ্ণুক ক'লে । বিষ্ণুৱে তৎক্ষণাৎ তেওঁৰ চক্ৰ এৰিলে ৰাহুক টুকুৰাটুকুকৈ কাটি পেলাবলৈ ।

বিষ্ণুৰ চক্ৰৰ আক্ৰমণৰপৰা নিজক ৰক্ষা কৰিবলৈ ৰাহুৱে ই গ্ৰহৰপৰা সি গ্ৰহলৈ পলাই ফুৰিবলৈ ধৰিলে । কিন্তু তথাপি বিষ্ণুৰ চক্ৰই ৰাহুৰ ডিঙি কাটি পেলালে । ৰাহুৱে যিহেতুকে অমৃত পান কৰিছিল, সিহেতুকে গ্ৰহমণ্ডলত ৰাহুৰ মূৰ আৰু দেহ বিচ্ছিন্ন অৱস্থতো জীৱন্ত থাকিল । মূৰটোৰ নাম হ'ল ৰাহু, আৰু দেহৰ

নাম হ'ল কেতু । ৰাহু আৰু কেতুৰে সৈতে গ্ৰহৰ সংখ্যা হ'ল সৰ্বমুঠ নটা।

সূৰ্য্য আৰু চন্দ্ৰই ৰাহুক ধৰাই দিয়া বাবে তেওঁলোকৰ ওপৰত ৰাহু বিৰূপ হ'ল । তাৰ ফলতে আউসী আৰু পূৰ্ণিমাত ৰাহুৰ প্ৰভাৱতে সূৰ্য্য আৰু চন্দ্ৰগ্ৰহণৰ সৃষ্টি হয় ।

আটাইখিনি অমৃত দেৱতাসকলক দি জগন্মোহিনী অন্তৰ্হিতা হ'ল । তেওঁ গুচি যোৱাৰ পাছতহে ৰাক্ষসসকলে বিষ্ণুৰ কৌশলৰ কথাৰ গম ধৰিব পাৰিলে । তেতিয়া বিষ্ণু তথা সকলো দেৱতাৰ বিৰুদ্ধে ৰাক্ষসগণ বিক্ষুব্ধ হৈ উঠিল ।

অমৃত মন্থন উপলক্ষ্যে বিষ্ণুৱে কূৰ্মঅৱতাৰ, ধন্বন্তৰী অৱতাৰ আৰু জগন্মোহিনী অৱতাৰ ধাৰণ কৰিবলগীয়া হৈছিল । ধন্বন্তৰী-অৱতাৰ হোৱাৰ ফলত বৈদ্য অৰ্থাৎ চিকিৎসকসকল উপকৃত হৈছিল, আৰু জগন্মোহিনী চিহ্নিত

হৈছিল শ্ৰেষ্ঠা সুন্দৰী হিচাপে।

জগন্মোহিনীৰ গুণকীৰ্তন কৰি কৰি বীণ বজাই নাৰদ কৈলাসলৈ গ'ল। তেওঁৰ বীণৰ বাদন আৰু কীৰ্তন শুনি পাৰ্বতীয়ে নাৰদক ক'লে, ''ৰাক্ষসসকলক আভুৱা ভাঁৰিও জগন্মোহিনীয়ে ইমান সুখ্যাতি লাভ কৰিব পাৰিলেনে?''

''হয়, আই! লোকৰ ওপৰত নিজক বিশ্বাসী হিচাপে প্ৰতিষ্ঠিত কৰাৰ পাছত কেনেকৈ আভুৱা ভাঁৰিব লাগে--জগন্মোহিনীৰপৰা জগতে সেই ফন্দী শিকিলে।'' এই বুলি কৈয়েই নাৰদ গুচি গ'ল।

পাৰ্বতীয়ে কথাটো শিৱক ক'লেগৈ। এই কথা শুনি শিৱই পাৰ্বতীক লগত লৈ নান্দীৰ পিঠিত উঠি বিষ্ণুৰ কাষ চাপিলে আৰু ক'লে, ''তোমাৰ সেই জগন্মোহিনীৰূপ চাবলৈ আহিলোঁ।''

''যিকোনো কাম সিদ্ধিৰ বাবে একো একোটা ৰূপ ধাৰণ কৰিব লাগে। কিন্তু সেই ৰূপ সদায় প্ৰদৰ্শন কৰিব লাগিব কিয়?'' এই বুলি কৈ বিষ্ণু তাৰপৰা তৎক্ষণাৎ অন্তৰ্হিত হ'ল।

অলপ পাছত অনতিদূৰত থকা উদ্যানত জগন্মোহিনীক দেখা গ'ল। শিৱই আন সকলো পাহৰি নৃত্যৰতা সংগীতমগ্না জগন্মোহিনীৰ ওচৰলৈ গ'ল। জগন্মোহিনী তৎক্ষণাৎ আকাশপথলৈ গুচি গ'ল। শিৱয়ো পিছে পিছে খেদি গ'ল। শিৱ আৰু জগন্মোহিনীৰ এই লীলাখেলা ব্ৰহ্মাসহ সমস্ত দেৱতাই অৱলোকন কৰিলে। শিৱৰ এই কাণ্ড দেখি পাৰ্বতীয়ে তৱধ মানিছিল। নান্দীয়েও শিৱৰ লীলা প্ৰত্যক্ষ কৰিলে। নাৰদে বীণ বজাবলৈ ধৰিলে। জগন্মোহিনীৰ পিছে পিছে শিৱ লৰবি গৈ আছিল। কিন্তু তাৰ পাছত অকস্মাৎ দুয়ো অদৃশ্য হৈ পৰিল।

অগত্যা পাৰ্বতী অকলশৰেই কৈলাসলৈ উভতি গ'ল। ইপিনে শিৱই যেতিয়া জগন্মোহিনীৰ কঁকালত সাৱট মাৰি ধৰিলে, তেতিয়া আতংকিতা হৈ জগন্মোহিনী পাৰ্বতীৰ কাষ চাপিল আৰু ক'লে, ''আই পাৰ্বতী, তোমাৰ প্ৰাণেশ্বৰৰ কবলৰপৰা মোক বচোৱাঁ।''

পাছ মুহূৰ্ততে জগন্মোহিনীৰ ঠাইত বিষ্ণুক দেখা গ'ল। তেতিয়া পাৰ্বতীয়ে বিষ্ণুক ক'লে, ''বাৰু ককাইদেউ, জগন্মোহিনীয়েই হওক বা বিশ্বমোহিনীয়েই হওক--তোমালোক দুয়ো মিলি যি লীলাখেলা কৰিলা, সেয়া বাৰু সঁচাসঁচিকৈ অভিনয়েই নে আন কিবা?''

"ওঁ, অভিনয় তো হয়েই, অভিনয়ৰ বাহিৰে আন একোৱেই নহয় ।" নাৰদে কৈ উঠিল । নাৰদে পাৰ্বতীৰ মনৰ আশংকা পাতলাই আকৌ জগন্মোহিনী আৰু শিৱৰ গুণানুকীৰ্তন কৰি কৰি তাৰপৰা গুচি গ'ল।

নাৰদ গুচি যোৱাৰ পাছত শিৱই বিষ্ণুক ক'লে, "অমৃতৰ বিষয়ে পাহৰি ৰাক্ষসসকলে তোমাৰ জগন্মোহিনী ৰূপ দেখি মুগ্ধ হোৱাৰ প্ৰশংসা কৰিছোঁ । মই অসুৰসকলৰ ৰসগ্ৰহণৰ ক্ষমতাক শলাগোঁ ।"

বিষ্ণুৱে মিচিকীয়াই হাঁহি পাৰ্বতীক ক'লে, "গংগাৰ ভুমিলৈ অৱতৰণৰ কালত শিৱই কোনোবাজনী সতিনীক লৈ অহা বুলি ভবাৰ দৰে, জগন্মোহিনীৰ লীলাতো আকৌ ভয় খাইছিলা, নহয় ?" এই বুলি কৈ বিষ্ণু গুচি গ'ল ।

পৰৱৰ্তীকালত বিষ্ণুৱে কৰ্দমপ্ৰজাপতি আৰু দেৱহূতিৰ পুত্ৰসন্তানৰূপে জন্মগ্ৰহণ কৰিছিল । সেই জন্ম আছিল কপিলাৱতাৰৰ জন্ম । কপিলৰ মাতৃ দেৱহূতি কথিত বহুতো নীতিকথা সখ্যযোগত সন্নিবিষ্ট আছে । মহৰ্ষি কপিল যেতিয়া পাতালৰ এটা গুহাত তপস্যাত মগ্ন আছিল, তেতিয়া ভূমণ্ডলৰ সগৰৰজাই তেওঁৰ শততম অশ্বমেধ যজ্ঞৰ অনুষ্ঠান পাতিছিল ।

ইন্দ্ৰই সেই অশ্বমেধ যজ্ঞৰ ঘোঁৰাক জাদুৰ সহায়ত চুৰ কৰি মহৰ্ষি কপিলৰ গুহাৰ ভিতৰত থৈ দিছিল ।

সগৰৰজাৰ এহেজাৰ পুত্ৰই অশ্বমেধ যজ্ঞৰ ঘোঁৰাটোক বিচাৰি বিচাৰি মহৰ্ষি কপিলৰ গুহাত বিচাৰি উলিয়ালেগৈ । সগৰৰজাৰ পুত্ৰহঁতে মহৰ্ষি কপিলেই নিশ্চয় ঘোঁৰাটোক



চুৰ কৰা বুলি ভাবিছিল । সিহঁতৰ হৈ-চৈ শুনি ক্ৰুদ্ধ কপিলমুনিয়ে অগ্নিবৃষ্টি দৃষ্টিৰে সিহঁতলৈ তৎক্ষণাৎ চালে, আৰু লগে লগে সগৰৰজাৰ এহেজাৰ পুত্ৰ এক নিমিষতে পুৰি ভস্ম হৈ গ'ল।

পৰৱৰ্তীকালত সগৰৰজাৰ সেই এহেজাৰ পুত্ৰক সেই বংশৰ উত্তৰসূৰী ভগীৰথে কঠোৰ তপস্যা কৰি গংগাক মৰ্ত্যলৈ আনি উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰিলে । গংগাই পোনে পোনেই ভূমিলৈ নামি অহাহেঁতেন ভয়ংকৰ প্লাৱনে সকলো উটুৱাই লৈ গ'লহেঁতেন । গতিকে স্বয়ং শিৱই গংগাক নিজৰ জঁটাত ধাৰণ কৰি তীব্ৰ গতিক কিঞ্চিতমান খৰ্ব কৰিব পাৰিলে । তাৰ পাছত মৰ্ত্যভূমিলৈ গংগাৰ অৱতৰণ ঘটিল । ভগীৰথে গংগাক তেওঁৰ উপৰিপুৰুষসকলৰ ভস্মৰ-ওপৰেদি প্ৰবাহিত কৰোৱাই তেওঁলোকক পুনৰ্জীৱিত কৰি তুলিলে ।

এই ঘটনাৰ ফলত শিৱৰ অন্য এক নাম হ'ল গংগাধৰ, আৰু গংগা হ'ল শিৱপত্নী পাৰ্বতীৰ সতিনীয়েক ।

সনক, সনন্দ, সনৎসুজাত, সনৎকুমাৰ প্ৰমুখ চাৰিজন আছিল ব্ৰহ্মাৰ মানসপুত্ৰ । এওঁলোকে চিৰকাল বালকৰূপে বিষ্ণুৰ গুণকীৰ্তন কৰি সৰ্বলোকত ভ্ৰমণ কৰিছিল । এবাৰ এওঁলোক চাৰিওজন বিষ্ণুৰ ঘৰলৈ গ'ল। তাত তেতিয়া যম আৰু বিজয়ে পৰ দি আছিল । যম আৰু বিজয়ে ক'লে যে তেতিয়া বিষ্ণুৰ সৈতে সাক্ষাৎ নহ'ব ।"

তেতিয়া সেই চাৰিওজনৰ খং উঠিল আৰু যম আৰু বিজয়ক ক'লে, "বিষ্ণুৰ দৰ্শনৰ বাবে আমাক সময়-অসময়ৰ জ্ঞান দিব নালাগে ।" এই বুলি কৈ বলপূৰ্বক বিষ্ণুৰ ঘৰলৈ সোমোৱাৰ চেষ্টা কৰা মাত্ৰকে যম আৰু বিজয়ে টাঙোন দাঙি লৈ তেওঁলোকক বাধা দিলে ।

লগে লগে বালক চাৰিওজনে ক্ৰুদ্ধ হৈ ক'লে, "বিষ্ণুৰ ঘৰৰ পৰীয়া হিচাপে তোমালোক অতি অযোগ্য । তোমালোক ৰাক্ষসৰূপে জন্ম গ্ৰহণ কৰিবা ।"

ঘৰৰ দুৱাৰত কোলাহল শুনি লক্ষ্মীদেৱী তাত ওলালহি । আৰু লক্ষ্মীৰ পিছে পিছে বিষ্ণুও আহিল ।

পৰী যেতিয়া বজাৰ কৰিবলৈ আহে

মিলফোড হেভ'ন ৱেলচৰ বালিময় সমুদ্ৰতীৰত থকা এখন সৰু চহৰ। তাৰ মানুহখিনিয়ে এটা অতি শান্ত জীৱন যাপন কৰিছিল, কিন্তু কেইদিনমানৰ পাছত তাত কিছুমান বিচিত্ৰ আৰু চমৎকাৰ কৰা ঘটনা ঘটিবলৈ ল'লে। বজাৰৰ পৰা হঠাতে বস্তুবোৰ নোহোৱা হয়। আৰু যিখন দোকানৰপৰা বস্তু নোহোৱা হয়, সেইখন দোকানৰ দোকানীৰ সমুখত প্ৰকট হয় কিছুমান সোণৰ মুদ্ৰা।

এদিন গ্ৰিফিথ নামৰ এজন দোকানীয়ে তেওঁৰ শেষ গ্ৰাহকজনক বিদায় দি চকীত অলপ আৰাম কৰিবলৈ বহি লৈছিল। তেনেতে চকুৰ আগতে এটা ৰঙালাও অন্তৰ্ধান হোৱাত তেওঁ চিঞৰ বাখৰ লগালে। আৰু তেওঁৰ সমুখত প্ৰকট হোৱা সোণৰ মুদ্ৰাকেইটা দেখি তেওঁ আৰু আচৰিত হ'ল। আচৰিত হৈ তেওঁ মুদ্ৰাকেইটা হাতত তুলি ল'লে

। মুদ্ৰাকেইটাৰ ওচৰতে পৰি আছিল সোণৰ খাৰু । তেওঁ ইফালে সিফালে চালে । কিন্তু সেই প্ৰচণ্ড ভিৰৰ মাজত কোনে খাৰুডাল পেলাই যে গ'ল সেই কথা কেনেকৈ গম পোৱা যাব ? তেওঁ খাৰুডাল উঠাই ল'লে আৰু সোণৰ মুদ্ৰাকেইটাৰ সৈতে একেলগে জেপত ভৰাই থ'লে ।

কিন্তু এইবোৰ মই কি দেখিছো ? এই বিচিত্ৰ প্ৰাণীবোৰ কোন ? এক মিনিট আগেয়ে ইয়াততো কোনো নাছিল ? গ্ৰিফিটে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে যেতিয়া তেওঁ দেখিলে যে সুন্দৰ ৰঙচঙীয়া পোচাক পিন্ধি কিছুমান সৰু-সৰু প্ৰাণী ইফালে সিফালে ঘূৰি ফুৰিছে । তেওঁলোকেও বজাৰ কৰিবলৈ অহা যেন লাগিল । গ্ৰিফিটে নিজৰ চকু মোহাৰি নিজকে নিজে চিকুটি চালে, তেওঁ কোনো সপোন দেখা নাইতো !

তেওঁ সোনকালেই ধৰিব পাৰিলে যে সেই বিচিত্ৰ প্ৰাণীবোৰ কেৱল তেওঁৰহে চকুত পৰিছে । "সম্ভৱত : খাৰুডাল উঠাই লোৱাৰ

বাবেই মই পৰীসকলক দেখা পাইছো ।" গ্ৰিফিটে ভাবিলে । তেওঁ দেখিলে সৰু সৰু প্ৰাণীবোৰে দোকানে দোকানে গৈ বেলেগ বেলেগ শাক-পাচলি, ফল, আন খোৱাবস্তু আদি উঠাই লৈছে আৰু সেইবোৰৰ বিনিময়ত সোণৰ মুদ্ৰা ৰাখি গৈছে ।

এতিয়াহে তেওঁ বুজিলে । "অ', চহৰত ৰহস্যজনক ভাৱে বয়-বস্তু অন্তৰ্ধান কেনেকৈ হৈছে সেই কথা মই ভালকৈ বুজি পাইছো !" এজন সুচতুৰ ব্যৱসায়ী হোৱা বাবে তেওঁ এনেকুৱা বস্তুৰ এখন তালিকা বনালে যিবোৰ বস্তু পৰীসকলে খুব ভাল পায় ।

পিছদিনা গ্ৰিফিটে এই আটাইবোৰ বস্তু দোকানত ৰাখি থৈ বাট চাই ৰ'ল । কৰিলে । বজাৰত ভিৰ বাঢ়ি আহোতে, পৰীসকল আহি ওলালহি । পোনে পোনে তেওঁলোক গ্ৰিফিটৰ দোকানলৈ আহিল আৰু পচন্দৰ বস্তুবোৰ উঠাবলৈ ধৰিলে । পিছত গ্ৰিফিটে দেখিলে তেওঁৰ দোকানত স্বৰ্ণমুদ্ৰাৰ দ'ম লাগিছে । এইদৰে নিতৌ পৰীসকল গ্ৰিফিটৰ দোকানলৈ আহি থাকিল আৰু সোনকালেই গ্ৰিফিট এজন অতি ধনী ব্যৱসায়ী হৈ উঠিল ।

এদিন তেওঁ সমুদ্ৰতীৰত খোজ কাঢ়িবলৈ যাওঁতে সুদূৰত এটা দ্বীপ দেখিলে । পৰীসকল উৰি উৰি সেই ফাললৈকে গৈ আছিল । "পৰীসকল হয়তো ইয়াতেই থাকে," গ্ৰিফিটে মনতে ভাবিলে, "আৰু এই খাৰুডালৰ জোৰতেই মই এই দ্বীপটোও দেখা পাইছো ।"

সোনকালেই তেওঁ পৰীসকলৰ সৈতে বেপাৰ বঢ়াবলৈ মনস্থ কৰিলে "মই মোৰ বস্তুবোৰ লৈ এই দ্বীপটোলৈয়ো যাব লাগিব । তাত নিশ্চয় মই আৰু অধিক ক্ৰেতা পাম । কাৰণ দ্বীপটোত থকা আটাইবোৰ পৰী সদায় বজাৰলৈ নাহিবও পাৰে । এনে কৰিলে মই

আৰু ধনী হ'ব পাৰিম ।"

পিছদিনা এখন নাৱত মালবস্তু বোজাই কৰি গ্ৰিফিট সেই দ্বীপটো অভিমুখে ৰাওনা হ'ল। দ্বীপটো গৈ পাই গ্ৰিফিটে তেওঁৰ বয় বস্তুবোৰ পাৰলৈ টানি আনিলে । কিছুমান পৰীয়ে নিজৰ দ্বীপত এনেকৈ এজন মানুহ দেখি তবধ মানিলে । তেওঁলোকে দৌৰি গৈ লগৰবোৰক কথাটো ক'লে ।

এই অনুপ্ৰেবেশকাৰীক স্বচক্ষে চাবলৈ বহুত পৰী ওলাই আহিল । নিসন্দেহে ইমানবোৰ পৰীক একেলগে দেখি গ্ৰিফিথে বৰ ভাল পালে । "আহাঁ, আহাঁ, মোৰ বন্ধুসকল ।" তেওঁ চিঞৰি চিঞৰি ক'লে, "চোৱা, মই তোমালোকৰ বাবে কি আনিছো ? এতিয়াৰে পৰা তোমালোক নিতৌ মিলফোড হেভনলৈ যোৱাৰ কষ্ট নকৰিলেও হ'ব ।"

তেনেতে পৰীসকলৰ নেত্ৰী সেইখিনি আহি ওলালহি । সময় মতে অহাত গ্ৰিফিথে তেওঁৰ লগৰ পৰীসকলক দিয়া আমন্ত্ৰণ নেত্ৰীয়েও শুনা পালে । তেওঁ আন পৰীসকলক ক'লে, "ভয় নাখাবা । এই মানুহজন অতি লোভী হৈ উঠিছে আৰু এই লোভেই তেওঁক এদিন ৰসাতলে নিব । কিন্তু তেওঁৰ মনৰ কথা যে আমি জানো সেইটো তেওঁক জানিবলৈ নিদিবা । যি বস্তু কিনিব খুজিছা তোমালোকে কিনি লোৱা আৰু প্ৰতিদিনাই তেওঁক ইয়ালৈ আহিবলৈ কোৱা । লাহে লাহে আমি তেওঁক ৰসাতলে নিয়াৰ ব্যৱস্থা কৰিম ।"

পৰীসকল গ্ৰিফিটৰ ওচৰলৈ গ'ল । যি যি বস্তু কিনিব লগা আছিল, তেওঁলোকে সেইবোৰ কিনি ল'লে । "কাইলৈও আহিবা, ইয়ালৈ এই একে সময়তে।" গ্ৰিফিটৰ সাহসী অভিযানত ৰোমাঞ্চিত হোৱা সোণালী চকুৰ

এগৰাকী পৰীয়ে গ্ৰিফিটক ক'লে ।

গ্ৰিফিট গুচি যোৱাৰ পাছত নেত্ৰীয়ে পৰীসকলক মাতি পঠিয়ালে । "কাইলৈ যেতিয়া তেওঁ ইয়ালৈ আহিব, তেতিয়া তেওঁক সুধিবা এই দ্বীপ তেওঁ দেখা পালে কেনেকৈ ? কিয়নো আন মানুহেও যদি এই ৰহস্যৰ কথা গম পায় তেন্তে ইয়ালৈ মানুহৰ সোঁত ব'ব আৰু আমি শান্তিত থাকিব নোৱাৰিম ।"

পিছদিনা বস্তু লৈ আকৌ গ্ৰিফিট দ্বীপটোলৈ অহাত পৰীসকলে তেওঁক আদৰ সম্ভাষণ জনালে । তেওঁ অত্যধিক সন্মানিত অনুভৱ কৰিলে আৰু নিজৰ অজ্ঞাতে পৰীসকলে পতা জালত গ্ৰিফিটে ভৰি দিলে ।

"আজি তোমাৰ পাচলিবোৰ বৰ সতেজ দেখিছো ।" এজনী সুন্দৰ অকণমানি পৰীয়ে তেওঁৰ দীঘল চুলিকোচা জোকাৰি ক'লে ।

"ধন্যবাদ সুন্দৰী !" গ্ৰিফিটে ক'লে ।

তেতিয়া পৰীয়ে সুধিলে, "তুমিনো আমাৰ বিষয়ে জানিলা কেনেকৈ ? মইতো ভাবিছিলো

মানুহৰ চকুত আমি অগোচৰ হৈ থাকো ।"

"এদিন হ'ল কি তোমালোকৰে কোনোবা এগৰাকীয়ে এডাল খাৰু মোৰ দোকানত পেলাই থৈ আহিল । তেতিয়াৰেপৰা মই তোমালোকক দেখা পোৱা হ'লো ।" গ্ৰিফিটে ক'লে ।

"মই সেই খাৰুডাল চাব পাৰোনে ?" সুন্দৰী পৰীজনীয়ে সুধিলে ।

গ্ৰিফিটে ততালিকে তেওঁ জেপৰপৰা খাৰুডাল উলিয়াই পৰীৰ হাতত তুলি দিলে । পৰীয়ে সেইডাল ঘূৰাই পকাই চালে । "অ' এই খাৰুডাল দেখোন ডেইজীৰ । কেইদিনমান আগেয়ে তাইৰ খাৰুডাল হেৰাইছিল আৰু তাই সেইডাল ক'তো বিচাৰি পোৱা নাছিল ।" পৰীয়ে ক'লে ।

পৰীয়ে লগৰবোৰক কথাটো ক'লে আৰু আটায়ে খাৰুডাল কেনেকৈ গ্ৰিফিটৰ হাতৰপৰা আনিব পাৰি তাৰ বাবে বুদ্ধি পাঙিলে ।

পিছদিনা গ্ৰিফিট আকৌ সেই দ্বীপটোলৈ অহাত যুৱতী পৰীয়ে তেওঁক গোটেই দ্বীপটো ঘূৰি-পকি চোৱাৰ প্ৰস্তাৱ দিলে । দ্বীপটো ৰত্ন আৰু হীৰাৰে ভৰপূৰ আছিল । আনকি ঘৰবোৰো মূল্যৱান পাথৰেৰে নিৰ্মিত আছিল । গ্ৰিফিটে গোটেই ধন-সোণ হস্তগত কৰাৰ তেওঁ সপোন দেখিবলৈ ধৰিলে । "তুমি যিমান ধন লাগে লৈ যোৱা" যুৱতী পৰীয়ে ক'লে, কিন্তু "ইয়াৰ বিনিময়ত তুমি কিবা দিব লাগিব ।"

"কি ?" লালসাভৰা মাতেৰে গ্ৰিফিটে সুধিলে ।

"বিশেষ একো নিদিলেও হ'ব । কালি যে মোক দেখুৱাইছিলা সেই সৰু খাৰুডাল দিলেই হ'ব ।" পৰীয়ে ক'লে ।

গ্ৰিফিট ৰাজী হ'ল । তেতিয়া পৰীয়ে গ্ৰিফিটক এনে এটুকুৰা ঠাই দেখুৱালে য'ত সকলো ৰঙ আৰু আকাৰৰ ৰত্ন পোৱা যায় । যিমান পাৰি সিমান ৰত্ন উঠাই গ্ৰিফিটে নাৱত বোজাই কৰিলে । তাৰ পিছত খাৰুডাল পৰীক দি ঘৰমুৱা হ'ল ।

বেচেৰা গ্ৰিফিথ ! নাৱত উঠাৰ লগে লগে তেওঁৰ ধন-সোণ লাহে লাহে কমি আহিবলৈ ধৰিলে । আচৰিত হৈ খঙেৰে তেওঁ চাৰিওফালে চালে । ভাবিলে ওচৰত কোনো পৰীক দেখা পালে তেওঁ সুধিব পাৰিব এনেকুৱা কিয় হৈছে ? কিন্তু এতিয়া পৰীৰ দ্বীপটোও অদৃশ্য হৈ গৈছে । গ্ৰিফিটে তেতিয়াহে উপলব্ধি কৰিলে যে খাৰুডাল নোহোৱাকৈ তেওঁ আৰু পৰীসকলক দেখা নাপাব ।

ঘৰলৈ ঘূৰি অহাৰ পাছত তেওঁ আৰু কেতিয়াও সেই পৰীসকলক মিলফোড হেভ'নত দেখা নাপালে ।



বিনা সূতে দিয়া ধাৰ

লক্ষ্মী শিৱৰামপুৰ এখন সৰু গাওঁ, কিন্তু এক প্ৰসিদ্ধ পুণ্যক্ষেত্ৰ । গাৱঁৰ আৰম্ভনিতে লক্ষ্মী দেৱীৰ মন্দিৰ । গাৱঁৰ মাজভাগতে শিৱৰ মন্দিৰ আৰু শেষত ৰাম মন্দিৰ । সেয়েহে, গোটেই বছৰ জুৰি তাত উৎসৱ হৈ থাকে, মেল হৈ থাকে । গাৱঁৰ চাৰিওফালে সুন্দৰ পাহাৰ আৰু প্ৰপ্ৰাত আছে, সেয়ে শিৱৰামপুৰ বিহাৰ স্থল হিচাবেও প্ৰসিদ্ধ ।

সৌৰভ সেই গাৱঁৰে নিবাসী । গাৱঁৰ মাজতে তেওঁৰ নিজৰ কাপোৰৰ দোকান আছে । কিন্তু তাক এটা চিন্তাই খুলি খুলি খায় যে তাৰ নিজৰ এটা ঘৰ নাই । সেই গাৱঁত যিমানবোৰ সৰু-সৰু দোকানী আছে সবৰে মস্ত মস্ত ঘৰ আছে । কিন্তু তেওঁৰ নিজৰহে জুপুৰী ঘৰ এটাও নাই ।

এদিন সৌৰভৰ পত্নী পাৰ্বতীয়ে তেওঁক ক'লে, "শিবালয়ৰ পূজাৰীৰ পত্নীয়ে দুই তিনি বাৰ মোক কৈছে যে গাৱঁৰ বাহিৰত ঘৰ সাজিবলৈ মাটি বেচি থকা হৈছে । আমিও তাত এটুকুৰা মাটি লোৱাহ'লে ভাল আছিল।"

নিজৰ মনৰ কথাটো পত্নীৰ মুখত শুনি সৌৰভ অত্যন্ত সুখী হ'ল । এতিয়ালৈকে তেওঁ যিমান পইচা গোটাইছিল আৰু শহুৰৰ ঘৰৰ পৰা বিয়াৰ সময়ত যিটো আঙঠি দিছিল, সেইটো বেচি পোৱা পইচাৰে তেওঁ অলপ মাটি কিনি ল'লে ।

"মাটি যেতিয়া কিনিলোৱেই, তেন্তে ভাৰাঘৰত কিয় থাকোঁ ? সৰু ঘৰ এটাই যথেষ্ট, নাসাজিলে আমাৰেই লোকচান নহয় জানোঁ?" পাৰ্বতীয়ে এইদৰে দৈনিক এবাৰকৈ হ'লেও সোৱৰাবলৈ ধৰিলে ।

সৌৰভৰো পত্নীয়ে কোৱা কথাই ঠিক যেন লাগিল । তেওঁ পত্নীৰ গহনা বেচি দিলে, বন্ধুসকলৰ পৰা ধাৰ ল'লে আৰু ঘৰ সজাৰ কাম আৰম্ভ কৰি দিলে । তেওঁ ভাবিছিলে যে সৰু ঘৰেই যথেষ্ট ।" সৌৰভৰ পত্নীৰ এইষাৰ কথাও ভাল লাগিল ।

ঘৰ সাজিবলৈ আৰু দহ হাজাৰ টকাৰ দৰকাৰ হ'ল । তেওঁ ভাবি-গুণি থাকোতেই তেওঁৰ পত্নী পাৰ্বতীয়ে উপদেশ দিলে,

চমন শাহ



"উত্তৰপাৰত দশৰথ নামৰ আমাৰ এজন আত্মীয় আছে। সম্বন্ধত তেওঁ মোৰ ডাঙৰ দাদা হয়। জমিদাৰৰ তাত ডাঙৰ চাকৰি কৰে আৰু পইচাও বহুত। মই নিজেই যাম আৰু তেওঁক ধাৰ খুজিম। তেওঁ কেতিয়াও 'না' নকয়। এই ধাৰ লাহে-লাহে কিস্তিত পৰিশোধ কৰিম। কাইলৈকে আমি দুয়ো তেওঁৰ ওচৰলৈ যাম।"

পতি-পত্নী দুয়ো পুৱাই ওলাল আৰু দুপৰীয়ালৈ দশৰথৰ ঘৰ পালেগৈ। কুশল বাতৰি লোৱাৰ পিছত দশৰথে পাৰ্বতীক সুধিলে, "পাৰ্বতী, শুনিছো বোলে ঘৰ সাজিছা। সম্পূৰ্ণ হ'ল নেকি? মোক জনোৱা হ'লে কিমান ভাল পালো হয়।"

"বেয়া নাপাব, ককাইদেউ। সকলোকে নিমন্ত্ৰণ কৰিব খুজিছিলো, কিন্তু বোধহয় আমাৰ ভাগ্যতে সেইটো নাই।" পাৰ্বতীয়ে দুখেৰে ক'লে।

"কথাটো কি? তেনেকুৱা কি হ'লনো পাৰ্বতী?" দশৰথে ব্যাকুল ভাবে সুধিলে।

"ঘৰৰ কাম পূৰা কৰিবলৈ আমাক কমেও আৰু দহ হাজাৰ টকা লাগে। এইটো কথাতে আমি আপোনাৰ ওচৰলৈ আহিছো। দহ হাজাৰ টকা ধাৰলৈ দিলে কিস্তিত আমি সেয়া পৰিশোধ কৰিম। এইটো সহায় আপুনিহে কৰিব পাৰিব।" পাৰ্বতীয়ে ক'লে।

"বৰ ককায়েৰটো হৈছো। এইকণ সহায়ো কৰিব নোৱাৰিমনে? প্ৰথমতে খোৱা-বোৱা কৰি লোৱাচোন।" দশৰথে তেওঁলোকক আশ্বাসৰ সুৰত ক'লে।

খাই-বৈ উঠাৰ পিছত দশৰথে দহ হাজাৰ টকা সৌৰভৰ হাতত দিলে আৰু ক'লে, "এই পইচা নিজৰ সুবিধামতে দিলেও হ'ব। কোনো লৰালৰি নাই।"

সৌৰভে পইচাখিনি মোনাত ভৰাই ক'লে, "সূতৰ বিষয়েও কৈ দিয়া হ'লে ভাল আছিল," তেওঁৰ কথা পূৰা হোৱাৰ আগতেই দশৰথে ক'লে, "আপুনি কি কৈছে! মই আপোনাৰ পৰা সূত ল'ম। আৰে পাৰ্বতী মোৰ নিজৰ ভনীৰ দৰে। এয়া তো কেৱল মোৰ দায়িত্বহে পালিছো।"

"আমি সদায় আপোনাৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম।" এইদৰে কৈ তেওঁলোকে বিদায় ল'লে। তেওঁলোক যোৱাৰ পিছতে দশৰথৰ পত্নীয়ে ঠাট্টা কৰি ক'লে, "হয়, তেওঁলোক আপোনাৰ আত্মীয়। কিন্তু তাৰ অৰ্থ এইটো নহয় যে আপুনি তেওঁলোকক বিনাসূতে পইচা ধাৰ দিব। আমাৰো সন্তান আছে। সিহঁতক ডাঙৰ কৰাৰ দায়িত্ব আমাৰ।"

আপুনি নিজৰ দায়িত্ব কেনেকৈ পাহৰিব পাৰিলে?"

দশৰথে ইয়াৰ কোনো উত্তৰ নিদিলে। তেওঁ মৌন হৈ ৰ'ল। দুমাহতে সৌৰভৰ ঘৰ হৈ উঠিল। গৃহপ্ৰৱেশৰ উৎসৱত দশৰথ নিজৰ পত্নী আৰু ল'ৰা-ছোৱালী লৈ আহিল। সৌৰভ আৰু পত্নীয়ে তেওঁলোকৰ বৰ আদৰ-সাদৰ কৰিলে। তাত তেওঁলোক দুদিন আৰামত থাকিল।

তৃতীয় দিনা সন্ধিয়া যেতিয়া দশৰথে ঘৰৰ বাহিৰত খাটত বহি আছিল তেতিয়া ওচৰতে থিয় হৈ থকা নিজৰ পত্নীক ক'লে, "ঘৰ এৰাৰ তিনিদিন হ'ল, কাইলৈ যাম।"

"এসপ্তাহৰ ভিতৰতে ইয়াত শিৱৰাত্ৰি উৎসৱ খুব ধুম-ধামকৈ পতা হ'ব। এসপ্তাহ ইয়াতে থাকি উৎসৱত ভাগ লৈ যাম।" পত্নীয়ে ক'লে।

"তাৰমানে এসপ্তাহ ইয়াতে থাকিম? ইমান দিন আমি ইয়াত থাকিলে ইহঁতৰ অসুবিধা নহ'ব?" দশৰথে ক'লে।

"ইয়াত অসুবিধাৰ কথা কি আছে? বিনা সূতে আপুনি তো দহ হাজাৰ টকা দি থৈছে। সেইখিনিৰ সূত যদি হিচাব কৰে তেন্তে আপুনিয়ে জানিব সেইখিনিৰ পৰিমাণ কিমান বেছি। তাৰ তুলনাত আমাৰ লগত হোৱা খৰচৰ কোনো তুলনাই নহয়।" পাৰ্বতীয়ে ব্যংগভৰা মাতেৰে ক'লে।

"ডাঙৰকৈ নকবা। কোনোবাই শুনিব। সৌৰভ পৰিশ্ৰমী। সন্মান থকা লোক। আমাৰ পইচা নিশ্চয় ঘূৰাই দিব।" দশৰথে চেপা মাতেৰে ক'লে।

"আজি-কালিৰ দিনত কোনোবাই সূত নোলোৱাকৈ ধাৰ দিয়ে নেকি? আপুনি তো এক পইচাও সূত নোলোৱাকৈ দহ হাজাৰ টকা দি দিলে। মোৰ তো চিন্তাই হৈছে এই পইচা তেওঁলোকে কেতিয়া ঘূৰাব আৰু আপুনি তো এই বিষয়ে অকনো চিন্তাই নকৰে।" পাৰ্বতীয়ে ৰুক্ষ মাতেৰে ক'লে।

বাৰাণ্ডালৈ অহা পাৰ্বতীয়ে তেওঁৰ এই কথা শুনিলে। তেওঁলোকক মাত নিদিয়াকৈ তেওঁ চুপেচাপে ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

সেই ৰাতি খাই উঠাৰ পিছত হাত ধুই থাকোতে দশৰথে পাৰ্বতীক ক'লে, "কাইলৈ আমি যাম গৈ।"

"এসপ্তাহৰ ভিতৰতে ইয়াত শিৱৰাত্ৰি উৎসৱ পতা হ'ব। আপোনালোক সকলো থাকি একেবাৰে উৎসৱ চাই যাব।" পাৰ্বতীয়ে ক'লে।

"নাই পাৰ্বতী, বহুত কাম আছে। আমি যাবই লাগিব।" দশৰথে ক'লে। "যদি ইমানেই জৰুৰী কাম আছে তেন্তে বৌ আৰু ল'ৰা-ছোৱালীকেইটাকে থৈ আপুনি যাওকগৈ। উৎসৱ চাই তেওঁলোক যাবগৈ।" পাৰ্বতীয়ে ক'লে।

"নহয়, নহয়, তাত তোমালোকৰ অসুবিধা হ'ব।" দশৰথে ক'লে।

"ইয়াত অসুবিধাৰ কি কথা আছে, ককাইদেউ। আমি এইটো ঘৰ সাজিব পাৰিছো আপোনালোকৰ সহায়তহে। আজিকালি সূত নোলোৱাকৈ কোনোবাই ধাৰ দিয়ে নেকি? আৰু আপুনি এক পইচাও সূত নোলোৱাকৈ দহ হাজাৰ টকা ধাৰ দিলে। সূত হিচাব কৰিলে মূলৰ সৈতে কিমান টকা হ'ব আপুনি জানেনে? এটা কথা হয় যে এই পইচা আপোনাৰ কাৰণে একো বেছি পইচা নহয়। আপুনি যি খৰচ কৰে, তাৰ তুলনাত এই পৰিমাণৰ একো তুলনাই নহয়।" পাৰ্বতীয়ে ক'লে।

তেওঁৰ এই কথা শুনি দশৰথ আৰু তেওঁৰ পত্নীয়ে ইজনে সিজনৰ মুখলৈ চালে। স্বামীৰ শেঁতা মুখখন তেওঁ চাব নোৱাৰিলে আৰু তেওঁ নিজৰ মূখো ঘূৰাই দিলে।

"ককাইদেউ, বিপদৰ সময়ত আপুনি আমাক সহায় কৰিলে। নহলেতো আমি এই ঘৰ সাজিব নোৱাৰিলোহেঁতেন। আজি আপুনি সূত ল'বলৈ অস্বীকাৰ কৰিছে আৰু আমি জোৰ কৰিব খোজা নাই। সেয়েহে আমি নিমাতে আছো। কিন্তু বিশ্বাস কৰক, ছমাহৰ ভিতৰত সূতেৰে সৈতে আপোনাৰ ধাৰ শুজিম। তেতিয়ালৈকে অনুগ্ৰহ কৰি ৰওক।" পাৰ্বতীয়ে ক'লে।

"ঠিক আছে, যেতিয়াই দিব খোজা, দি দিবা। লৰালৰি কিহৰ?" এইদৰে কৈ দশৰথে এবাৰ আকৌ পত্নীলৈ চালে। তেওঁ লাজতে তলমূৰ কৰি থিয় হৈ আছিল।

পৰিস্থিতি গহীন হৈ পৰা দেখি পাৰ্বতীয়ে বৰ মৰমেৰে ক'লে, "ককাইদেউ, বৌ আৰু ল'ৰা-ছোৱালীকেইটা শিৱৰাত্ৰি চাইহে যাব। আপুনিও উৎসৱৰ দিনা আহিব আৰু পিছদিনা সকলোকে লৈ ঘৰলৈ যাবগৈ।"



৪
ৰজা শান্তিদেৱৰ অনুপস্থিতিত সেনাপতি বীৰসিংহই ৰজা হ'বলৈ চেষ্টা কৰিলে । তেওঁ মন্ত্ৰী মানৱেন্দ্ৰ আৰু আন ভালেকেইজন সভাসদক বৰ্খাস্ত কৰিলে । তেওঁ মন্ত্ৰীক প্ৰাণে মাৰিব খুজিছিল কিন্তু মন্ত্ৰী পলাই সাৰে । সেনাপতিৰ বিৰুদ্ধে মাত মতা বসন্তক ফাঁচীৰ হুকুম দিয়া হয়, কিন্তু ফাঁচীকাঠত উঠাৰ আগতেই এজন অজ্ঞাত লোকে তেওঁক বচাই নিয়ে । কটোৱালে বসন্তৰ পৰিয়ালবৰ্গক সোধ-পোচ কৰে ।
আৰ্য
অজ্ঞাত ৰাজকুমাৰৰ ৰহস্য
চিত্ৰ : গান্ধী অৰ্যা

তোমালোকৰ পুত্ৰ আছে ক'ত ?
আমি একো নাজানো !
কটোৱালে তেওঁলোকক চাবুকেৰে প্ৰহাৰ কৰে।
কটোৱালে একেটা প্ৰশ্নকে ল'ৰা ছোৱালীহঁতক কৰে।
তোমাৰ দাদা আছে ক'ত।
কোৱা, সোনকালে, নহ'লে...
আপুনি তেওঁক ফাঁচী দিবলৈ লৈ যাওঁতে তেই আমি তেওঁক শেষবাৰৰ বাবে দেখিছিলো ।
গাঁওবাসীয়ে বাধা দিয়ে । সকলোকে নিৰ্মমভাৱে প্ৰহাৰ কৰা হয় ।
মহাশয়, আমাক কিয় এনেকৈ অত্যাচাৰ কৰিছে ?
এওঁৰ ঘৰত জুই লগাই দিয়া ।
ৰজা শান্তিদেৱে কেতিয়াও আমাক এনে ব্যৱহাৰ কৰা নাছিল ।

তেওঁৰ নাম নল'বা । তেওঁ এই সংসাৰত নাই ।
ভগৱানৰে শপত আমাক শান্তিৰে থাকিবলৈ দিয়ক ।
কটোৱালে ঘৰটো জ্বলি উঠা দেখি আনন্দ কৰে ।
অঁ, সকলো জ্বলি শেষ হৈ যোৱাৰ পাছত তোমালোক নিশ্চয় শান্তিৰে থাকিব পাৰিবা ।
অৰণ্যত জয়ানন্দই জয়নগৰৰ চৰ্দাৰিক লগ ধৰিবলৈ থিৰ কৰে ।
আমি বৰষুণৰ পৰা ৰক্ষা পাবলৈ ক'ত আশ্ৰয় লওঁ ?
বাঘ, তুমি ইয়াতেই মোৰ বাবে অপেক্ষা কৰা ।
তেওঁ অহাৰ খবৰ দিবলৈ জয়ানন্দই ভাটৌটো পঠিয়াই দিয়ে ।
মন্ত্ৰী, তুমি যোৱা বাবুৰ ওচৰলৈ ।

চৰ্দাৰ সুখদেৱে ভাটোৰ মাত শুনা পায় ।
এইটো নিশ্চয় মন্ত্ৰীৰেই মাত হ'ব--বাবাৰ সেই ভাটোটো।
বাবু ! বাবু !
বাব ! বাবা !
চৰ্দাৰে জয়ানন্দক সম্ভাষণ জনাবলৈ দৌৰি আহে ।
তোমাৰ বাবে দ্বাৰ খুলি দিওঁ বাবু !
বাবা, প্ৰথমতে আপুনি তিতা গাটো মোহাৰি লওক । তাৰ পাছতো কথা পাতিব পাৰিম ।
মই এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য লৈ ইয়ালৈ আহিছো । তোমাক অকলে লগ পাব পাৰি মই আনন্দিত হৈছো ।
মুনি আৰু চৰ্দাৰে শান্তিপুৰৰ সমস্যা লৈ কথা-বতৰা হয় ।
ৰাজধানীৰ পৰা পোৱা খবৰবোৰে মোক বৰ উদ্বিগ্ন কৰিছে বাবু ।
এইটো দেখিছো এটা ভয়ানক সংকট । সমগ্ৰ ৰাজপৰিয়াল নিৰুদ্দেশ হৈছে ।



জয়ানন্দই এডাল হাৰ উলিয়াই সুখদেৱক দেখুৱায় ।
ইয়াত মই ৰাজচিহ্ন দেখা পাইছো । আপোনাৰ ওচৰত থকা শিশুটি নিসন্দেহে ৰাজকুমাৰেই হয় ।
বাবু, শিশু ৰাজকুমাৰ মোৰ লগতে আছে ।
শিশুটিক চোৰা-চিতা কৰাৰ দায়িত্ব মোক দিয়ক বাবা !
মনত ৰাখিবা, শিশুটি যাতে শত্ৰুৰ হাতত নপৰে । তাক তুলি তালি ডাঙৰ দীঘল কৰোতে এই কথা জানিবলৈ নিদিবা যে সিয়েই ৰাজকুমাৰ ।
কিন্তু বাবু, মই বিচাৰো এই হাৰডালো তুমি তোমাৰ লগতে ৰাখা ।
বাবা, আপুনি মোৰ ওপৰত বিশ্বাস ৰাখক । মই এইডাল সুৰক্ষিত ৰাখিম । কিন্তু...
মই এই হাৰডাল ৰাজকুমাৰক দিম কেতিয়া ? তেওঁনো কেনেকৈ জানিব যে হাৰডাল মোৰ ওচৰতে আছে ।
উপযুক্ত সময়ত, ৰাজকুমাৰ সুমেধে তোমাৰ পৰা হাৰডাল খুজিবলৈ আহিব, বাবু !
ক্ৰমশঃ

ইন্ধন ৰাহি কৰা

বীণাৰ ককাক-আইতাক এমাহ থকাকৈ আহিল। তাইৰ খুব স্ফুৰ্ত্তি, "তোমাৰ বন্ধ কেনেকৈ গ'ল ?" আইতাকে তাইৰ চুলিত হাত বুলাই সুধিলে।

"বাঃ কি যে মজা লাগিছিল," বীণাই ক'লে। "মই এইবাৰ সুপ্ৰিয়াহঁতৰ লগত আছিলো, আৰু জানা আইতা। মই ৰান্ধিবলৈ শিকিলো। আৰু সুধা মাহী আৰু মায়ে মোক বন্ধা-বঢ়া কৰোতে কেনেকৈ কম ইন্ধন খৰচ কৰিব পাৰি শিকাই দিছিল।

"হয় নেকি ?" আইতাকে সুধিলে। আৰু বীণাই শক্তি ৰাহি কৰা কৌশলবোৰ শিকাই দিলে।

আইতাকে এটা সৰু হুমুনিয়াহ কাঢ়িলে। "এটা কথা থাকি গ'ল, যিটো পৰিয়ালৰ প্ৰত্যেকেই পালিব লাগিব।"

"সেইটোনো কি আইতা ?" বীণাই আগ্ৰহেৰে সুধিলে। তাইৰ মাক-দেউতাকেও মন দি শুনি আছিল।

"শুনা," আইতাকে ক'লে, "মই দেখিছো যে বহুতো ঘৰত আনকি তোমালোকৰ ঘৰতো মানুহবোৰ খোৱাৰ সময়ত একেলগ নহয়। প্ৰত্যেকেই নিজৰ সময় সুবিধামতে আহে, খায় আৰু গুচি যায়। আৰু সেয়ে প্ৰত্যেকৰে কাৰণে খোৱা বস্তু বাৰে বাৰে গৰম কৰিব লাগে। এয়া মূল্যৱান ইন্ধনৰ অপব্যয়। তাৰ উপৰিও এনে কৰোতে খাদ্যবস্তুৰ গুণাগুণ কমি যায়! এইটো বোধ কৰিব পাৰি যদিহে ঘৰখনৰ সদস্য সকল একেলগে খাবলৈ বহে। ই ঘৰখনৰ ঐক্যও বৃদ্ধি কৰে!"

তুমি ঠিকেই কৈছা মা, "মাকে মাত দিলে।" মই সকলো একে সময়তে অহাটো সুনিশ্চিত কৰিম।"

আইতাকে তেওঁলোকলৈ চাই মিচিকিয়াই হাঁহিলে আৰু বীণাৰ সাৰতি ধৰিলে। "সেয়াহে ভাল কথা!" তেওঁ ক'লে। "আৰু যদি, কিবা কাৰণত কাৰোবাৰ পলম হয় তেন্তে তুমি খোৱাবস্তুখিনি এটা পাত্ৰত বা এটা হটকেচত ভৰাই থ'ব পাৰা যাতে পুনৰ গৰম নকৰিলেও হয়।"

বীণা আৰু তাইৰ পৰিয়ালে এটা নতুন শিক্ষা পালে।

Children,
Be an active participant in PCRA's conservation mission.
Remember, conservation leads to a beautiful tomorrow.
Write a slogan on Oil Conservation and win free book

I save oil because ____
Name : ____ Age : ____
School : ____
Class ____
Address : ____
Ph : ____

PETROLEUM CONSERVATION RESEARCH ASSOCIATION
10, Bhikaiji Cama Place, New Delhi-110066
E-mail : pcra@pcra.org Visit us at : www.pcra.org

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

সাগৰৰ পানীত থকা লোণ

"সাগৰৰ পানী লুনীয়া কিয় ?" লোককথাৰ ই এটা জনপ্ৰিয় বিষয় । ডাঙৰ জাহাজ এখনে এসোপা নিমখ বোজাই কৰি অনা, সাগৰ, বতাহ আৰু ডাৱৰৰ মাজত যুদ্ধ লগা আৰু ফলস্বৰূপে সাগৰ শুকাই যোৱা এই সাধুবোৰে কেনেকৈ সাগৰৰ পানী নিমখীয়া হয় তাকেই বৰ্ণনা কৰে । আনকি যেতিয়া নদী বিলাক সাগৰলৈ বৈ যায় সিহঁতে খনিজ লৱণ আৰু অন্যান্য পদাৰ্থবোৰ সিহঁত বৈ যোৱা শিলবোৰৰ পৰা উটুৱাই লৈ যায় । এই সকলোবোৰ পদাৰ্থ সাগৰত জমা হয়গৈ ।

সূৰ্যৰ তাপত যেতিয়া পানী বাষ্পীভূত হয়, পানীত থকা লোণবোৰ গোট খাই যায় আৰু লদা বান্ধে । এই নিমখ উলিয়াই সাগৰৰ পানী মাটিৰ ওপৰৰ কেতবোৰ বিশেষ বাম সুঁতিয়েদি বৈ যাবলৈ দিয়া হয় । পানীখিনি বাষ্পীভূত হ'লে নিমখৰ স্ফটিক তাত জমা হয় । এই স্ফটিক সংগ্ৰহ কৰি আমাৰ ব্যৱহাৰৰ বাবে পৰিষ্কাৰ কৰা হয় । এইদৰেই আমি পাওঁ পৃথিৱীৰ লোণ ।



তোমাৰ পৰিবেশ

মৰুভূমিত পানী নাই

আমি সকলোৱে জানো যে জীয়াই থাকিবৰ বাবে আৰু বৰ্দ্ধনৰ বাবে উদ্ভিদক পানীৰ প্ৰয়োজন । মৰুভূমিত মৰুদ্যান সমূহৰ বাহিৰে অন্য ঠাইত আমি পানী নাপাওঁ । কিন্তু তথাপিও মৰুভূমিত গছ গজে । সিহঁতক কেকটাছ বুলি কোৱা হয় । অন্য গছৰ দৰে কেকটাছকো পানীৰ প্ৰয়োজন হয় । কিন্তু, তেনেহ'লে মৰুভূমিত যিহেতু সাধাৰণতে বৰষুণ নহয় সিহঁতে পানী পাব ক'ৰপৰা ? তোমালোকে নিশ্চয় জানা যে কেকটাছত পাত নাথাকে । অৱশ্যে সিহঁতৰ ডাঠ ঠানিবোৰ পানী ধৰি ৰখা পাত্ৰৰ দৰে আৰু দীৰ্ঘদিন ধৰি খৰাং বতৰ হ'লেও ইয়েই গছজোপা জীয়াই ৰাখে । কেকটাছৰ শিপাও বহুত বহল আৰু সিহঁতৰ চৌপাশে বহুদূৰলৈকে ঘেৰি ৰাখে । এই শিপাবোৰে বৰষুণৰ সময়ত যিমান পাৰে পানী ধৰি ৰাখিবৰ চেষ্টা কৰে । তোমালোকে যিকোনো পাত্ৰত কেকটাছ ৰুই নিয়মিত ব্যৱধানত সেইবোৰত পানী দিও সেইবোৰ জীয়াই ৰাখিব পাৰা ।

জানো আহাঁ নানা কথা

তুমি বাৰু জানানে ?

সেই বৃহৎ সৰীসৃপবোৰ

জলাহভূমি, নীৰৱ পুখুৰী, নদী আৰু ক্ৰান্তীয় জলবায়ুৰ দেশসমূহৰ অৰণ্যৰ মাজেদি বৈ যোৱা জুৰিত ঘৰিয়াল, কুম্ভীৰ, মগৰ আদি বৃহৎ সৰীসৃপবোৰ থাকে ।

পৃথিৱীত পোৱা ২৩টা বিভিন্ন প্ৰজাতিৰ ভিতৰত আটাইতকৈ ডাঙৰ সৰীসৃপ হ'ল নদীৰ মোহনাত বা লুনীয়া পানীত থকা ঘৰিয়াল ।

ই দীঘলে ২০ ফুটতকৈয়ো বেছি হয় আৰু ওজন প্ৰায় ১ টন হয় । বিশাল হনু দুটা উলিয়াই বোকাময় পাৰত ৰ'দ লৈ থাকোতে ইহঁতক ভয়ংকৰ দেখি । তেতিয়া ইহঁতে তীঘ্ন দাঁতবোৰ উলিয়াই থাকে ।

ঘৰিয়াল উভচৰ যদিও মাটিতকৈ পানীত থাকি সিহঁতে বেছি সহজ অনুভৱ কৰে । চৰাই, কাচ আৰু কেতিয়াবা বনৰীয়া গাহৰি আৰু গৰু-ম'হ ইহঁতে ভক্ষণ কৰে ।

ঘৰিয়ালে একেৰাহে ২০ মিনিট পানীত ডুব মাৰি থাকিব পাৰে আৰু মাটিত ঘন্টাত ১৪ কিলোমিটাৰে বেগেৰে যাব পাৰে ।

বঢ়াই তোলা বুদ্ধিমত্তা

ভাৰত ভ্ৰমণত যাওঁ আহা

১. গৰ্বা নৃত্য চাবলৈ তুমি কোনখন ৰাজ্যলৈ যাব লাগিব ?

২. জাৰাৱা আৰু চেন্টিনেলিচ জনজাতিৰ লোক ক'ত বাস কৰে ?

৩. দক্ষিণ ভাৰতৰ এখন ঠাই ১৯৩০ চনত লোণ সত্যাগ্ৰহৰ বাবে বিখ্যাত হৈ উঠিছিল । কোনখন ঠাই ?

৪. কোনখন ৰাজ্যৰপৰা এজন মানুহে এটুকুৰা ব্ৰঞ্জ দাপোন ক্ৰয় কৰিব পাৰে ?

৫. এখন ৰাজ্যই তিনিটা বিহু উদযাপন কৰে ? কোনখন ৰাজ্য ?

(উত্তৰ ৬৬ পৃষ্ঠাত)

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো
দুখন নামকৰণ কৰিব পাৰিবানে?

NARAYANA MURTY TATA



NARAYANA MURTY TATA

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাটুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম জুন সংখ্যাত প্ৰকাশ কৰা হ'ব !

অভিনন্দন

ফেব্ৰুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজেতা
অভিজ্ঞান মহন্ত
সহকাৰী কাৰ্যবাহী অভিযন্তা
জনস্বাস্থ্য কাৰিকৰী বিভাগ
উত্তৰ লক্ষীমপুৰ, অসম

বিজয়ী বাক্য

কিয় চুচুক চামাক কৰি মৌলে চোৱা
ধুনু ধুনু মাইনাটোক চুমা এটা খোৱা ।

বঢ়াই তোলা বুদ্ধি মত্তা : উত্তৰ

১.গুজৰাট
২.আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ
৩.ভেদাৰান্যম
৪.কেৰালাৰ আৰানমোলা
৫.অসম : বহাগ বিহু, কাতি বিহু, মাঘ বিহু

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : B. Viswanatha Reddi (Viswam)

NOW AVAILABLE AT ALL LEADING STORES

TRAPPED

GAMES AND ACTIVITY CD-ROM





PROF. PURENOTHIN, THE RENOWNED INDOLOGIST, IS TRAPPED INSIDE THE MOUND OF MURUKKI. YOU JOIN DETECTIVE MANDOO TO SEARCH FOR THE PROFESSOR AND SAVE HIM. THE ONLY WAY TO THE MOUND OF MURUKKI IS REVEALED TO YOU. ONLY WHEN YOU CAN GET HOLD OF FOUR KEYS HIDDEN ALONG YOUR ROUTE. AND YOU HAVE TO SEARCH FOR THEM THROUGH A DOZEN DIFFERENT GAMES AND ACTIVITIES. GO FOR CLUES AND KEYS!

MIND YOU, YOU HAVE ONLY 60 MINUTES TO REACH THE PROFESSOR! GET THERE FAST, BUT BEWARE OF YOURSELF BEING TRAPPED!

Hey, but this one is a whole lot of fun! You have a different set of games and activities, every time you begin your search.

A quality product from **Chandamama**

For more details, please contact :
Chandamama India Limited,
82, Defence Officers' Colony,
Ekkatuthangal, Chennai - 600 097.
www.chandamama.org

RS. 199/- ONLY

CHANDAMAMA (Assamese) APRIL 2004
Regd. with Registrar of Newspaper for India No. 30278/76
Registered No. TN/PMG(CCR)-588/03-05
Licensed to post without prepayment No. [illegible]
Foreign - WPP No. [illegible]